www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

নিজৰ পাৰদৰ্শিতা বৃদ্ধি কৰিবলৈ অসম্ভৱ বুলি জনা কামো কৰিবলৈ আগুৱাই যাবলৈ কুণ্ঠাবোধ নকৰিবা। – আব্ৰাহাম লিংকন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❑ ষষ্ঠ বছৰ ❑ সংখ্যা - ২৬৩ ❑ সোমবাৰ ❑ ২২ ডিচেম্বৰ, ২০২৫ চন ❑ ৭ পুহ, ১৯৪৭ শক ❑ VOL - 6 ❑ NO.- 263 ❑ Monday ❑ 22th December, 2025 ❑ মূল্য ঃ ১০.০০ টকা ❑ মুঠ পৃষ্ঠা ঃ ৮

❑ শ্বহীদৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন প্ৰধানমন্ত্ৰীৰ ❑


## শ্বহীদ স্মাৰক ক্ষেত্ৰত অসম আন্দোলনৰ শ্বহীদসকললৈ শ্ৰদ্ধাঞ্জলি প্ৰধানমন্ত্ৰী মোডীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২১ ডিচেম্বৰ ঃ** দুদিনীয়া অসম ভ্ৰমণসূচীৰে ৰাজ্যত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেওবাৰে পুৱা গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মিত 'শ্বহীদ স্মাৰক ক্ষেত্ৰ' পৰিদৰ্শন কৰি ঐতিহাসিক অসম আন্দোলনৰ ৮৬০ গৰাকী বীৰ শ্বহীদক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে শ্বহীদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰি জাতীয় শ্বহীদসকলৰ স্মৃতিত নিৰ্মিত এই ▸▸ ৫ পৃষ্ঠাত

■ ৰিভাৰ ক্ৰুজত প্ৰধানমন্ত্ৰী মোদীৰ অসমৰ ২৫ মেধাৱী শিক্ষাৰ্থীৰে মত বিনিময় ■

## লুইতৰ বুকুত নৰেন্দ্ৰ মোদীৰ 'পৰীক্ষা পে চৰ্চা'



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২১ ডিচেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দুদিনীয়া অসম ভ্ৰমণৰ দ্বিতীয় দিনা দেওবাৰে পুৱা এক অনন্য কাৰ্যসূচীৰে আৰম্ভ হয়। বুঢ়া লুইতৰ বুকুত, অভ্যন্তৰীণ জল পৰিবহণ কৰ্তৃপক্ষৰ এম ভি চৰাইদেউ ২ নামৰ বিলাসী জাহাজত নৌকা বিহাৰ কৰি প্ৰধানমন্ত্ৰীয়ে 'পৰীক্ষা পে চৰ্চা' কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই বিশেষ অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন জিলাৰ পৰা নিৰ্বাচিত ২৫ গৰাকী মেধাৱী শিক্ষাৰ্থীয়ে ▸▸ ৬ পৃষ্ঠাত

## ২৯ ডিচেম্বৰত গৃহমন্ত্ৰীয়ে উদ্বোধন কৰিব বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্প



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২১ ডিচেম্বৰ ঃ** অসমীয়া জাতিৰ স্বাভিমানৰ প্ৰতীক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থান। এই পবিত্ৰ স্থানৰ ঐতিহ্যমণ্ডিত আকাশীগংগাৰ তীৰত নিৰ্মিত বৃহৎ বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্পটোৰ শুভ উদ্বোধনৰ বাবে আগন্তুক ২৯ ডিচেম্বৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ বটদ্ৰৱালৈ আহিব। এই স্থানক লৈ ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই কয় যে, "এই স্থান অসমীয়াৰ স্বাভিমান। ▸▸ ৬ পৃষ্ঠাত

বটদ্ৰৱাত উপস্থিত হৈ প্ৰকল্পস্থলী পৰিদৰ্শন দিলীপ শইকীয়াৰ

## ২৯ ডিচেম্বৰত বটদ্ৰৱা প্ৰকল্পৰ শুভ উদ্বোধন কৰিব কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২১ ডিচেম্বৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ▸▸ ৬ পৃষ্ঠাত

❑ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন ❑

# বিকাশৰ বতৰাৰে '২৬ৰ ৰণদুন্দুভি মোদীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২১ ডিচেম্বৰ ঃ** ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি অসমৰ ডিব্ৰুগড় জিলাৰ নামৰূপত ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্পৰেচন লিমিটেড (BVFCL)ৰ পৰিসৰত নতুন ব্ৰাউনফিল্ড এম'নিয়া-ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছে। প্ৰায় ১০, ৬০১ কোটি টকাৰ এই বিশাল প্ৰকল্পটোৰে বাৰ্ষিক ১২.৭ লাখ মেট্ৰিক টন ইউৰিয়া উৎপাদন কৰিব পাৰিব আৰু উত্তৰ-পূবৰ কৃষকসকলৰ বাবে সাৰৰ যোগান বৃদ্ধি কৰি আমদানিৰ ▸▸ ৬ পৃষ্ঠাত

## বিশ্বনাথ জিলাত দুগৰাকী মহিলাক বিদেশী ঘোষণা কৰি দেশান্তৰৰ নিৰ্দেশ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২১ ডিচেম্বৰ ঃ** বিশ্বনাথ জিলাৰ দুগৰাকী মহিলাক ▸▸ ৬ পৃষ্ঠাত

প্ৰধানমন্ত্ৰী জুবিন ক্ষেত্ৰত উপস্থিত নোহোৱাক লৈ বিৰোধীৰ ক্ষোভ

## ভাষণত জুবিন গাৰ্গৰ নাম নোলোৱাত অসন্তুষ্ট বিৰোধী

**নিউজ ডেস্ক, অসম বাৰ্তা, ২১ ডিচেম্বৰ ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০ আৰু ২১ ডিচেম্বৰত অসমলৈ দুদিনীয়া ভ্ৰমণ কৰি কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে। এই ভ্ৰমণত তেওঁ গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰৰ নতুন টাৰ্মিনেল উদ্বোধন কৰে ▸▸ ৬ পৃষ্ঠাত

কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ অংশগ্ৰহণ

## মাজুলীত প্ৰথমবাৰৰ বাবে সাংসদ খেল মহোৎসৱ-২০২৫

**অসম বাৰ্তা, উজনী মাজুলী, ২১ ডিচেম্বৰ ঃ** সত্ৰভূমি মাজুলীত প্ৰথমবাৰৰ বাবে আজি সাংসদ খেল মহোৎসৱ ২০২৫ অনুষ্ঠিত হয়। ৰাজ্যসভাৰ ▸▸ ৬ পৃষ্ঠাত

SIT, মুখ্যমন্ত্ৰী আৰু মহামান্য ন্যায়ালয়ৰ ওপৰত পৰিয়ালৰ সম্পূৰ্ণ বিশ্বাস আছে

## পৰচৰ্চা বা নিন্দাই ন্যায় প্ৰদান নকৰে জুবিনক !

**নিউজ ডেস্ক, অসম বাৰ্তা, ২১ ডিচেম্বৰ ঃ** প্ৰখ্যাত অসমীয়া কণ্ঠশিল্পী তথা সাংস্কৃতিক আইকন জুবিন গাৰ্গৰ মৃত্যুৰ ▸▸ ৬ পৃষ্ঠাত

কংগ্ৰেছৰ লগত আদৰ্শগত অমিল আছিল, আছে আৰু ভবিষ্যতেও থাকিব ঃ লুৰিণজ্যোতি গগৈ

## ভোট বিভাজন ৰোধৰ বাবেই বিজেপিৰ বিৰুদ্ধে একত্ৰিত হ'ব বিৰোধী !



**ষ্টাফ ৰিপ'ৰ্টাৰ, যোৰহাট, ২১ ডিচেম্বৰ ঃ** অসম জাতীয় পৰিষদৰ (অজাপ) সভাপতি লুৰীণজ্যোতি গগৈয়ে পুনৰবাৰ আহ্বান জনাইছে যে, আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত বিজেপিক পৰাজিত কৰিবলৈ বিৰোধী শিবিৰে ঐক্যবদ্ধ হৈ যুঁজ দিয়াৰ প্ৰয়োজন। ভোট বিভাজন ৰোধ কৰি একেলগে আগবাঢ়ি অহাৰ বাবে সৰু-বৰ ▸▸ ৬ পৃষ্ঠাত

মাকুমত জল জীৱন মিছনৰ দুৰ্নীতিৰ বিৰুদ্ধে প্ৰতিবাদী সমদলত গৌৰৱ গগৈ

## এইবাৰ যুঁজ এখন হ'ব অসমৰ জনসাধাৰণ বনাম হিমন্ত বিশ্ব শৰ্মাৰ



**অসম বাৰ্তা, মাকুম, ২১ ডিচেম্বৰ ঃ** আজি নৱগঠিত ৮৫ নং মাকুম বিধানসভা সমষ্টিৰ অন্তৰ্গত মাকুম ডিগবৈ পথস্থিত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত ▸▸ ৭ পৃষ্ঠাত

কামপুৰৰ পৰা চিকিৎসাৰ বাবে কাজিৰঙাৰ 'বন্যপ্ৰাণী উদ্ধাৰ আৰু পুনৰ সংস্থাপন কেন্দ্ৰ'লৈ অনা হৈছিল হাতীটোক

## কামপুৰত ৰে'লৰ খুন্দাত গুৰুতৰভাৱে আহত হাতী পোৱালিৰ মৃত্যু



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২১ ডিচেম্বৰ ঃ** অসমৰ নগাঁও জিলাৰ কামপুৰ অঞ্চলত শনিবাৰে পুৱতি নিশা সংঘটিত হোৱা ভয়াৱহ ▸▸ ৬ পৃষ্ঠাত

আপোনাৰ পুৰণি বেংক একাউণ্টৰ পাহৰি যোৱা ধন?



আৰবিআইয়ে আপোনাৰ বেংক একাউণ্টৰপৰা পুৰণি ধন উদ্ধাৰ কৰাত আপোনাক সহায় কৰিব।

আপোনাৰ বেংকত নিষ্ক্ৰিয় হৈ থকা একাউণ্টৰ (2 বছৰৰপৰা 10বছৰলৈকে নিষ্ক্ৰিয়) ধন / দাবী নকৰা জমাধন (10 বছৰৰ পিছত) আৰবিআইৰ ডিইএ পুঁজিলৈ স্থানান্তৰ কৰা হয়। আপুনি বা আপোনাৰ আইনী উত্তৰাধিকাৰীয়ে যিকোনো সময়তে এই ধনৰ দাবী কৰিব পাৰে।

আপোনাৰ ধন দাবী কৰিবলৈ 3 টা সহজ পদক্ষেপ

1. আপোনাৰ বেংকৰ যিকোনো শাখালৈ যাওক, যদিও সেয়া আপোনাৰ নিয়মীয়া শাখা নহয়
2. কে ৱাই চি তথ্যৰ সৈতে এখন প্ৰপত্ৰ জমা দিয়ক (আধাৰ, পাছপৰ্ট, ভোটাৰ আই ডি বা ড্ৰাইভিং লাইচেন্স)
3. সত্যাপনৰ পিছত, আপোনাৰ ধন সুতৰ সৈতে লাভ কৰক, যদি আছে

2025 চনৰ অক্টোবৰৰ পৰা ডিচেম্বৰলৈকে দেশৰ সকলো জিলাতে চলি থকা সম্পত্তিৰ বিশেষ শিবিৰসমূহ চাওক




আপোনাৰ দাবী নকৰা জমা ধন বিচাৰিবলৈ

আপোনাৰ বেংকৰ ৱেবছাইটত সন্ধান কৰক বা বৰ্তমান 30টা বেংক সামৰি লোৱা আৰ বি আইৰ UDGAM পৰ্টেল (https://udgam.rbi.org.in) পৰীক্ষা কৰক ।

অধিক বিৱৰণৰ বাবে, https://rbikehtahai.rbi.org.in চাওক
মতামতৰ বাবে, rbikehtahai@rbi.org.in লৈ লিখক
QR কোডটো স্কেন কৰক
অফিচিয়েল হোৱাটচএপ নম্বৰ 99990 41935

জনস্বাৰ্থত জাৰী কৰা হৈছে
भारतीय रिज़र्व बैंक
RESERVE BANK OF INDIA
www.rbi.org.in

❑ গৌৰৱ গগৈক তীব্ৰ কটাক্ষ কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমাৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ ❑

## গৌৰৱ গগৈৰ সাংসদ পুজিৰে মাজুলীত নিৰ্মিত জিৰণি চ'ৰা আৰু নামঘৰত গৈ চেলফি উঠাৰ মন পবিত্ৰ মাৰ্ঘেৰিটাৰ

জুবিন গাৰ্গক লৈ গৌৰৱ গগৈয়ে যি ৰাজনীতি কৰিছে সেইটো উচিত নহয় বুলিও মন্তব্য মন্ত্ৰী মাৰ্ঘেৰিটাৰ



**অসম বাৰ্তা, উজনী মাজুলী, ২১ ডিচেম্বৰ ঃ** দলীয় কাৰ্যসূচীৰে কালি মাজুলীত উপস্থিত হৈ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰীয়ে প্ৰকৃত ইস্যু ঢাকিবলৈ জুবিন গাৰ্গৰ চৰিত্ৰ হননৰ চেষ্টা চলাইছে বুলি কোৱা বিস্ফোৰক মন্তব্য সন্দৰ্ভত আজি কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমাৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। আজি মাজুলীত হাফ মাৰাথান কাৰ্যসূচীত ▸▸ ৬ পৃষ্ঠাত

ভাৰতীয় ৰে'লৱেৰ যাত্ৰী ভাড়া সংশোধন

## ২৬ ডিচেম্বৰৰ পৰা কাৰ্যকৰী হ'ব নতুন নিৰিখ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২১ ডিচেম্বৰ ঃ** ভাৰতীয় ৰে'লৱে যাত্ৰী ভাড়াৰ গাঁথনি সংশোধন কৰাৰ ঘোষণা কৰিছে, যি আগন্তুক ২৬ ডিচেম্বৰৰ পৰা কাৰ্যকৰী হ'ব। এই সংশোধনৰ ▸▸ ৬ পৃষ্ঠাত

# চামগুৰিৰ গ্ৰামাঞ্চলত বনৰীয়া হাতীৰ উপদ্ৰৱ

## বিফল বন বিভাগ

**অসম বাৰ্তা, পুৰণিগুদাম, ১৯ ডিচেম্বৰ ঃ** নগাঁও জিলাত অব্যাহত আছে বনৰীয়া হাতীৰ উপদ্ৰৱ। খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চলত প্ৰৱেশ কৰা বনৰীয়া হাতীয়ে নগাঁও জিলাৰ শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ উদমাৰি উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত চামগুৰিৰ বিভিন্ন অঞ্চলত এক আতংকময় পৰিস্থিতি সৃষ্টি কৰাত স্থানীয় ৰাইজে উজাগৰী নিশা পাৰ কৰিবলগাত পৰিছে। উদমাৰি উপ-খণ্ড বন কাৰ্যালয়ৰ গ্ৰামাঞ্চলত সমূহত বনৰীয়া হাতীয়ে নিশা হ'লেই উপদ্ৰৱ চলাই আহিছে। চামগুৰি গ্ৰামাঞ্চলত বন্যহস্তীয়ে উপদ্ৰৱ চলাই বহুলোকৰ বাসগৃহৰ লগতে ধানৰ ভঁৰাল আৰু পাকঘৰ ভাঙি তহিলং কৰাৰ লগতে খাদ্যবস্তুৰো অনিষ্টসাধন কৰিছে। শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ উদমাৰী উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত গ্ৰামাঞ্চলসমূহত বৰ্তমান বনৰীয়া হাতীয়ে বহুলোকৰ বাসগৃহ ভাঙি লণ্ড-ভণ্ড কৰাৰ লগতে বাৰীৰ কঁঠাল, কলগছ, নাৰিকল গছ, কঁঠাল আদিকে খোৱাৰ লগতে কৃষিপথাৰৰ কঠীয়াসমূহ গছকি-ফেনেকি তহিলং কৰিছে। দিনৰ ভাগত ঘন জংঘলত সোমাই থাকি নিশা হ'লেই ধাননি পথাৰ আৰু গঞা ৰাইজৰ বাৰীত সোমাই বনৰীয়া হাতীয়ে উপদ্ৰৱ চলাই আহিছে। চামগুৰি গ্ৰামাঞ্চলৰ স্থানীয় ৰাইজে অভিযোগ কৰা মতে, চামগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত গ্ৰামাঞ্চলসমূহত বনৰীয়া হাতীয়ে প্ৰতিবছৰেই উপদ্ৰৱ চলাই বহুলোকৰ ভঁৰালঘৰ, পাকঘৰ, বাসগৃহ আদি ভাঙি লণ্ড-ভণ্ড কৰি আহিছে যদিও বন বিভাগৰ তৰফৰ পৰা উপযুক্ত ক্ষতিপূৰণ পোৱা নাই। বন বিভাগৰ লোকে হাতী খেদোৱাৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। চামগুৰিৰ গ্ৰামাঞ্চল সমূহত বছৰৰ যিকোনো সময়তে বনৰীয়া হাতীয়ে উপদ্ৰৱ চলাই বহুলোকৰ বাসগৃহ, ভঁৰালঘৰ আদি ভাঙি লণ্ড-ভণ্ড কৰাৰ লগতে কল গছ, নাৰিকল গছ, কঁঠাল গছ আদি ভাঙি বৃহৎ ক্ষতিসাধন কৰি আহিছে যদিও বন বিভাগে বনৰীয়া হাতী খেদোৱাৰ ব্যৱস্থা গ্ৰহণ নকৰে। বনৰীয়া হাতীয়ে উপদ্ৰৱ চলোৱা অঞ্চলত সমূহত মাজে সময়ে বন বিভাগৰ লোক আহি বম ফুটাই হাতী খেদোৱাৰ চেষ্টা কৰে যদিও বিফল হয়। বন বিভাগে এইক্ষেত্ৰত উচিত ব্যৱস্থা গ্ৰহণ নকৰাৰ ফলত পূৰ্বতকৈ বনৰীয়া হাতীৰ উপদ্ৰৱ বৃদ্ধি পাইছে। স্থানীয় ভুক্তভোগী ৰাইজে অতি সোনকালে বন বিভাগৰ লগতে প্ৰশাসনক বনৰীয়া হাতী খেদোৱাৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে।

# চায়েৰা ৰহমানলৈ ২০২৫ বৰ্ষৰ ভদ্ৰেশ্বৰ-দেৱে শইকীয়া সোঁৱৰণী সমাজ-সজ্জন অভিধা

**অসম বাৰ্তা, নিমাতীঘাট, ১৯ ডিচেম্বৰ ঃ** অগ্ৰণী প্ৰকৃতিপ্ৰেমী বে-চৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠান সেৱাৰ ষষ্ঠ বাৰ্ষিক ভদ্ৰেশ্বৰ-দেৱে শইকীয়া সোঁৱৰণী সমাজ-সজ্জন অভিধা এই বছৰ দীৰ্ঘকাল সমাজৰ দিব্যাংগসকলৰ বাবে সেৱা আগ বঢ়োৱা যোৰহাট চিনামৰাৰ প্ৰতিবন্ধী শিশু বিকাশ কেন্দ্ৰ প্ৰেৰণাৰ অধ্যক্ষা চায়েৰা ৰহমানক প্ৰদান কৰ হ'ব বুলি সভাপতি হেমেন কুমাৰ শইকীয়া আৰু প্ৰধান সম্পাদক প্ৰণৱজ্যোতি শইকীয়াই জনাইছে। কল্যাণী বাল্য ভৱন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ নতুন চৌহদত ২৫ ডিচেম্বৰত স্বেচ্ছাসেৱী অনুষ্ঠানটোৰ ২৩ সংখ্যক প্ৰতিষ্ঠা দিৱসত এই বঁটা প্ৰদান কৰিব। সমাজৰ আৰ্তসকলৰ কল্যাণৰ বাবে ১৯৯২ চনতে চিনামৰাত প্ৰেৰণা নামৰ অনুষ্ঠান প্ৰতিষ্ঠা কৰি দিব্যাংগসকলক সকলো দিশতে আগ বঢ়াই নিবলৈ চায়েৰা ৰহমানে অদ্যাপি প্ৰচেষ্টা অব্যাহত ৰাখিছে। ২০০৯ চনত শ্ৰেষ্ঠ সাংগঠনিক বঁটা, ২০১১চনত ভাৰত বিকাশ ৰত্ন বঁটা, ২০১২ চনত আজীৱন সমাজ বিকাশ বঁটা, ২০২১চনত শিক্ষা- পাৰদৰ্শী বঁটা আদি ৰাষ্ট্ৰীয় পৰ্যায়ৰ সন্মান লাভ কৰা বিশিষ্ট সমাজ সেৱিকাগৰাকীয়ে ২০২৪ চনত লায়ন্স ইণ্টাৰনেশ্যনেলৰ কৰ্মযোগী উপাধি লাভ কৰিছিল। স্মৰ্তব্য, পূৰ্বতে এই বঁটা শিশুবন্ধু অৰুণ চন্দ্ৰ দাস, আন্তৰাষ্ট্ৰীয় পৰ্যায়ৰ বিশিষ্ট উদ্ভাৱক উদ্ধব ভৰালী, বিশিষ্ট সংগঠক ড° তপন দত্ত, বিশিষ্ট সৰ্প চিকিৎসক ডাঃ সুৰজিত গিৰি, গৰীৱ বন্ধু বিৰাজ হাজৰিকাই লাভ কৰিছিল। সেৱাৰ কাৰ্যকৰী সমিতিৰ সভাপতি জগন্নাথ অগ্নিবৰা আৰু সম্পাদক ৰাজীৱ কুমাৰ নাজিৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি কামনা কৰিছে।

# চেঙাৰ সমাজকৰ্মী লম্বুৰাম দাসৰ পৰলোকপ্ৰাপ্তিত অঞ্চলজুৰি শোকৰ ছাঁ

**অসম বাৰ্তা, চেঙা, ২১ ডিচেম্বৰ ঃ** বৰপেটা জিলাৰ চেঙা অঞ্চলৰ পৰিচিত সমাজকৰ্মী তথা মাধৱ চৌধুৰী মহাবিদ্যালয়, বৰপেটাৰ চতুৰ্থবৰ্গৰ অস্থাই কৰ্মচাৰী লম্বুৰাম দাসে শনিবাৰে, ২০ ডিচেম্বৰ ২০২৬ তাৰিখে মাজৰাতি প্ৰায় ১ বজাত এই সংসাৰ ত্যাগ কৰে। তেওঁৰ আকস্মিক বিয়োগৰ বাতৰিয়ে চেঙা সহ সমগ্ৰ বৰপেটা জিলাত গভীৰ শোকৰ পৰিৱেশৰ সৃষ্টি কৰিছে। দীৰ্ঘদিন ধৰি হাওফাওঁ ৰোগত ভুগি আছিল লম্বুৰাম দাসে চিকিৎসাধীন অৱস্থাতেই শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল প্ৰায় ৮৭ বছৰ। ১৫ মাৰ্চ ১৯৩৮ তাৰিখে জন্মগ্ৰহণ কৰা লম্বুৰাম দাস এজন সৰল, মিতভাষী আৰু সমাজপ্ৰেমী ব্যক্তি হিচাপে পৰিচিত আছিল। জীৱনটোৰ দীঘলীয়া সময়জুৰি তেওঁ সমাজৰ হিতৰ বাবে নিঃস্বাৰ্থভাৱে কাম কৰি গৈছিল। বিশেষকৈ চেঙা অঞ্চলৰ বিভিন্ন সামাজিক, ধৰ্মীয় আৰু উন্নয়নমূলক কাৰ্যসূচীত তেওঁৰ সক্ৰিয় অংশগ্ৰহণে তেওঁক সকলোৰে মাজত এক বিশ্বাসযোগ্য ব্যক্তিত পৰিণত কৰিছিল। কৰ্মজীৱনত তেওঁ মাধৱ চৌধুৰী মহাবিদ্যালয়, বৰপেটাত চতুৰ্থ বৰ্গৰ অস্থাই কৰ্মচাৰী হিচাপে সততা, নিষ্ঠা আৰু দায়িত্ববোধেৰে সেৱা আগবঢ়াইছিল। সহকৰ্মী আৰু শিক্ষক সমাজৰ মাজতো তেওঁ এজন কৰ্তব্যনিষ্ঠ আৰু নম্ৰ স্বভাৱৰ লোক হিচাপে আদৃত আছিল। লম্বুৰাম দাসৰ মৃত্যুত পৰিয়ালবৰ্গে এজন স্নেহশীল অভিভাৱকক হেৰুৱালে, সমাজে হেৰুৱালে এজন সদা সক্ৰিয় সমাজকৰ্মীক। তেওঁৰ বিয়োগত বহু আত্মীয়-স্বজন, শুভাকাংক্ষী, সহকৰ্মী তথা অঞ্চলবাসীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। এই দুখৰ ক্ষণত শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমগ্ৰ অঞ্চলবাসীৰ তৰফৰ পৰা গভীৰ সমবেদনা জনোৱা হৈছে। ইশ্বৰে প্ৰয়াত লম্বুৰাম দাসৰ আত্মাক চিৰশান্তি দিয়ক।

# কিডজী এণ্ড চান চাইন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ক্ৰীড়া আৰু সাংস্কৃতিক সমাৰোহ

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ১৯ ডিচেম্বৰ ঃ** মাৰ্ঘেৰিটা সমজিলাৰ অন্তৰ্গত বৰগোলাই স্থিত কিডজী এণ্ড চান চাইন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ক্ৰীড়া আৰু সাংস্কৃতিক সমাৰোহ আজি অনুষ্ঠিত হয়। বিদ্যালয়খনৰ প্ৰাংগনত অনুষ্ঠিত অনুষ্ঠানত বিদ্যালয় খনৰ চেয়াৰমেন ডাঃ মনোজ গগৈয়ে আদৰণি ভাষণ আগবঢ়ায়। বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰে মুখ্য অতিথি চেণ্টাৰ ফৰ হিউমেনিষ্টিক ডেভেলপমেণ্ট গুৱাহাটীৰ প্ৰতিষ্ঠাপক আৰু কাৰ্যবাহী চেয়াৰমেন ডঃ দিলীপ কুমাৰ শৰ্মাই। অনুষ্ঠানত, বিশিষ্ট চিকিৎসক, বাংগালোৰ অসম এছোচিয়েচনৰ সভাপতি ডাঃ মণি দীপা দাসে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। মুখ্য অতিথি ডঃ দিলীপ কুমাৰ শৰ্মাই ভাষণ প্ৰসংগত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উত্তৰণৰ ক্ষেত্ৰত কেৱল শিক্ষক শিক্ষয়িত্ৰী সকলেৰে দায়িত্ব নহয় এই ক্ষেত্ৰত অভিভাৱক সকলৰো গুৰু দায়িত্ব থাকে বুলি মন্তব্য কৰে। ছাত্ৰ ছাত্ৰী সকলৰ সুন্দৰ ভৱিষ্যত গঢ়াৰ ক্ষেত্ৰত ল'বলগীয়া পদক্ষেপ সন্দৰ্ভত বিষদভাৱে আলোচনা আগবঢ়ায়। বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক সঞ্চালক পাপৰি গগৈয়ে আঁত ধৰা অনুষ্ঠানত আন কেইবা গৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সত্ৰীয়া নৃত্য পৰিৱেশনেৰে আৰম্ভ কৰা সাংস্কৃতিক অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী সকলে বৰ্ণিল সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰে। হাৰ্টথ্ৰব জুবিন গাৰ্গৰ গীতৰ আধাৰত নৃত্য পৰিবেশনেৰে হিয়াৰ আমঠু গৰাকী লৈ শ্ৰদ্ধা জ্ঞাপন কৰে। ছাত্ৰ-ছাত্ৰী সকলৰ পৰিবেশিত সাংস্কৃতিক অনুষ্ঠানে উপস্থিত সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। এই অনুষ্ঠানতে ক্ৰীড়া সমাৰোহৰ বঁটা সমূহ অতিথি সকলে বিতৰণ কৰে। ক্ৰীড়া সমাৰোহৰ ল'ৰাৰ শাখাত শ্ৰেষ্ঠ এথলীট শংকৰ ছেত্ৰী আৰু ছোৱালীৰ শাখাত শ্ৰেষ্ঠ এথলীট সন্মান বয়িনী লক্ষ্মীয়ে লাভ কৰে।

# দেৰগাঁৱত পেট্ৰ'ল ডিপোৰ শৌচালয়ত যুৱকৰ মৃত্যু

**অসম বাৰ্তা, দেৰগাঁও, ১৯ ডিচেম্বৰ ঃ** দেৰগাঁৱৰ নাৰিকলগুৰিৰ সমীপৰ হাজৰিকা পেট্ৰ'ল পাম্পৰ শৌচালয়ত কালি বিয়লি এজন যুৱকৰ ৰহস্যজনকভাৱে মৃত্যু হোৱা ঘটনাই দেৰগাঁৱত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, হাজৰিকা পেট্ৰ'ল পাম্পত দুজন যুৱক বিজয় দাস আৰু পৰাগ হাজৰিকা (৩০) AS 05 S 2881 নম্বৰৰ স্কুটীখনত পেট্ৰ'ল ভৰাবৰ বাবে সোমায়। ইয়াৰে পৰাগ হাজৰিকা নামৰ যুৱকজন পেট্ৰল ডিপোৰ শৌচাগাৰলৈ যায়। বিজয় দাস ওচৰতে শৌচাগাৰৰ বাহিৰত ৰৈ থাকে। ডেৰ ঘণ্টামানৰ পাছতো পৰাগ ওলাই নহাত ডিপোৰ কৰ্মচাৰীৰ সন্দেহ হোৱাত বিজয় দাসক সোধে যদিও একো উত্তৰ নাপাই ডিপোৰ কৰ্মচাৰীয়ে শৌচাগাৰৰ দুৱাৰ ভাঙি পৰাগ হাজৰিকা নামৰ যুৱকজনক অচেতন অৱস্থাত পৰি থকা দেখা পায় আৰু তৎকালীনভাৱে দেৰগাঁও আৰক্ষীক খবৰ দিয়ে। আৰক্ষী ঘটনাস্থলীত উপস্থিত যুৱকজনক ততালিকে দেৰগাঁও সামূহিক চিকিৎসালয়লৈ লৈ যায় যদিও চিকিৎসকে মৃত ঘোষণা কৰে। অন্যহাতে, লগৰীয়া বিজয় দাসক থানালৈ নি এই সন্দৰ্ভত সোধা-পোছা কৰিছে। মৃত পৰাগৰ ঘৰ নেঘেৰিটিং বিলতীয়া মাজগাঁৱত বুলি জানিব পৰা গৈছে। ইফালে স্থানীয় লোকৰ পৰা জানিব পৰা মতে পৰাগে দীৰ্ঘদিন ধৰি ড্ৰাগছ সেৱন কৰি আছিল। যাৰ বাবে নিচামুক্তি কেন্দ্ৰতো ৰখা হৈছিল। অৱশ্যে মৰণোত্তৰ পৰীক্ষাৰ ফলতহে জানিব পৰা যাব কি কাৰণত যুৱকজনৰ মৃত্যু ঘটিল।

# কাজলগাঁৱত কেঁচা সামগ্ৰী যোগান আঁচনীৰ সজাগতা শিবিৰ অনুষ্ঠিত

**অসম বাৰ্তা, বিজনী, ১৯ডিচেম্বৰ ঃ** চিৰাং জিলা সদৰ কাজলগাঁওস্থিত কাজলগাঁও পৌৰসভাৰ সভাকক্ষত ৰাষ্ট্ৰীয় হস্থতাত বিকাশ নিগম লিমিটেডৰ উদ্যোগত আৰু বিটিচি হস্ততাত আৰু বস্ত্ৰ বিভাগৰ সঞ্চালকালয়ৰ সহযোগত কেঁচা সামগ্ৰী যোগান আঁচনীৰ সজাগতা শিবিৰ অনুষ্ঠিত হয়। দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত অনুষ্ঠানত বিটিচিৰ হস্থতাত বিভাগৰ কাৰ্যবাহী সদস্য বেগম আকতাৰা আহমেদৰ উপস্থিতিত অনুষ্ঠিত এই সজাগতা অনুষ্ঠানত চিৰাং জিলা আয়ুক্ত যতীন বৰা, বিটিচি হস্থতাত বিভাগৰ সঞ্চালিকা হিৰণ্ময়ী দেৱী, ৰাষ্ট্ৰীয় হস্থতাত বিকাশ নিগম লিমিটেডৰ আঞ্চলিক প্ৰবন্ধক সন্দিপ চেতিয়া আৰু চিৰাং জিলা হস্থতাত বিভাগৰ সহকাৰী সঞ্চালক খন্দকাৰ নুৰুল ইছলাম উপস্থিত থাকে। অনুষ্ঠানত উপস্থিত থাকি বিটিচিৰ হস্থতাত বিভাগৰ কাৰ্যবাহী সদস্য বেগম আকতাৰা আহমেদে কয় দেশৰ ভিতৰতে বিটিচিৰ হস্থতাত বিভাগ চহকি। সেয়ে বিটিচিৰ শিপিনী সকলক অধিক চহকি কৰাৰ উদ্দেশ্যে বিভাগীয় ভাৱে শিপিনী সকলৰ মাজত কেঁচা সামগ্ৰী যোগান আঁচনীৰ জৰিয়তে কেঁচা সামগ্ৰী বিতৰণ কৰা হ'ব আৰু ইয়াৰ বাবে এই সজাগতা সভাৰ আহ্বান কৰা হৈছে। যাতে শিপিনী সকল অধিক হাৰত এই সুবিধা গ্ৰহণৰ বাবে আগবাঢ়ি আহে। কাৰ্যবাহী সদস্য গৰাকীয়ে শিপিনি সকলৰ মাজত কেঁচা সামগ্ৰী বিতৰণ আঁচনীৰ পাছবুক বিতৰণ কৰে।

# জাঁজী ভেলী সমবায় সমিতিৰ বিৰুদ্ধে ৫০ লক্ষাধিক টকা আত্মসাতৰ অভিযোগ আমগুৰি নৱ নিৰ্মাণ সমিতিৰ

## প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে গ্ৰহণ কৰিলে অভিযোগ

**অসম বাৰ্তা, আমগুৰি, ১৯ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ জাঁজী ভেলী সমবায় সমিতিৰ বিৰুদ্ধে ৫০ লক্ষাধিক টকা আত্মসাৎৰ অভিযোগ তুলি আমগুৰি নৱনিৰ্মাণ সমিতি নামৰ এটা সংগঠনে প্ৰধানমন্ত্ৰী কাৰ্যালয়লৈ অভিযোগ প্ৰেৰণ কৰাৰ পিছত প্ৰধানমনত্ৰী কাৰ্যালয়ে এই অভিযোগ গ্ৰহণ কৰি প্ৰয়োজনীয় তদন্তৰ নিৰ্দেশ দিয়া বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য অনুসৰি শিৱসাগৰ জিলাৰ জাঁজী ভেলী সমবায় সমিতি নামৰ সমবায় সমিতিখনে স্থানীয় হিতাধিকাৰী সকলৰ মাজত প্ৰায় ৫ কোটি টকা বিনিয়োগেৰে ব্ৰয়লাৰ, হাঁহ আৰু ছাগলী পালনৰ বাবে ভাৰতীয় ষ্টেট বেংকৰ বিভিন্ন শাখাৰ যোগেদি ঋণ বিতৰণ কৰিছিল। ভাৰতীয় ষ্টেট বেংকৰ আমগুৰি আৰু চেপাওনি শাখাৰ জৰিয়তে হিতাধিকাৰী সকলৰ মাজত এই ঋণ বিতৰণ কৰা হৈছিল। জানিব পৰামতে হিতাধিকাৰী আৰী জাঁজী ভেলী সমবায় সমিতিৰ মাজত হোৱা চুক্তি অনুসৰি হিতাধিকাৰী সকলে সমিতিৰ জৰিয়তে বেংকৰ ঋণ পৰিশোধ কৰাৰ কথা। কিন্তু জাঁজী সমবায় সমিতিৰ সচিব ৰাজেন গগৈয়ে হিতাধিকাৰী সকলৰ পৰা সংগৃহীত ঋণৰ ধন বেংকত পৰিশোধ নকৰি আত্মসাৎ কৰাৰ অভিযোগ উত্থাপন কৰি আমগুৰি নৱ নিৰ্মাণ সমিতিৰ সভাপতি দিগন্ত শইকীয়াই যোৱা ৪ ডিচেম্বৰত প্ৰধানমন্ত্ৰী কাৰ্যালয়লৈ এক অভিযোগ পত্ৰ প্ৰেৰণ কৰিছিল। ইয়াৰ পিছতে যোৱা ১৭ জানুৱাৰীত প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ প্ৰশাসনিক সংস্কাৰ আৰু ৰাজহুৱা অভিযোগ বিভাগে PMOPG/D/2025/0232092 নম্বৰত পঞ্জীয়ণ কৰি অভিযোগটো তদন্তৰ নিৰ্দেশ দিয়া বুলি প্ৰকাশ। উল্লেখযোগ্য যে, জাঁজী ভেলী সমবায় সমিতিৰ বিৰুদ্ধে ইতিপূৰ্বে একাংশ হিতাধিকাৰীয়ে ধন আত্মাসাৎৰ অভিযোগ তুলি প্ৰতিবাদ সাব্যস্ত কৰিছিল।

# ৰূপহীহাটৰ গৰৈমাৰীত বিদেশী চিনাক্ত হোৱা আবু তাহেৰৰ পৰিয়ালত কান্দোনৰ ৰোল

**অসম বাৰ্তা, ৰূপহীহাট, ১৯ ডিচেম্বৰ ঃ** নগাঁও জিলা বিদেশী ন্যায়াধিকৰণে চিনাক্ত কৰে ১৫জন বাংলাদেশীক। বিতাড়নৰ বাবে দিয়া নিৰ্দেশৰ ১৫ জনৰ ভিতৰত ৰূপহী সমষ্টিৰ গৰৈমাৰীৰ তাহেৰ আলী নামৰ ব্যক্তিজনৰ খবৰ অহাৰ লগে লগেই পৰিয়ালৰ লোকসকলৰ মাজত উঠিছে কান্দোনৰ ৰোল। বিগত ছয় মাহ ধৰি ডিটেঞ্চন কেম্পত আছে তাহেৰ আলী। বিদেশী ন্যায়াধীশকৰণে চিনাক্ত কৰা গৰৈমাৰীৰ তাহেৰ আলীৰ ঘৰত হাহাকাৰ পৰিৱেশ। ডিটেঞ্চন কেম্পত থকা তাহেৰ আলীক পূৰ্বেও পুছবেক কৰা হৈছিল যদিও পুনৰ ঘূৰি আহে ভাৰতলৈ। গুৱাহাটী উচ্চ ন্যায়ালয়ত তাহেৰ আলীৰ বিৰুদ্ধে গোচৰ চলি থকা বুলি জানিব পৰা গৈছে। তাহেৰ আলীক বিদেশী ঘোষণা কৰাক লৈ পৰিয়াল আৰু গাওঁবাসীৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ২৪ ঘণ্টাৰ ভিতৰত কলিয়াবৰ উলুৱনী থানাৰ অন্তৰ্গত গৰৈমাৰীৰ তাহেৰ আলীক বিতাড়ন কৰাৰ নিৰ্দেশৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ উজাৰিলে তাহেৰ আলীৰ পৰিয়ালৰ লোকে। তাহেৰ আলীৰ ১৩জন ককায়েক-ভণীয়েক তথা পত্নী সন্তান বিদেশী নহয় তেন্তে তাহেৰ আলী কেনেকৈ বিদেশী হ'ল। তাহেৰ আলী বিদেশী নহয় বুলি দাবী কৰিছে লোকজনৰ পৰিয়ালে।

**AFFIDAVIT**

Vide an affidavit sworn before the Notary Public, Sivasagar on 17/07/2025, I hereby declare that in my Son's birth certificate vide Regd. No. K.S.H.C./Sept/177/16 issued on 09-09-2016 from Registrar Birth and Death Konwerpur S.H.C Sivasagar, my name has been recorded as Jyotshna Saikia Hazarika instead of Jyotshna Saikia and my son's name has been recorded as Devasish Hazarika instead of Dikshu Hazarika. Both Jyotshna Saikia Hazarika and Jyotshna Saikia are the same person having single identity and Devasish Hazarika and Dikshu Hazarika is also same person having single identity.

Jyotshna Saikia
W/O : Jagat Hazarika
Jagarahabi Gaon,
P.O.- Santipur
PS & Dist.- Sivasagar

AB-173/2025

# ৰূপহীহাটৰ বেলগুৰি কছাৰীগাঁৱৰ অবৈধ বেদখলকাৰীৰ বিপদঘণ্টা

## মাইকযোগে ভূমি খালী কৰাৰ নিৰ্দেশ

**অসম বাৰ্তা, ৰূপহীহাট, ১৯ ডিচেম্বৰ ঃ** ৰূপহীহাটৰ কছাৰীগাঁও বেলগুৰিৰ অবৈধ বেদখলকাৰীৰ বিপদঘণ্টা। ৰূপহীহাটৰ বেলগুৰি কছাৰীগাঁৱত প্ৰশাসনে মাইকযোগে চৰকাৰী ভূমি খালি কৰাৰ নিৰ্দেশ জাৰি কৰিছে। চামগুৰি ৰাজহচক্ৰৰ খাটোৱাল মৌজাৰ বেলগুৰি কছাৰীগাঁও কিচামতৰ ৩৮০ বিঘা গেজিং ৰিজাৰ্ভৰ ভূমিত ২০০ তকৈ অধিক পৰিয়ালে বেদখল কৰি ৰাখিছিল। যোৱা ৪ ডিচেম্বৰ তাৰিখে উচ্ছেদৰ জাননী প্ৰেৰণ কৰিছিল চামগুৰি ৰাজহ চক্ৰ বিষয়াই। জাননী খনত বেদখলকাৰীলৈ প্ৰশাসনে ১৫ দিনৰ সময়সীমা বান্ধি দিছিল বেদখলকৃত এলেকা খালি কৰিবলৈ। বহু বেদখলকাৰীয়ে নিজে নিজে ঘৰ-বাৰী ভাঙি খালি কৰিছে যদিও বহুতে খালি কৰা নাই। যাৰ বাবে আজি মাইক যোগে প্ৰশাসনে চৰকাৰী ভূমি ত্যাগ কৰিবলৈ নিৰ্দেশ দিয়ে অন্যথা বিদিগত বাবে ব্যৱস্থা গ্ৰহণ কৰিব বুলি ঘোষণা কৰে।

# অভয়াপুৰী শাখা সাহিত্য সভাৰ ‘কুঁৱলীৰ কোমল পৰশত কবিতা আৰু গীতৰ গধূলি’ শীৰ্ষক অনুষ্ঠান

**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ১৯ ডিচেম্বৰ ঃ** অভয়াপুৰী শতদল শাখা সাহিত্য সভাই কাইলৈ ২১ ডিচেম্বৰৰ দিনা বৃহত্তৰ অভয়াপুৰী অঞ্চলৰ নবীন-প্ৰবীণ কবি তথা কবিতা গীতৰ অনুৰাগীসকলক লৈ ‘কুঁৱলীৰ কোমল পৰশত কবিতা আৰু গীতৰ গধূলি’ শীৰ্ষক এটি মননশীল অনুষ্ঠানৰ আয়োজন কৰিছে। অভয়াপুৰী ৰাজবাৰী পুখুৰীৰ পাৰত বিয়লি তিনি বজাৰ পৰা অনুষ্ঠিতব্য অনুষ্ঠানত অঞ্চলটোৰ প্ৰতি গৰাকী কবি, কাব্যানুৰাগী, কণ্ঠশিল্পীক অংশগ্ৰহণেৰে অনুষ্ঠানটিক কবিতাৰ ছন্দ আৰু গীতৰ সুৰেৰে জীপাল কৰি তুলিব বুলি আশা প্ৰকাশ কৰিছে শাখা সাহিত্য সভাই। অংশগ্ৰহণকাৰী কবিসকলে স্বৰচিত কবিতা অথবা অসমৰ শ্ৰেষ্ঠ কবিসকলৰ নিৰ্বাচিত কবিতাও পাঠ কৰিব পাৰিব। কবিতাসমূহ অতি কম সময়ৰ ভিতৰত পাঠ কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। অনুষ্ঠানত সকলোৰে নিশ্চিত উপস্থিতি একান্তভাৱে কামনা কৰিছে অভয়াপুৰী শাখা সাহিত্য সভাৰ সহকাৰী সম্পাদকদ্বয় কৰবী কলিতা দাস আৰু সমৰেন্দ্ৰ ৰায়ে।

# বিজনীত আজিৰে পৰা আৰম্ভ জিলা উদ্যম সমাগম মেলা ক্ষুদ্ৰ উদ্যোগীৰ বাবে এখন বজাৰ

**অসমবাৰ্তা, বিজনী, ১৯ ডিচেম্বৰ ঃ** চিৰাং জিলাৰ বিজনীৰ লক্ষ্মী মন্দিৰ প্ৰাংগনত আজিৰে পৰা পাঁচ দিনীয়াকৈ আৰম্ভ হৈছে জিলা উদ্যম সমাগম মেলা। অসম চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ উদ্যোগত অনুষ্ঠিত উক্ত জিলা উদ্যম সমাগম মেলাৰ কাৰ্যসূচী আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে থুৰিবাৰী সমষ্টিৰ পাৰিষদ খলিলুৰ ৰহমানে। স্থানীয় ক্ষুদ্ৰ উদ্যোগজাত সামগ্ৰী সমূহক এখন বজাৰ দিয়াৰ প্ৰয়াসেৰে অনুষ্ঠিত কৰা উক্ত জিলা উদ্যম সমাগম মেলাত বিজনীৰ বিভিন্ন প্ৰান্তৰ ক্ষুদ্ৰ উদ্যোগী, আত্ম সহায়ক গোট সমূহৰ ফালৰ পৰা পঞ্চাছখন বিপনীয়ে অংশগ্ৰহণ কৰে। জিলা উদ্যম সমাগম মেলাৰ কাৰ্যসূচী থুৰিবাৰী সমষ্টিৰ পাৰিষদ খলিলুৰ ৰহমানে ফিতা কাটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ পাছত এখন উদ্বোধনী সভাৰো আয়োজন কৰা হয়। বিজনী মহকুমা শিল্প আৰু বাণিজ্য কেন্দ্ৰৰ অধ্যক্ষ প্ৰসেনজিৎ কুমাৰ দাসে আঁত ধৰা উক্ত উদ্বোধনী অনুষ্ঠানত আদৰণি ভাষণ ৰাখে চিৰাং জিলা শিল্প আৰু বাণিজ্য কেন্দ্ৰৰ মহা প্ৰবন্ধক বিক্ৰম কলিতাই। উক্ত সভাত পাৰিষদ খলিলুৰ ৰহমান, বিজনীৰ মহকুমাধিপতি অৰিজিৎ মহাজন, বিজনী পৌৰসভাৰ উপ সভাপতি প্ৰসন্ন মুখাৰ্জী, বিজনী লক্ষ্মী পূজা কমিটিৰ কাৰ্যকৰী সভাপতি ভৱেশ বৰ্মনসহ কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## বৰদিনৰ আগদিনা মধ্য অসম বন্ধৰ ঘোষণাক লৈ প্ৰতিক্ৰিয়া

# ২৪ ডিচেম্বৰত মধ্য অসম বন্ধ ঘোষণা চাৰি তিৱা জাতীয় সংগঠনৰ

**অসম বাৰ্তা, মৰিগাঁও, ২১ ডিচেম্বৰ ঃ** তিৱা স্বায়ত্ত পৰিষদক সংবিধানৰ ষষ্ঠ অনুসূচীভুক্ত কৰা আৰু স্বায়ত্ত পৰিষদৰ নিৰ্বাচন সময়মতে অনুষ্ঠিত কৰাৰ দাবীত ২৪ ডিচেম্বৰত ২৪ ঘণ্টীয়া মধ্য অসম বন্ধৰ আহ্বান জনাইছে চাৰিটাকৈ তিৱা জাতীয় সংগঠনে। সদৌ তিৱা ছাত্ৰ সন্থাৰ সভাপতি চেনিৰাম মালাং, সম্পাদক বিমান প্ৰতিম মাছেৰেং, তিৱা যুৱ ছাত্ৰ পৰিষদৰ সভাপতি ৰজনী বৰদলৈ, সম্পাদক দিলীপ বৰদলৈ, সদৌ তিৱা সুৰক্ষা সমিতিৰ সভাপতি কাৰ্তিক দেউৰী, সম্পাদক চিনাৰাম বৰদলৈ, বেল্ট ব্লক এণ্ড লেণ্ড প্ৰটেকশ্যন কমিটীৰ সভাপতি বিশ্বদেৱ বড়ো আৰু সম্পাদক অনিল কিলিঙে আজি মৰিগাঁৱত প্ৰকাশ কৰা প্ৰকাশ কৰা মতে তিৱা জনগোষ্ঠীটোৰ এই দাবীৰ প্ৰতি ৰাজ্য চৰকাৰে সদিচ্ছা প্ৰকাশ নকৰাৰ পৰিপ্ৰেক্ষিতত সংগঠন কেইটাই এই কাৰ্যসূচী ঘোষণা কৰিবলৈ বাধ্য হয়। ইপিনে আগন্তুক ২৫ ডিচেম্বৰৰ বৰদিনৰ আগদিনা এনেদৰে বন্ধ ঘোষণা কৰাক লৈ মিশ্ৰিত প্ৰতিক্ৰিয়া সৃষ্টি হোৱা দেখা গৈছে। অঞ্চলটোৰ খ্ৰীষ্ট ধৰ্মী লোক সকলে এই বন্ধৰ ক্ষেত্ৰত পুনৰ বিবেচনা কৰিবলৈ আহ্বান জনাইছে।

## আৰক্ষীয়ে কৰিব লগা হ'ল নিয়ন্ত্ৰণ

# কচুৱা মডেল হাস্পতালত বিকলাংগ আৰু বৃদ্ধ লোকৰ শিবিৰ

**অসম বাৰ্তা, কচুৱা, ১৯ ডিচেম্বৰ ঃ** আজি কচুৱা আদৰ্শ চিকিৎসালয়ত দিনজোৰা কাৰ্যসূচীৰে বিকলাংগ আৰু ষাঠি বছৰ উৰ্ধৰ লোকৰ উপস্থিতিত এখনি শিবিৰ অনুষ্ঠিত হয়। সমাজ কল্যাণ বিভাগৰ জাননীৰ ভিত্তিত কচুৱা, চানখোলা, জুৰিৰপাৰ, মাধৱপাৰা, শিঙিমাৰী, পমিলা, গেৰজাইপাম, লংজাপ আৰু বৰপথাৰ গাঁও পঞ্চায়তৰ কেইবা হাজাৰ লোক শিবিৰত উপস্থিত হোৱাত ব্যাপক ঠেলা হেঁচাৰ সৃষ্টি হয়। যাৰ ফলত কচুৱা আৰক্ষী বাহিনীয়ে বেৰিগেট লগাই হুৰস্থলীয়া পৰিবেশ নিয়ন্ত্ৰণলৈ আনে। অৰুণোদয় আচঁনি নোপোৱা বিকলাংগ সহস্ৰাধিক লোক নিজৰ নথিপত্ৰ লৈ শিবিৰটোত আহিছিল যদিও বিষণ্ণ মনে ঘৰমুৱা হ'ব লগা হ'ল। ইপিনে অজস্ৰ লোকৰে ভৰি পৰা শিবিৰটোত নিয়োজিত বিষয়া সকলে প্ৰয়োজনীয় কাগজ পত্ৰখিনি জমা লৈ পিচত সামগ্ৰী যোগান ধৰিব বুলি কৈ পঠিয়াই দিয়া পৰিলক্ষিত হয়। আজিৰ শিবিৰটোত এ এল আই এম চি অ এচেচমেণ্ট টিম আৰু কঠীয়াতলি আই চি ডি এচ ৰ লগতে কচুৱা মডেল হাস্পতালৰ বিষয় ববীয়াই আলপৈচান ধৰে।

# মিৰিন্দা টিৰুৰ অকাল মৃত্যু

**অসম বাৰ্তা, লীলাবাৰী, ২১ ডিচেম্বৰ ঃ** লখিমপুৰ জিলাৰ জুনুবস্তি গাঁৱৰ মৃদুভাষী, অমায়িক যুৱতী মিৰিন্দা টিৰুৰ অকাল মৃত্যু। সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ ‘আছা'ৰ উজ্জ্বলপুৰ-কয়লামাৰী আঞ্চলিক সমিতিৰ প্ৰাক্তন সহকাৰী সম্পাদিকা তথা বেচৰকাৰী সংস্থা ‘পিপলছ এ'ন ফ'ৰ ডেভেলপমেণ্ট'ৰ কৰ্মকৰ্তা মিৰিন্দা টিৰুৱে সন্তান জন্ম দিয়াৰ বাৰ ঘণ্টাৰ পাছতে শেষ নিশ্বাস ত্যাগ কৰে। হৃদৰোগত আক্ৰান্ত টিৰুৱে ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যুক সাৱতি লোৱাত অঞ্চলটি শোকাৰ্ত হৈছে। উল্লেখ্য যে, ১৯৯০ বৰ্ষৰ ২ নৱেম্বৰত জন্মগ্ৰহণ কৰা টিৰুৱে কমবয়সতে সামাজিক কাম-কাজৰ সৈতে জড়িত হৈ ‘আছা’ সংগঠনৰ আঞ্চলিক পৰ্যায়ৰ গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত হোৱাৰ লগতে বেচৰকাৰী সংস্থাত জড়িত হৈ আদিবাসী জনগোষ্ঠীৰ সংযোগী ভাষাৰ (চাদ্ৰী) শিক্ষয়ত্ৰী হিচাপে কৰ্মৰত আছিল। তেখেতৰ মৃত্যুত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক ডেভিদ চয়মুৰুম, আঞ্চলিক সভাপতি-সম্পাদকদ্বয় মাইকেল চৰেং আৰু চিলাছ টপ্প, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সুনীল তিৰ্কীয়ে শোক প্ৰকাশ কৰি কয় যে, মিৰিন্দা টিৰুৰ দৰে অমায়িক যুৱতীয়ে অতি কম বয়সতে জীৱনৰ নাট সামৰাটো জনগোষ্ঠীটোৰ বাবে অতি দুৰ্ভাগ্যজনক কথা। সামাজিক, শৈক্ষিকভাৱে সদায়েই সক্ৰিয় যুৱতী মিৰিন্দাই জনগোষ্ঠীটোৰ সকলো লোকৰ সৈতে সমভাৱে থাকি সম-অধিকাৰৰ বাবে যুঁজ দিছিল। টিৰুৱে তেখেতৰ স্বামী, পিতৃ-মাতৃসহ বহু আত্মীয় স্বজনক অকালতে এৰি থৈ যায়।

# জাঁজী মৰাণছিগাৰ সদৌ অসম ভিত্তিত শিশু ভাওনা প্ৰতিযোগিতাৰ বৰ্ণাঢ্য আয়োজন

## উপস্থিত থাকিব বৰেণ্য ব্যক্তি

**অসম বাৰ্তা, জাঁজী, ২১ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ জাঁজী মৰানচিগাৰ "মহা ভৈৰৱ সাংস্কৃতিক গোষ্ঠীৰ" উদ্যোগত আৰু জাঁজী মৰানচিগাৰ বাসীৰ ৰাইজৰ সহযোগত উঠি অহা প্ৰজন্মক ভাওনাৰ প্ৰতি আকৰ্ষিত কৰাৰ লগতে আধ্যাত্মিক সচেতনতা বৃদ্ধি কৰাৰ মানসেৰে জাঁজী মৰাণছিগা শংকৰ মাধৱ সমন্বয় ক্ষেত্ৰত অহা ৫ জানুৱাৰীৰ পৰা ৯ জানুৱাৰী লৈকে প্ৰথম বাৰৰ বাবে সদৌ অসম ভিত্তিত শিশু ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। কাৰ্য্যক্ৰমণিকা অনুসৰি- ৫ জানুৱাৰী পুৱা মহা ভৈৰৱ সাংস্কৃতিক গোষ্ঠীৰ পতাকা উত্তোলন, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, বৃক্ষ ৰোপণ, প্ৰতিযোগিতাৰ আসন প্ৰতিষ্ঠা, শৰাই অৰ্পণ আৰু নাম প্ৰসংগ, কীৰ্ত্তন পাঠ, দিহা নাম, আদি অনুষ্ঠিত হ'ব। আনহাতে বিয়লি সদৌ অসম শিশু ভাওনা প্ৰতিযোগিতা উদ্বোধন, প্ৰতিযোগিতাৰ মঞ্চ উন্মোচন আৰু গ্ৰন্থ উন্মোচন কৰিব ক্ৰমে - আউনীআতি সত্ৰৰ ডেকা সত্ৰাধিকাৰ দেৱানন্দ দেৱ গোস্বামী, বিধায়ক অখিল গগৈ আৰু তাই আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি বসন্ত গগৈয়ে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব ড° অংকিতা দত্ত, প্ৰতাপ শইকীয়া, আৰু বিষ্ণু জ্যোতি শইকীয়া। সন্ধিয়া ৫-৩০ বজাত প্ৰতিযোগিতাৰ প্ৰথম দিনৰ প্ৰথম ভাওনা আৰম্ভ হ'ব গোলাঘাটৰ সাৰঙ্গ পানী শিল্পী সমাজৰ দ্বাৰাই ভাতৃ বধূ নাট। প্ৰতিযোগিতাৰ প্ৰথম দিনৰ দ্বিতীয় ভাওনাৰ শুভেচ্ছামূলক বাৰ্তা প্ৰদান কৰিব বিশিষ্ট সমাজ কৰ্মী মানস জ্যোতি সন্দিকৈয়ে। প্ৰতিযোগিতাৰ প্ৰথম দিনৰ দ্বিতীয় নাট পৰিবেশন কৰিব মৰাণহাতৰ বকুল বন নাট্য গোষ্ঠীৰ ৰাম পৰাজয় সীতাৰ পাতাল গমন। সমান্তৰালভাৱে ৬ জানুৱাৰী দিনৰ অন্যান্য কাৰ্য্যসূচীৰ লগতে বিয়লি ২-৩০ বজাত প্ৰতিযোগিতাৰ দ্বিতীয় দিনৰ প্ৰথম ভাওনাৰ শুভেচ্ছা মূলক বাৰ্তা প্ৰদান কৰিব তাই আহোম যুৱ ছাত্ৰ সন্মিলনৰ সম্পাদক অমৃত চেতিয়া আৰু শিশু সাহিত্যিক অৰূপ জ্যোতি হাজৰিকাই। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব তিনিচুকীয়াৰ সমাজ সেৱক নত্ব ভূষণ সোণোৱাল। প্ৰতিযোগিতাৰ দ্বিতীয় দিনৰ প্ৰথম নাট পৰিবেশন কৰিব শিৱসাগৰৰ কোঁহেলিকা নাট্য গোষ্ঠীয়ে "সিন্ধু মুনিৰ পিতৃ ভক্তি দশৰথৰ স্বৰ্গ উদ্ধাৰ"। প্ৰতিযোগিতাৰ দ্বিতীয় দিনৰ দ্বিতীয় নাটৰ ভাওনাৰ শুভেচ্ছা মূলক বাৰ্তা প্ৰদান কৰিব উত্তৰ লক্ষ্মীমপুৰৰ অধীক্ষক অভিযন্তা কুমুদ ৰঞ্জন হাজৰিকা আৰু আমগুৰিৰ বিশিষ্ট ব্যৱসায়ী তপন দাসে। আনহাতে দ্বিতীয় দ্বিতীয় নাট পৰিবেশন কৰিব দক্ষ যজ্ঞ নাট- দুলিয়াজানৰ আলোক সমন্বয় নাট্য গোষ্ঠীয়ে। সমান্তৰালভাৱে ৭ জানুৱাৰী দিনৰ অন্যান্য কাৰ্য্যসূচীৰ পাছতেই বিয়লি ২-৩০ বজাত প্ৰতিযোগিতাৰ তৃতীয় দিনৰ প্ৰথম ভাওনাৰ শুভেচ্ছা মূলক বাৰ্তা প্ৰদান কৰিব সত্ৰীয়া সংগীতৰ অধ্যাপক দেবা নন্দ বৰা, আৰু বিশিষ্ট সাংবাদিক অপূৰ্ব ভূঞাই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বিশিষ্ট কণ্ঠশিল্পী বিপিন চাউদাং, গুৱাহাটীৰ সমাজ সেৱক দুলু আহমেদ। প্ৰতিযোগিতাৰ তৃতীয় দিনৰ প্ৰথম ভাওনা পৰিবেশন কৰিব দুলিয়াজানৰ ইন্দ্ৰনীল সন্মিলিত শিল্পী সমাজে ধ্ৰুৱ চৰিত্ৰ। প্ৰতিযোগিতাৰ তৃতীয় দিনৰ দ্বিতীয় ভাওনাৰ শুভেচ্ছা মূলক বাৰ্তা প্ৰদান কৰিব অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰীসদৰ সভাপতি পলাশ চাংমাই আৰু ড° জোনমণি দেৱী খাউণ্ডে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব লুৰীন জ্যোতি গগৈ আৰু জিতুল ৰাজখোৱা। ৰাতি ৯ বজাত তৃতীয় দিনৰ দ্বিতীয় ভাওনা পৰিবেশন কৰিব দুলিয়াজান কুৰুক্ষেত্ৰ সাংস্কৃতিক গোষ্ঠীয়ে "গান্ধাৰীৰ কৃষ্ণ ৰূপ দৰ্শন"। সমান্তৰালভাৱে ৮ জানুৱাৰী পুৱা নাম প্ৰসংগৰ পাছতেই প্ৰতিযোগিতাৰ চতুৰ্থ দিনৰ প্ৰথম ভাওনাৰ শুভেচ্ছা মুলক বাৰ্তা প্ৰদান কৰিব দিহা সম্ৰাট কমলা গগৈ, সদৌ অসম ছাত্ৰ সন্থাৰ সম্পাদক সমীৰণ ফুকন, আৰু অৱসৰ প্ৰাপ্ত শিক্ষক নৰ বৰুৱাই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বিশিষ্ট ব্যৱসায়ী হৰি প্ৰসন্ন হাজৰিকা। সন্ধিয়া চতুৰ্থ দিনৰ প্ৰথম ভাওনা পৰিবেশন কৰিব যোৰহাটৰ অংকুৰণ শিল্পী সমাজে "শকুনিৰ প্ৰতিশোধ দুৰ্য্যোধনৰ উৰুভঙ্গ"। লগতে নিশা প্ৰতিযোগিতাৰ চতুৰ্থ দিনৰ দ্বিতীয় ভাওনা পৰিবেশন কৰিব শিমলুগুৰিৰ মধুশোধন শিল্পী সমাজে "লক্ষ্মণ বৰ্জন"। তদুপৰি ৯ জানুৱাৰী ৰাতি ২-৩০ বজাত সদৌ অসম শিশু ভাওনা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হব। আনহাতে দিনৰ ১১ বজাত মুকলি সভা আৰু বঁটা বিতৰণি অনুষ্ঠানত উপস্থিত থাকিব- ক্ৰমে, সাংসদ গৌৰৱ গগৈ, সাংসদ ৰামেশ্বৰ তেলি, তপন কুমাৰ গগৈ, সমাজ সেৱক জয়ন্ত খাউণ্ড, প্ৰদীপ হাজৰিকা, অখিল গগৈ, ৰূপজ্যোতি কুৰ্মী, বিজিত গগৈ, অতিৰিক্ত আয়ুক্ত কাকু মনি শইকীয়া, ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নিলোৎপল গগৈ, ড° অংকিতা দত্ত, মানস জ্যোতি সন্দিকৈ, ৰুণজুন বৰুৱা ফুকন, অখিল আহোম, চন্দন গগৈ, জিটু দত্ত, জিটু হাজৰিকা, মৌচম বৰগোহাঁই, সঞ্জীৱ বৰুৱা, মহম্মদ ৰফিকউজ ৰহমান, ৰঞ্জিত গগৈ, গায়ত্ৰী কোঁৱৰ, বিনীতা শইকীয়া দে, অনন্ত বৰ গোহাঁই, আৰু কেইবাজনো বিশিষ্ট ব্যক্তি। ইয়াৰোপৰি সন্ধ্যা সদৌ অসম শিশু ভাওনা প্ৰতিযোগিতা আয়োজক "মহা ভৈৰৱ সাংস্কৃতিক গোষ্ঠীৰ শিশু সকলৰ দ্বাৰাই "বিপ্ৰ দামোদৰ আখ্যান, দন্ত ব্ৰক্ৰৰ মুক্তি লাভ" ভাওনা প্ৰদৰ্শন কৰা হ'ব। সেয়েহে বৰ্ণিল কাৰ্য্যসূচী সফল ৰূপায়ণ কৰিবলৈ মৰাণছিগাৰ মহা ভৈৰৱ সাংস্কৃতিক গোষ্ঠীৰ সভাপতি অনিল চন্দ্ৰ বৰুৱা, যুটীয়া সম্পাদক- ৰাজীৱ চাংমাই, মাখন বৰুৱা, উদ্‌যাপন সমিতিৰ সভাপতি- দিলীপ দত্ত, কাৰ্যকৰী সভাপতি সৌৰভ শইকীয়া, আৰু প্ৰতিযোগিতা সমিতিৰ সভাপতি বিপুল দত্ত, ৰবিশংকৰ বৰুৱাই সকলোৰে সহযোগিতা কামনা কৰিছে।

## "বাল্যবিবাহ মুক্ত ভাৰত"ৰ শুভাৰম্ভ

# মহিলা আৰু শিশু উন্নয়ন বিভাগ, নগাঁৱৰ উদ্যোগ



**অসম বাৰ্তা, নগাঁও, ২১ ডিচেম্বৰ ঃ** নগাঁৱৰ আমোলাপট্টিস্থিত ৰাজ্যিক মহিলা আৰু শিশু গৃহৰ প্ৰাংগনত মহিলা আৰু শিশু উন্নয়ন বিভাগ, নগাঁৱৰ উদ্যোগত আৰু সঙ্কল্প, জিলা মহিলা সবলীকৰণ কেন্দ্ৰ (DHEW), নগাঁও জিলা প্ৰশাসন আৰু অসম ৰাজ্যিক গগ্ৰামীণ জীৱিকা মিছন, নগাঁৱৰ সহযোগিতাত আজি ডিজিটেল সুৰক্ষা বিষয়ত জিলা পৰ্যায়ৰ পৰামৰ্শ সভাখন আৰু "বাল বিবাহ মুক্ত ভাৰত"ৰ শুভাৰম্ভ অনুষ্ঠানটি অনুষ্ঠিত হয়। আজিৰ এই অনুষ্ঠানটি যোৱা নৱেম্বৰ ২০২৫ত আৰম্ভ হোৱা "মহিলাৰ বিৰুদ্ধে হিংসা বন্ধ কৰাৰ ১৬ দিনীয়া অভিযান"ৰ সফল সমাপ্তিৰ উপলক্ষে আয়োজন কৰা হয়। আজিৰ এই পৰামৰ্শ সভাত মহিলা আৰু কিশোৰীসকলৰ বিৰুদ্ধে ডিজিটেল সুৰক্ষা আৰু ডিজিটেল হিংসাৰ সমস্যা, লগতে বাল্য বিবাহ আৰু ইয়াৰ প্ৰতিৰোধ বাবে থকা আইনসমূহৰ বিষয়ে বিস্তৃত আলোচনা কৰা হয়। উক্ত সভাত মহিলা আৰু কিশোৰীসকলৰ বাবে সুৰক্ষিত ডিজিটেল পৰিৱেশ সৃষ্টি কৰাৰ উদ্দেশ্যে এক যৌথ টাস্ক ফৰ্চ গঠনৰ পোষকতা কৰা হয়। সভাত আমন্ত্ৰিত বিশেষজ্ঞ ব্যক্তি তথা বিভিন্ন বিভাগৰ প্ৰতিনিধিসকলে ডিজিটেল সাক্ষৰতা আৰু চাইবাৰ সুৰক্ষা, গাৰ্হস্থ হিংসা আইন ২০২৫, ভাৰতীয় ন্যায় সংহিতা ২০২৩, PoSH আইন, বাল্য বিবাহৰ কুপ্ৰভাৱ আদি বিষয়ত গুৰুত্বপূৰ্ণ ভাষণ আগবঢ়ায়। আজিৰ সভাত DPA, DHEW তাজ উদ্দিন আহমেদ ডাঙৰীয়াই তেখেতৰ ভাষণত বিদ্যালয়গামী কিশোৰীসকলৰ মাজত "Good Touch আৰু Bad Touch" বিষয়ত এক প্ৰদৰ্শনীমূলক কৰ্মশালা অনুষ্ঠিত কৰি তেওঁলোকক এই বিষয়ে সচেতন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত মহিলা আৰু শিশু উন্নয়ন বিভাগ আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা মিছনৰ তৰফৰ পৰা নিজ নিজ বিভাগৰ ব্যাপক প্ৰচাৰৰ উদ্দেশ্যে প্ৰচাৰ ষ্টল স্থাপন কৰা হয়। আজিৰ এই অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত (মহিলা আৰু শিশু উন্নয়ন) দেৱাহুতি বৰা, জিলা সমাজ কল্যাণ বিষয়া, ভোলানাথ পেগু, লিগেল এইড ডিফেন্স কাউন্সিল, জিলা আইন সেৱা প্ৰাধিকৰণৰ জেছমিন বেগম, শিশু কল্যাণ সমিতি, নগাঁৱৰ অধ্যক্ষ অঞ্জুমনি শৰ্মা, ASRLMৰ জিলা প্ৰকল্প বিষয়া, শংখ প্ৰবাল শ্যাণ্ডিল্য, লীড প্ৰগ্ৰাম NE, Independent Thought; ডাঃ চিত্ৰলেখা বৰুৱা, প্ৰজেক্ট কো-অৰ্ডিনেটৰ, Independent Thought (UNICEFৰ অধীনস্থ NGO) শ্ৰীমতী ৰুমি কেম্প্ৰাই, শিশু উন্নয়ন প্ৰকল্প বিষয়া, মাণিক মেধি, সুমন্ত কুমাৰ ব্ৰহ্ম, মিনু ভূঞা, ৰবি বৰুৱা, অন্তৰীক্ষা পৰাশৰ, জিলা মিছন সমন্বয়ক, DPC (PMMVY), তাজ উদ্দিন আহমেদ, জিলা কাৰ্যসূচী সহায়ক, জনপ্ৰিয়া কলিতা আৰু সুৰজিত বৰঠাকুৰ, জিলা মহিলা সবলীকৰণ কেন্দ্ৰৰ জেণ্ডাৰ বিশেষজ্ঞসকলো অনুষ্ঠানত উপস্থিত আছিল। অনুষ্ঠানত মহিলা আৰু শিশু উন্নয়ন বিভাগ, জিলা আইন সেৱা প্ৰাধিকৰণ, অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা মিছন, গৃহ বিভাগ, স্বাস্থ্য বিভাগ, ইউনিচেফ, CDPO, পৰ্যবেক্ষক, অংগনাৱাড়ী কৰ্মী (AWW), অংশীদাৰ NGO, ছাত্ৰ-ছাত্ৰী, কিশোৰী সেৱিকা গোট, জীৱিকা সখী আৰু কিশোৰীসকলৰ লগতে DCPU আৰু চাইল্ড হেল্পলাইনৰ প্ৰতিনিধিসকলসহ আৰু বহুসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# মৰিগাঁও জিলাত বান ব্যৱস্থাপনাৰ ওপৰত তিনিদিনীয়া জিলা পৰ্যায়ৰ জৰুৰীকালীন অনুশীলন (EMEx) আৰম্ভ




**ষ্টাফ ৰিপৰ্টাৰ মৰিগাঁও, ২১ ডিচেম্বৰ ঃ** জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ (DDMA), মৰিগাঁৱৰ উদ্যোগত আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ (ASDMA), ইউনিচেফ (UNICEF) তথা মায়ং ৰাজহ চক্ৰৰ সহযোগত আজিৰ পৰা মায়ং ৰাজহ চক্ৰ পৰ্যায়ৰ বানপানী সম্পৰ্কীয় তিনিদিনীয়া এক জৰুৰীকালীন ব্যৱস্থাপনা অনুশীলন (Emergency Management Exercise on Flood) আৰম্ভ হৈছে। ১৮ ডিচেম্বৰৰ পৰা ২০ ডিচেম্বৰলৈ অনুষ্ঠিত হ'বলগীয়া এই কাৰ্যসূচীৰ মূল লক্ষ্য হৈছে তৃণমূল পৰ্যায়ত দুৰ্যোগ প্ৰশমন আৰু সঁহাৰি ব্যৱস্থাক অধিক শক্তিশালী কৰা। আজি মৰিগাঁও জিলাৰ আই.টি.ডি.পি. (ITDP) প্ৰকল্পৰ সভাকক্ষত আয়োজিত এক অনুষ্ঠানত এই কাৰ্যসূচীৰ আনুষ্ঠানিক উদ্বোধন কৰে মৰিগাঁও জিলাৰ জিলা আয়ুক্ত তথা ডি.ডি.এম.এ.-ৰ অধ্যক্ষ শ্ৰীমতী অনামিকা তেৱাৰী, এ.চি.এচ.-এ। উক্ত উদ্বোধনী অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰী, এ.চি.এচ., অতিৰিক্ত জিলা আয়ুক্ত তথা ডি.ডি.এম.এ.ৰ মুখ্য কাৰ্যবাহী বিষয়াঅনসূয়া শৰ্মা, এ.চি.এচ. আৰু মায়ং ৰাজহ চক্ৰৰ চক্ৰ বিষয়া প্ৰিয়ংকা গগৈ, এ.এল.আৰ.এচ.-ৰ লগতে বিভিন্ন বিভাগৰ চৰকাৰী বিষয়া আৰু ডি.ডি.এম.এ.-ৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে। কাৰ্যসূচীৰ প্ৰথম দিনটোত আজি চাৰিটা সমান্তৰাল গোটত প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই প্ৰশিক্ষণত শিশু-কেন্দ্ৰিক জৰুৰীকালীন প্ৰস্তুতি, জৰুৰীকালীন সময়ত পানী আৰু অনাময় ব্যৱস্থা, প্ৰাথমিক সন্ধান আৰু উদ্ধাৰ অভিযান, আৰু সাহায্য ব্যৱস্থাপনা তথা সমন্বয় আদিৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহ সামৰি লোৱা হয়। আজিৰ এই প্ৰশিক্ষণত চৰকাৰী বিষয়া, আপদা মিত্ৰ স্বেচ্ছাসেৱক, ভাৰতীয় ৰেড ক্ৰছ ছচাইটিৰ মৰিগাঁও শাখাৰ সদস্য আৰু বিভিন্ন বেচৰকাৰী সংস্থাৰ প্ৰতিনিধিসহ সৰ্বমুঠ ১৭০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। নিৰ্ধাৰিত সূচী অনুসৰি, ১৯ ডিচেম্বৰত মায়ঙৰ শিলডুবিত অৱস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এখন 'টেবল-টপ এ'ৰচাইজ' (Table-top Exercise) অনুষ্ঠিত হ'ব। ইয়াৰ জৰিয়তে বান পৰিস্থিতিৰ সময়ত বিভিন্ন অংশীদাৰসকলৰ মাজত সমন্বয় আৰু সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়া পৰীক্ষা কৰা হ'ব। ইয়াৰ পৰৱৰ্তী দিনা অৰ্থাৎ ২০ ডিচেম্বৰত মায়ঙৰ ২ নম্বৰ মুৰকাটা দলঙৰ ওচৰত দিনজোৰাকৈ এক মক ড্ৰিল (Mock Drill) অনুষ্ঠিত হ'ব। এই অনুশীলনত প্ৰশিক্ষিত সদস্যসকলে প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰি উদ্ধাৰ আৰু সাহায্য অভিযানৰ কাৰ্যকাৰীতা প্ৰদৰ্শন কৰিব। জিলা প্ৰশাসনৰ বিষয়াসকলে সমগ্ৰ অনুশীলনটো পৰ্যবেক্ষণ কৰি বিভাগসমূহৰ মাজত আন্তঃ-বিভাগীয় সমন্বয় আৰু সামূহিক দুৰ্যোগ প্ৰস্তুতিৰ বুজ ল'ব। এই অনুশীলনে জিলাখনৰ বান ব্যৱস্থাপনা প্ৰক্ৰিয়াক আগন্তুক সময়ত অধিক ক্ষিপ্ৰ আৰু ফলপ্ৰসূ কৰি তুলিব বুলি আশা কৰা হৈছে।

# দাৰিয়াপাৰাত গ্ৰামীণ কৃষি আৰু স্বনিয়োজন প্ৰশিক্ষণ কেন্দ্ৰ মুকলি



**অসম বাৰ্তা, দেওমৰনৈ, ২১ ডিচেম্বৰ ঃ** সামাজিক সংস্থা চি, আৰ, এছ, ডিটিৰ উদ্যোগত দৰং জিলাৰ দাৰিয়াপাৰা গাঁৱত জনস্বাস্থ্য তথা স্বাৱলম্বনৰ উদ্দেশ্য আগত ৰাখি প্ৰাকৃতিক কৃষি আৰু গ্ৰামীণ স্বনিয়োজন প্ৰশিক্ষণ কেন্দ্ৰ এটিৰ শুভাৰম্ভণি কৰা হয়। 'ঋষি কৃষি' নামৰ এই কেন্দ্ৰটিত বিজ্ঞানসন্মত গো-পালন, প্ৰাকৃতিক কৃষি কেঁচু সাৰৰ প্ৰয়োগ আৰু প্ৰস্তুত বিধি, মৌ পালন, আচাৰ প্ৰস্তুত আদি বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। ১৮ ডিচেম্বৰত এই কেন্দ্ৰটো মুকলি কৰে ইস্কন মঙলদৈৰ বৈষ্ণৱ পুৰুষোত্তম গোবিন্দ দাসে। বিবেকানন্দ কেন্দ্ৰ কন্যাকুমাৰী অসম প্ৰান্তৰ যুৱ প্ৰমুখ দাদুল দাসে কৃষি অৰ্থনীতি, মহিলা সৱলীকৰণ আদি বিষয়ত মাৰ্গদৰ্শন আগবঢ়ায়। সংস্কৃতি সংৰক্ষণ আৰু বিকাশ কেন্দ্ৰ, অসমৰ সঞ্চালক গৌতম শৰ্মাই জনকল্যাণৰ দিশত এই প্ৰশিক্ষণ কেন্দ্ৰই অৰিহণা যোগাব বুলি আশা কৰে। অনুষ্ঠানটিৰ সামগ্ৰিক পৰিকল্পনাত বিশেষভাৱে সহযোগিতা আগবঢ়ায় দাৰিয়াপাৰা গাঁৱৰ মদন শৰ্মা, নয়নজ্যোতি ডেকা, টিমক শইকীয়া আৰু নৰেন ডেকাই।

# ৰূপহীহাটত ১৮টা চোৰাং গৰুসহ দুখন বাহন জব্দ; আটক দুই

**অসম বাৰ্তা, ৰূপহীহাট, ২১ ডিচেম্বৰ ঃ** ৰূপহীহাটত চোৰাং গৰুৰ বিৰুদ্ধে আৰক্ষীৰ অভিয়ান অব্যাহত আছে। আজি পুৱাৰ ভাগত ৰূপহীহাট আৰক্ষীয়ে চোৰাং গৰুৰ বিৰুদ্ধে পৃথকে পৃথকে চলাই দুটা অভিযান। আৰক্ষীয়ে প্ৰথম ৰূপহীহাটৰ কোঁচগাঁৱৰ হাৰেছ আলীৰ ঘৰত চলাই অভিযান। আৰক্ষীৰ অভিয়ানত হাৰেছ আলীৰ ঘৰৰ পৰা ১০টা চোৰাং গৰুৰ সৈতে এখন বাহন জব্দ কৰে। আৰক্ষীয়ে দ্বিতীয়টো অভিযান চলাই নগাঁও-নলতলী ৰাজ্যিক ঘাই পথত। ইয়াতো আৰক্ষীয়ে এখন বাহনৰ পৰা ৮টা চোৰাং গৰুসহ এখন বাহন জব্দ কৰে। আৰক্ষীয়ে জব্দ কৰা বাহন দুখনৰ নম্বৰ হৈছে-এএছ-১২-চিচি-৫০৫৮ আৰু এএছ-০২-ডিচি-৫৫৫০। আৰক্ষীয়ে বাহন দুখনৰ চালকক আটক কৰিছে। ধৃত চালক দুজন হল আশ্বিকুল ইছলাম আৰু শ্বৰিফুল ইছলাম। ৰূপহীহাট আৰক্ষীয়ে জব্দ কৰা গৰু কেইটা গৌশালা লৈ প্ৰেৰণ কৰে।

# জিলা আয়ুক্তৰ কাৰ্যালয়ৰ চৌহদত যোগ আৰু স্বাস্থ্য শিবিৰ সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ মৰিগাঁও, ২১ ডিচেম্বৰ ঃ** মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ চৌহদত থকা প্ৰেক্ষাগৃহত বিষয়া-কৰ্মচাৰীসকলৰ বাবে এক স্বাস্থ্য শিবিৰ আৰু যোগ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। এই শিবিৰত জিলা প্ৰশাসনৰ সকলো বিষয়া-কৰ্মচাৰীয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। পুৱা অনুষ্ঠিত হোৱা যোগ কাৰ্যসূচীত বিশেষজ্ঞৰ দ্বাৰা বিষয়া-কৰ্মচাৰীসকলক যোগাভ্যাসৰ প্ৰশিক্ষণ দিয়া হয়। এই কাৰ্যসূচীৰ লক্ষ্য আছিল কৰ্মব্যস্ততাৰ মাজত সুস্থ শৰীৰ আৰু মন বজাই ৰখা। যোগ কাৰ্যসূচীৰ পাছতে এখন স্বাস্থ্য শিবিৰ আয়োজন কৰা হয়। এই শিবিৰত কৰ্মচাৰীসকলৰ চুগাৰ, ব্লাড প্ৰেছাৰ (BP), কৰ্কট ৰোগৰ প্ৰাথমিক পৰীক্ষা (cancer screening) আদি কৰা হয় আৰু চিকিৎসকৰ দ্বাৰা সামগ্ৰিক স্বাস্থ্য পৰীক্ষা কৰা হয়। জিলা আয়ুক্ত অনামিকা তেৱাৰীৰ নিৰ্দেশ মৰ্মে আজিৰ এই শিবিৰত সভাপতিত্ব কৰে জিলা উন্নয়ন আয়ুক্ত (DDC) শ্ৰীমতী অৰ্পা বাগলৰীয়ে। তেওঁৰ লগতে অতিৰিক্ত জিলা আয়ুক্ত (ADC) নীতশা বৰা, ৰাকেশ ডেকা, আৰু অনসুয়া শৰ্মা, সহকাৰী আয়ুক্ত সন্তোষ বুঢ়াগোঁহাই আৰু মৃগাক্ষী বৰুৱা, তথা অন্যান্য জ্যেষ্ঠ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

## 'মিশন নিৰ্ভয়া অপাৰেচন'ত আন্তঃসংস্থাগত সমন্বয়ৰ ডাঙৰ সফলতা

# পশ্চিম উত্তৰ প্ৰদেশৰ পৰা অসমৰ নাবালিকাক সুৰক্ষিতভাৱে উদ্ধাৰ

**অসম বাৰ্তা, খৈৰাবাৰী, ২১ ডিচেম্বৰ ঃ** ভাৰত-ভূটান সীমান্তৰ ওচৰত অৱস্থিত অসমৰ তামোলপুৰ জিলাৰ বাসিন্দা ১৭ বছৰীয়া নাবালিকা ছোৱালী অঞ্জলি (নাম সলনি কৰা)ক পশ্চিম উত্তৰ প্ৰদেশৰ মুজফ্‌ফৰনগৰ জিলাৰ পৰা সুৰক্ষিতভাৱে উদ্ধাৰ কৰা হৈছে। এই উদ্ধাৰ অভিযানটো "মিশন নিৰ্ভয়া অপাৰেচন" নামৰ এটা সংযুক্ত আৰু সংবেদনশীল মানৱীয় অভিযনৰ অধীনত সফলতাৰে সম্পন্ন কৰা হয়। প্ৰাপ্ত তথ্য অনুসাৰে, নাবালিকা ছোৱালীগৰাকী, যি অষ্টম শ্ৰেণীত অধ্যয়ন কৰি আছিল, প্ৰায় ছয় মাহ পূৰ্বে আকস্মিকভাৱে নিখোঁজ হৈছিল। এই সন্দৰ্ভত অসমৰ তামোলপুৰ থানাত এফআইআৰ দাখিল কৰা হৈছিল। আৰক্ষী আৰু পৰিয়ালৰ একেৰাহে চেষ্টা সত্ত্বেও ছোৱালীগৰাকীৰ কোনো সন্ধান পোৱা হোৱা নাছিল, যাৰ ফলত মানব পাচাৰৰ সন্দেহ অধিক গভীৰ হৈ উঠে। অত্যন্ত দৰিদ্ৰ আৰু বিপদগ্ৰস্ত পৰিয়ালটোৰ সহায়ৰ বাবে Assam Centre for Rural Development (ACRD Assam)-এ এই বিষয়টো ইনস্পেক্টৰ মনোজ কুমাৰ শৰ্মাৰ দৃষ্টি আকৰ্ষণ কৰে আৰু সীমান্ত মুখ্য কাৰ্যালয় সশস্ত্ৰ সীমা বল (SSB), তেজপুৰকো লিখিতভাৱে অৱগত কৰে। মামলাটোৰ গুৰুত্ব উপলব্ধি কৰি ইনস্পেক্টৰ মনোজ কুমাৰ শৰ্মাই তৎক্ষণাৎ তদন্ত আৰম্ভ কৰে। পৰিয়াল, চুবুৰীয়া আৰু বিদ্যালয়ৰ সহপাঠীসকলৰ পৰা তথ্য সংগ্ৰহ কৰাৰ লগতে কাৰিকৰী বিশ্লেষণ কৰা হয়, যাৰ সময়ত এটা সন্দেহজনক মোবাইল নম্বৰ পোহৰলৈ আহে। তদন্তকালীন সময়ত উক্ত নম্বৰটোৰ অৱস্থান দিল্লীৰ ওচৰৰ পশ্চিম উত্তৰ প্ৰদেশৰ মুজফ্‌ফৰনগৰ জিলাৰ মংসুৰপুৰ থানাৰ অন্তৰ্গত বেগৰাজপুৰ গাঁৱত পোৱা যায়। এই সংবেদনশীল ঘটনাত নতুন দিল্লীৰ মিশন মুক্তি ফাউণ্ডেশ্যনৰ পৰিচালক বীৰেন্দ্ৰ সিঙে বিভিন্ন সংস্থাৰ মাজত সমন্বয় স্থাপন কৰি অপৰাধীলৈ পোঁছাৰ পথ প্ৰস্তুত কৰে। 'ৰাষ্ট্ৰীয় মানব অধিকাৰ আয়োগ (NHRC)'ৰ সদস্য প্ৰিয়ংক কানুংগোৰ নিৰ্দেশনাত SSB-ৰ ইণ্টেলিজেন্স ইউনিট (ক্ষেত্ৰক মুখ্য কাৰ্যালয় বেজপাৰা), মুজফ্‌ফৰনগৰ আৰক্ষী (উত্তৰ প্ৰদেশ), মিশন মুক্তি ফাউণ্ডেশ্যন, ৰেস্কিউ এণ্ড ৰিলিফ ফাউণ্ডেশ্যন আৰু মানৱ পাচাৰ প্ৰতিৰোধ ইউনিট, ক্ষেত্ৰক মুখ্য কাৰ্যালয় SSB বেজপাৰাক লৈ এটা সংযুক্ত দল গঠন কৰি বিশেষ অভিযান আৰম্ভ কৰা হয়। এই অপাৰেচনটো দুটা স্তৰত পৰিচালনা কৰা হয়। এটা দল মাটিত সক্ৰিয় আছিল, আনটো দল ফোন কল আৰু হোৱাটছএপ কলৰ জৰিয়তে কাৰিকৰী সহায় আৰু সমন্বয় কামত নিয়োজিত আছিল। সংযুক্ত প্ৰচেষ্টাৰ ফলস্বৰূপে অভিযুক্ত ব্যক্তিক গ্ৰেপ্তাৰ কৰা হয় আৰু নাবালিকাক সুৰক্ষিতভাৱে উদ্ধাৰ কৰা হয়। উদ্ধাৰৰ পিছত নাবালিকাক প্ৰয়োজনীয় চিকিৎসা সহায় আৰু কাউন্সেলিঙৰ বাবে সংশ্লিষ্ট সংস্থাসমূহৰ হাতত গতাই দিয়া হৈছে। এই ঘটনাৰ সৈতে জড়িত বিস্তৃত প্ৰতিবেদন শীঘ্ৰেই দাখিল কৰা হ'ব। এই সফল অভিযানটো মানব পাচাৰৰ বিৰুদ্ধে চলি থকা সংগ্ৰামত আন্তঃসংস্থাগত সমন্বয় আৰু তৎপৰতাৰ এক শক্তিশালী উদাহৰণ হিচাপে বিবেচিত হৈছে।

## চাবুৱা বিধানসভা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাৰ অংশগ্ৰহণ

# গুটিবাৰী প্ৰাথমিক বিদ্যালয়ত 'ৰাইজৰ দিন' উদ্‌যাপন




**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২১ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ হাপজান প্ৰাথমিক শিক্ষাখণ্ডৰ অধীনৰ গুটিবাৰী প্ৰাথমিক বিদ্যালয়ত আজি "ৰাইজৰ দিন" উৎসৱ উদযাপন কৰা হয়। বিদ্যালয়ত সমাজ জড়িতকৰণৰ উদ্দেশ্যে অসম চৰকাৰৰ শিক্ষা বিভাগৰ নিৰ্দেশনা অনুসৰি পালন কৰা এই উৎসৱৰ পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি পানীতোলা নগৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিজয় কাকতিয়ে। পানীতোলা মণ্ডলৰ ১২খন বিদ্যালয়ৰ বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিসকলে নিজৰ নিজৰ বিদ্যালয়ৰ পতাকা উত্তোলন কৰে। পানীতোলা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ৰণ্টু হাতীবৰুৱাই আঁত ধৰা অনুষ্ঠানটোত বন্তি প্ৰজ্বলন কৰে পানীতোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰাঞ্জল কুমাৰ গোহাঁয়ে আৰু স্মৃতি তৰ্পণ কৰে পানীতোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ উজ্জ্বল বৰুৱাই। গছ পুলি ৰোপণ কৰে গুটিবাৰী প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি কৃষ্ণ মাঝি, স্থানীয় ৱাৰ্ড সদস্যা পুষ্পাঞ্জলি কুৰ্মী, প্ৰাক্তন ছাত্ৰী শখিলা মুণ্ডাই। কাৰ্যসূচীৰ আৰম্ভণিতে সদ্যপ্ৰয়াত শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে গুটিবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মাধৱ কৃষ্ণ দাসে। ইয়াৰ পিছতে স্থানীয় ৰাইজৰ মাজত পাৰ-পানী, মিউজিক-চেয়াৰ আৰু ৰচী টনা খেল প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজিৰ অনুষ্ঠানটিত চাবুৱা বিধান সভা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱা উপস্থিত থাকে। তেখেতে ৰাইজৰ প্ৰতি বহুমূলীয়া মন্তব্য আগবঢ়ায়। অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা শিক্ষণ-শিকন সামগ্ৰী প্ৰদৰ্শনীৰ দ্বাৰ উদ্বোধন কৰে তিনিচুকীয়া জিলাৰ সাংখ্যিকতা আৰু সাক্ষৰতাৰ প্ৰালোচক সুৰুজ ভুঞাই। তাৰ পাছতে গুটিবাৰী প্ৰাথমিক বিদ্যালয় আৰু পানীতোলা নগৰ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সাংস্কৃতিক কাৰ্যসূচী পৰিবেশন কৰে। ইয়াৰ পিছতে অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানত পানীতোলা মণ্ডলৰ সমূহ বিদ্যালয়ৰ বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য আৰু অভিভাৱকসকলে গীত-নৃত্য আদি পৰিৱেশন কৰে। শেষত আয়োজিত মুকলি তথা বঁটা বিতৰণী সভাত তিনিচুকীয়া জিলাৰ সমগ্ৰ শিক্ষাৰ আঁচনি বিষয়া ত্ৰিদিব শৰ্মা তামোলী, আৰতি দাস বৰুৱা, চাহ জনগোষ্ঠী সাহিত্য সভাৰ বিষয়ববীয়া নগেন কুমাৰ, তিনিচুকীয়া নগৰ শিক্ষাখণ্ডৰ খণ্ড সমল ব্যক্তি দুৰ্জয় লোচন চেতিয়া আৰু খামতিগোৱালি, লাইপুলি আৰু হিজুগুৰি মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ক্ৰমে ৰিণ্টুমনি শইকীয়া, লুইত গোহাঁই আৰু নন্দন যাদৱে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। মণ্ডল সমল কেন্দ্ৰটোৰ আটাইকেইখন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলে অংশগ্ৰহণ কৰা সভাৰ অন্তত প্ৰতিযোগিতাৰ বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰাৰ লগতে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি কৃষ্ণ মাঝি, স্থানীয় সমাজ সেৱক ৰমেশ মুণ্ডা আৰু পানীতোলা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ৰণ্টু হাতীবৰুৱাই শলাগৰ শৰাই আগবঢ়ায়।

# কাজলগাঁৱত বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ত পৰা বাৰ্ষিক খেল-ধেমালি শুভাৰম্ভ

**অসমবাৰ্তা, বিজনী, ২১ ডিচেম্বৰ ঃ** চিৰাং জিলাৰ সদৰ কাজলগাঁৱত বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ত আজিৰে পৰা বাৰ্ষিক খেল-ধেমালি শুভাৰম্ভ হয়। পতাকা উত্তোলন কৰি আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে বিটিচিৰ বন বিভাগৰ কাৰ্য্যবাহী সদস্য পানীৰাম ব্ৰহ্মাই। সংবাদ মাধ্যমৰ আগত পানীৰাম ব্ৰহ্মাই কয় যে বিবেকানন্দ কেন্দ্ৰ বিদ্যালয় এক গুৰুত্বপূৰ্ণ শিক্ষা অনুষ্ঠান য'ত ছাত্ৰ-ছাত্ৰীসকলে মাৰ্চ পাষ্ট, যোগা, নৃত্য, স্কেটিং, বিভিন্ন খেল আদিৰে নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰে। এই অনুষ্ঠান বোৰে ছাত্ৰ ছাত্ৰীক মনোবৃত্তি আৰু শাৰীৰিক সুস্থতাৰ লগতে সাংস্কৃতিক কাৰ্যসূচীও প্ৰদৰ্শন কৰে য'ত মূল লক্ষ্য হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ সামগ্ৰিক বিকাশ। কোকৰাঝাৰ জিলাৰ উলটা পানী বন অঞ্চলত অবৈধভাৱে প্ৰৱেশ কৰি বন ধ্বংস কৰা কাকো ৰেহাই দিয়া নহ'ব। যোৱা পাছ বছৰত বিটিআৰ চৰকাৰ আৰু বন বিভাগে বনাঞ্চলৰ একেবাৰে ধ্বংস কৰি গৈছে। কিন্তু এতিয়াও আৰু নোৱাৰে বন অঞ্চল ৰক্ষাৰ কৰাৰ বাবে এনজিও আৰু বন বিভাগৰ লোকে দিন ৰাতি একাকাৰ কৰি কাম কৰি আছে বুলি কয় বন বিভাগৰ কাৰ্য্যবাহী সদস্য পানীৰ ব্ৰহ্মাই।

## সম্পাদকীয়

# বাংলাদেশত ধৰ্মীয় হিংসা ঃ এটি নিন্দনীয় ঘটনা আৰু আমাৰ চিন্তা

বাংলাদেশত এজন হিন্দু যুৱক দিপু চন্দ্ৰ দাসক নিৰ্বিচাৰে হত্যা কৰা আৰু তাৰ পাছত শৰদেহটো দাহ কৰাৰ বৰ্বৰ ঘটনাই সমগ্ৰ বিশ্বকে স্তম্ভিত কৰি তুলিছে। এই ঘটনাই কেৱল মানৱতাৰ ওপৰতেই আক্ৰমণ নহয়, ই এখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ নাগৰিকৰ মৌলিক অধিকাৰ আৰু নিৰাপত্তাৰ প্ৰতি এক ডাঙৰ প্ৰশ্ন। অন্তৰ্বৰ্তীকালীন চৰকাৰে ইয়াক 'গণহত্যা' আখ্যা দি দোষীসকলক কঠোৰ শাস্তি দিয়াৰ আশ্বাস দিয়া সত্ত্বেও, ঘটনাটোৱে সমাজৰ একাংশৰ মাজত থকা উগ্ৰ মনোভাৱৰ এক উদণ্ড ৰূপ দাঙি ধৰিছে। ঘটনাটোৰ পৰিপ্ৰেক্ষিত তথ্যসমূহ অধিক উদ্বেগজনক। কৰ্মস্থলীত ঈশ্বৰনিন্দাৰ অভিযোগ তুলি যুৱকজনক প্ৰহাৰ কৰি গছত ওলোমাই থোৱা হৈছিল। এই ধৰণৰ 'বিচাৰ' নামৰ অতিৰিক্ততাৰ কোনো স্থান সভ্য সমাজত থাকিব নোৱাৰে। ৰেপিড একচ্যন বেটেলিয়নে সাতজন সন্দেহজনক লোকক গ্ৰেপ্তাৰ কৰা পদক্ষেপটো স্বাগতমযোগ্য, কিন্তু সাধাৰণ মানুহৰ মনত এই ক্ষেত্ৰত কেইটামান প্ৰশ্নই ঠাই পাইছে- কিয় এই ধৰণৰ হিংসাৰ পুনৰাবৃত্তি হৈ থাকে? ধৰ্মীয় সংখ্যালঘুসকলৰ সুৰক্ষা নিশ্চিত কৰাত চৰকাৰী যন্ত্ৰণাই কিমান সক্ৰিয়? দোষীসকলক দ্ৰুত শাস্তি দিয়াত আইনী ব্যৱস্থাটো কিমান কাৰ্যকৰী? বাংলাদেশত ধৰ্মীয় উগ্ৰতাবাদৰ উত্থানে অসমত বসবাস কৰা বিভিন্ন সম্প্ৰদায়ৰ মাজত থকা সম্প্ৰীতি আৰু বিশ্বাসৰ ওপৰতো এক পৰোক্ষ চাপ সৃষ্টি কৰে। আমাৰ ৰাজ্যখনে যি সময়ত নিজেই সাম্প্ৰদায়িক সম্প্ৰীতি ৰক্ষাৰ যুঁজ চলাই আছে, তেনেস্থলত ওচৰৰ ৰাষ্ট্ৰত হোৱা এনে হিংসাই সামগ্ৰিক অঞ্চলটোৰ শান্তিৰ বাবে এক সম্ভাব্য বিপদজনক সংকেতহে। চৰকাৰে দিয়া বক্তব্যত 'নতুন বাংলাদেশত হিংসাৰ স্থান নাই' বুলি কোৱা হৈছে। এই কথা সঁচা হ'বলৈ হ'লে কেৱল গ্ৰেপ্তাৰেই যথেষ্ট নহয়। এই ঘটনাসমূহৰ মুলত থকা ধৰ্মীয় অসহিষ্ণুতা, উগ্ৰবাদ আৰু আইন নিজ হাতত লোৱাৰ মনোভাৱৰ বিৰুদ্ধে সচেতনতা সৃষ্টি আৰু শিক্ষাৰ জৰিয়তে সামাজিক আন্দোলন গঢ়ি তোলাটো অপৰিহাৰ্য। সংখ্যালঘুসকলৰ প্ৰতি ৰাষ্ট্ৰই দায়বদ্ধতা দেখুওৱাটোও জৰুৰী। অন্ততঃ, মানুহৰ জীৱন ধৰ্ম, বৰ্ণ বা মতপাৰ্থক্যৰ ওপৰত নিৰ্ভৰ নকৰে। দিপু চন্দ্ৰ দাসৰ নিষ্ঠুৰ হত্যাই আমাক এই সহজ সত্যৰ প্ৰতি পুনৰ সোঁৱৰাই দিয়ে। বাংলাদেশৰ চৰকাৰ আৰু সমাজে যদি এই ঘটনাক এক নিৰ্ণায়ক মুহূৰ্ত হিচাপে গণ্য কৰি কঠোৰ আৰু পাৰদৰ্শী কাৰ্য কৰে, তেনেহ'লে হয়তো ভৱিষ্যতে এনে হিংসা ৰোধ কৰিব পৰা যাব। নহ'লে, মানৱতা আৰু গণতন্ত্ৰৰ নামত লোৱা সকলো শপত অৰ্থহীন হৈ পৰিব। অসমীয়া সমাজ হিচাপে আমিও আমাৰ নিজৰ সাম্প্ৰদায়িক সম্প্ৰীতি আৰু মানৱীয় মূল্যবোধসমূহ দৃঢ়ভাৱে ৰক্ষা কৰি, সীমান্তৰ সিপাৰৰ এই বেদনাৰ প্ৰতি সংবেদনশীল হৈ ৰাখিব লাগিব।

> ১৯২২ চনত প্ৰকাশিত 'চপলা' এখনি সামাজিক উপন্যাস। মাহী আইৰ নিষ্ঠুৰতাৰ বলি হোৱা এটি শিশুৰ মানসিক যন্ত্ৰণা, অভিমান আদিক কেন্দ্ৰ কৰিয়েই উপন্যাসখনৰ কাহিনীভাগ ৰচিত। উপন্যাসখনৰ কাহিনী, চৰিত্ৰ সৃষ্টি আদিত বৈচিত্ৰ্য নাই। তেনেদৰে চৰিত্ৰসমূহৰ মাজতো আধুনিক উপন্যাসৰ অন্যতম বৈশিষ্ট্যস্বৰূপ মনস্তাত্বিক দ্বন্দ্ব বা সংঘাতৰ চিত্ৰ নাই। আমাৰ সমাজত সততে দেখিবলৈ পোৱা মানুহৰ মনৰ সংকীৰ্ণতা, মাহী আইৰ নিষ্ঠুৰতা আদিক সৰলভাৱে লেখকে উপন্যাসখনত প্ৰকাশ কৰিছে। উপন্যাসখনৰ পাতে পাতে লেখকৰ সংস্কাৰকামী মনটোৱে অহৰহ ক্ৰিয়া কৰি থকাৰ ফলস্বৰূপে উপন্যাসখনত স্বাভাৱিক সৰলতা লুপ্ত হোৱা সততে পৰিলক্ষিত হয়।

# প্ৰথমগৰাকী জনজাতীয় সাহিত্যিক পেঞ্চনাৰ

বীৰ্কে বি থাপা


অম্বিকাগিৰী যুগৰ জাতীয় পুনৰোত্থানৰ এগৰাকী সৰৱ কৰ্মী আৰু সাহিত্যিক প্ৰয়াত দণ্ডীধৰ ফাটোৱালী আছিল প্ৰথমগৰাকী জনজাতীয় সাহিত্যিক পেঞ্চনাৰ। ১৮৯৬ চনত জন্ম গ্ৰহণ কৰা ফাটোৱালীদেৱে শদিয়াৰ মাইনৰ স্কুলৰ পৰা পৰীক্ষা দি সমগ্ৰ অসমৰ ভিতৰত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ ঘৰুৱা আৰ্থিক দুৰৱস্থাৰ বাবে শিক্ষা জীৱন সিমানতে সামৰি তিনিচুকীয়া জিলাৰ বাদলাভেটা চাহ বাগিচাত গুদামবাবুৰ চাকৰিত সোমায়। তাতো মিছা অপবাদ সহিব নোৱাৰি গুদামৰ মছাবিকোচা চাহাবৰ টেবুললৈ দলিয়াই তেখেতে চাকৰি এৰি গুছি আহিছিল আৰু নিজৰ পৈতৃক ভূমিত কৃষি পাম আৰম্ভ কৰিছিল। সেই সময়ছোৱাতে ১৯২১ চনত 'ডাঙৰী কছাৰী যুৱক সন্মিলনী' গঠন হয়। অসমৰ ভূমিপুত্ৰ সোণোৱাল জনগোষ্ঠীৰ লোকসকলৰ আত্মসচেতনতাৰ প্ৰথম প্ৰতিফলন স্বৰূপ এই অনুষ্ঠানটোৱেই আছিল প্ৰকৃততে পৰৱৰ্তীকালৰ ট্ৰাইবেল লীগ বা ট্ৰাইবেল সংঘৰ আৰম্ভণি। সেইসময়ৰ প্ৰখ্যাত জনজাতীয় নেতা ভৰতচন্দ্ৰ খাখলাৰী, যাদৱচন্দ্ৰ খাখলাৰী, কীৰ্তিনাথ খাখলাৰী আদিৰ নেতৃত্বত গঢ় লৈ উঠা 'ডাঙৰী কছাৰী যুৱক সন্মিলনী'ৰ এগৰাকী সক্ৰিয় কৰ্মী হিচাপে দণ্ডীধৰ ফাটোৱালীয়েও নিজৰ খেতি-খোলাৰ কামৰ লগে লগে সোণোৱাল জনজাতি অধ্যুষিত অঞ্চলসমূহৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে অহৰ্নিশে দেহে-কেহে খাটি গৈছিল। পৰৱৰ্তীকালত এই অনুষ্ঠানটিয়েই ট্ৰাইবেল লীগ বা ট্ৰাইবেল সংঘলৈ উন্নীত হোৱা সময়লৈকে তেখেত জড়িত হৈ আছিল। এগৰাকী সমাজ সংস্কাৰক হিচাপে দণ্ডীধৰ ফাটোৱালীয়ে কৰি যোৱা বিশেষ উল্লেখযোগ্য কামৰ ভিতৰত আছিল - লোকনায়ক অমিয় কুমাৰ দাসৰ দৰে ব্যক্তিৰ সাহচৰ্যত ছৈখোৱা-ডাঙৰী অঞ্চলত আৰম্ভ কৰা 'কানি নিবাৰণ অভিযান', ডাঙৰী পশু চিকিৎসালয়, ডাকঘৰ, ৰে'ল ষ্টেচন আদিৰ দৰে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান গঠন তথা ১৯৫০ চনৰ বৰভূইকঁপত উচ্ছন্ন হোৱা চিৰিম গাঁৱৰ ৰাইজক কতকৰা জানৰ দক্ষিন পাৰলৈ থকা ডাঙৰী গাঁৱৰ গ্ৰেজিঙত প্ৰতিষ্ঠাপন কৰা আদি।

ইতিমধ্যে উল্লেখ কৰি অহা 'ডাঙৰী কছাৰী যুৱক সন্মিলনী'য়ে ১৯২৫ চনত 'প্ৰভাতী' আৰু ১৯৩৩ চনত 'ৰাইজ' নামৰ দুখনকৈ মাহেকীয়া আলোচনী প্ৰকাশ কৰিছিল। এই আলোচনীদুখনৰ প্ৰকাশ প্ৰবল আৰ্থিক সংকটৰ বাবে খুব সোনকালেই বন্ধ হৈ গৈছিল যদিও সেই সময়ত কিছু সংখ্যক লেখক-লেখিকাৰ জন্ম দিয়াৰ ক্ষেত্ৰত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছিল। দণ্ডীধৰ ফাটোৱালীয়েও আলোচনী দুখনৰ মাজেৰে এগৰাকী লেখক হিচাপে আত্মপ্ৰকাশ কৰিছিল।

দণ্ডীধৰ ফাটোৱালীয়ে ৰচনা কৰা সাহিত্যকৰ্মৰ ভিতৰত আছিল তিনিখন উপন্যাস ক্ৰমে - 'চপলা', 'যুগলমূৰ্তি' আৰু 'মইনা'। কবিতা পুথি - 'নৱকলি'। গীতৰ পুথি - 'আমিও মানুহনে?' তথা কেইবাখনো নাটক আৰু প্ৰহসন যেনে- 'শত্ৰুদমন', 'সৰস্বতী পূজা', 'গেলাত টেঙা', 'হেংকাই কেনে পালি' আদি।

এই সৃষ্টিৰাজিলৈ দৃষ্টি নিক্ষেপ কৰিলে দেখা যায় যে তেখেতে সেই সময়ত হাতত কলম তুলি লৈছিল যিসময়ত ডাঙৰীৰ দৰে আওহতীয়া গাঁৱৰ কথাতো বাদেই, সমগ্ৰ অসমতে কোনো অনুকূল পৰিৱেশ নাছিল। তেখেতে সেইসময়ত অসমীয়া ভাষা আৰু লিপিত লিখিবলৈ আৰম্ভ কৰিছিল যি সময়ত অসমৰ ভূমিপুত্ৰস্বৰূপ জনজাতীয় লোকসকলে নিজৰ নিজৰ ধৰ্ম-সংস্কৃতি, দোৱান আদিক আকোঁৱালি আছিল আৰু বৃহত্তৰ অসমীয়া ভাষা, সাহিত্য-সংস্কৃতি আৰু লিপিক নিজৰ বুলি গ্ৰহণ কৰাৰ মানসিকতা গোটাব পৰা নাছিল। সেই সময়ত তেখেতৰ দৰে খুব কমসংখ্যক শিক্ষিত জনজাতীয় লোকেহে ইয়াৰ ভৱিষ্যৎ পৰিণাম সম্পৰ্কে সচকিত হৈ উঠিছিল। অসমীয়া ভাষা-সাহিত্যৰ উন্নয়নৰ বাবে চেষ্টা কৰা জনজাতীয় লেখকসকলৰ কথা উল্লেখ কৰোঁতে সেয়ে হোমেন বৰগোহাঞিদেৱেও তেখেতৰ 'অসমীয়া ভাষা আৰু জনজাতীয় জাগৰণ' শীৰ্ষক এটি প্ৰবন্ধত সোণাৰাম পায়েং, চাৰুচন্দ্ৰ দলে, মুহিচন্দ্ৰ মিৰি, চকভাল কাগয়ুং, তৰুণচন্দ্ৰ পামেগাম, সীতানাথ ব্ৰহ্মচৌধুৰী আদিৰ লগতে দণ্ডীধৰ ফাটোৱালীদেৱৰো নাম উল্লেখ কৰিছে। ফাটোৱালীদেৱে নিজৰ জনজাতীয় সমাজত প্ৰচলিত দোৱানসমূহৰ আভিধানিক সংকলন, হায়দাং গীতৰ সংগ্ৰহ আদিৰ লগে লগে গীত, কবিতা, নাটক, উপন্যাস আদি সৃষ্টিশীল ৰচনাৰ কামতো নিজক নিমগ্ন কৰিছিল।

অসমীয়া সাহিত্যৰ ইতিহাসলৈ লক্ষ্য কৰিলে দেখা যায় যে দ্বিতীয় মহাসমৰৰ পূৰ্বৰ অসমীয়া সমাজ জীৱনৰ চিত্ৰ প্ৰতিফলিত হোৱা দেখিবলৈ পোৱা যায় ঘাইকৈ দণ্ডীনাথ কলিতা আৰু দৈৱচন্দ্ৰ তালুকদাৰৰ উপন্যাসসমূহত। এই দুগৰাকী লেখকৰ পাছত তৎকালীন সমাজৰ বিভিন্ন অৱস্থাৰ চিত্ৰণ কৰা লেখকৰ নাম বহুদিনলৈকে পোৱা নাযায়। 'অসমীয়া সাহিত্যত দৃষ্টিপাত' শীৰ্ষক গ্ৰন্থত এই সম্পৰ্কে আলোচনা কৰি ড° হেমন্ত কুমাৰ শৰ্মাই লিখিছে যে কলিতা আৰু তালুকদাৰৰ পাছত দ্বিতীয় মহাসমৰৰ আগলৈকে তেনে বিশেষ উল্লেখযোগ্য উপন্যাস লেখক পোৱা নাযায় যদিও এই সময়ছোৱাৰ মাজত কেইগৰাকীমান (অপ্ৰখ্যাত) লেখকে আত্মপ্ৰকাশ কৰিছিল। সেইসকলৰ ভিতৰত এগৰাকী হ'ল 'চপলা'ৰ লেখক দণ্ডীধৰ সোণোৱাল। (উল্লেখযোগ্য যে, 'চপলা'ৰ প্ৰথম সংস্কৰণত লেখকৰ নাম দণ্ডীধৰ সোণোৱাল বুলিয়েই প্ৰকাশ পাইছিল)।



১৯২২ চনত প্ৰকাশিত 'চপলা' এখনি সামাজিক উপন্যাস। মাহী আইৰ নিষ্ঠুৰতাৰ বলি হোৱা এটি শিশুৰ মানসিক যন্ত্ৰণা, অভিমান আদিক কেন্দ্ৰ কৰিয়েই উপন্যাসখনৰ কাহিনীভাগ ৰচিত। উপন্যাসখনৰ কাহিনী, চৰিত্ৰ সৃষ্টি আদিত বৈচিত্ৰ্য নাই। তেনেদৰে চৰিত্ৰসমূহৰ মাজতো আধুনিক উপন্যাসৰ অন্যতম বৈশিষ্ট্যস্বৰূপ মনস্তাত্বিক দ্বন্দ্ববুব বা সংঘাতৰ চিত্ৰ নাই। আমাৰ সমাজত সততে দেখিবলৈ পোৱা মানুহৰ মনৰ সংকীৰ্ণতা, মাহী আইৰ নিষ্ঠুৰতা আদিক সৰলভাৱে লেখকে উপন্যাসখনত প্ৰকাশ কৰিছে। উপন্যাসখনৰ পাতে পাতে লেখকৰ সংস্কাৰকামী মনটোৱে অহৰহ ক্ৰিয়া কৰি থকাৰ ফলস্বৰূপে উপন্যাসখনত স্বাভাৱিক সৰলতা লুপ্ত হোৱা সততে পৰিলক্ষিত হয়।

১৯২৪ চনত প্ৰকাশিত তেখেতৰ 'যুগল-মূৰ্তি' উপন্যাসৰ কেন্দ্ৰীয় বিষয়বস্তু এহাল যুৱক-যুৱতীৰ নিষ্পাপ প্ৰেম কাহিনী। 'চপলা'তকৈ 'যুগলমূৰ্তি'ৰ ৰচনাত তেখেতক বেছি সংযত হোৱা দেখা যায়। প্ৰথমখন উপন্যাস লিখাৰ দুবছৰৰ পাছত এইখন উপন্যাস লিখাৰ বাবেই হয়তো উপন্যাসখনত পৰিৱেশ চিত্ৰণ, চৰিত্ৰ অংকন আদিয়ে তুলনামূলকভাৱে এক উন্নত মানদণ্ড লাভ কৰিবলৈ সক্ষম হৈছে। নাটকৰ দৰে দীঘলীয়া সংলাপৰ ব্যৱহাৰ তেখেতে বাদ দিয়া নাই যদিও বিশেষ আমনিদায়ক হোৱা নাই। যুগল আৰু মূৰ্তি নামৰ এহাল কিশোৰ-কিশোৰীৰ কৈশোৰ কালৰ নিষ্পাপ মৰম-চেনেহ যৌৱনত গৈ প্ৰেমলৈ ৰূপান্তৰিত হোৱা কাহিনীৰ অনুপম বৰ্ণনা দিয়াত লেখক নিঃসন্দেহে সফল হৈছে।

'যুগলমূৰ্তি' উপন্যাসত এটি সুন্দৰ প্ৰেম কাহিনী প্ৰকাশ কৰাৰ লগতে উপন্যাসিকে চাহ বাগিচাৰ সেউজ পৰিৱেশ, চাহাবৰ বঙলা আৰু তাৰ জীৱন-যাপন প্ৰণালীৰো সুন্দৰ চিত্ৰ অংকন কৰিছে। উপন্যাসখনৰ কাহিনী পৰিকল্পনাত যথেষ্ট শিথিলতা পৰিলক্ষিত হয় যদিও চাহ বাগিচাত চাকৰি কৰা অসমীয়া মধ্যবিত্ত লেকসকলৰ বাবুগিৰি, সাধাৰণ শ্ৰমিক-বনুৱাসকলৰ ওপৰত তেওঁলোকে চলোৱা অন্যায় অত্যাচাৰ, হিংসা-কপট আদিৰ বাস্তৱ চিত্ৰ অংকন কৰাত তেখেত যথেষ্ট সফল হৈছে। উল্লেখযোগ্য যে, অসমীয়া সাহিত্যত চাহবাগিচাৰ পটভূমিত ৰচিত প্ৰথমখন উপন্যাস বুলি কওঁতে সাধাৰণতে ৰাস্না বৰুৱাৰ 'সেউজী পাতৰ কাহিনী' উপন্যাসখনৰ কথাই কোৱা হয়। কিন্তু লক্ষণীয় যে ৰাস্না বৰুৱাৰ এইখন উপন্যাস প্ৰকাশ পাইছিল ১৯৫৮চনত আৰু তাৰো প্ৰায় ৩৪ বছৰ পূৰ্বে ১৯২৪ চনতে ফাটোৱালীদেৱে 'যুগলমূৰ্তি' উপন্যাসৰ জৰিয়তে চাহবাগিচাৰ কাহিনীক প্ৰথম প্ৰকাশ কৰিছিল।

দণ্ডীধৰ ফাটোৱালীৰ সাহিত্যকৰ্মৰ স্বীকৃতিস্বৰূপে অবিভক্ত ডিব্ৰুগড় জিলা সাহিত্য পৰিষদে ১৯৬৯ চনত তেখেতক সম্বৰ্ধনা জ্ঞাপন কৰে। ১৯৭৬ চনত অসম চৰকাৰেও তেখেতলৈ সাহিত্যিক পেঞ্চন আগবঢ়াইছিল। ১৯৭৯ চনত কৰ্কট ৰোগত আক্ৰান্ত হৈ ৮৩ বছৰ বয়সত মৃত্যু হোৱা এইগৰাকী লেখকৰ সাহিত্যকৰ্মসমূহৰ ঐতিহাসিক তাৎপৰ্যক কিন্তু অসমীয়া সাহিত্যৰ সমালোচকসকলে আজিও বিশেষ গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই। উল্লেখযোগ্য যে, যোৱা ১৮ ডিচেম্বৰ তাৰিখে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বড়ো ভাষা অধ্যয়ন কেন্দ্ৰত সদৌ অসম সোণোৱাল-কছাৰী সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত 'দণ্ডীধৰ ফাটোৱালী স্মৃতি দিৱস'লৈ আমন্ত্ৰিত হৈ আমিও আমাৰ বক্তব্যৰ মাজেৰে সাহিত্যিকগৰাকীৰ সাহিত্যকৰ্মৰ ঐতিহাসিক তাৎপৰ্য সম্পৰ্কে বিস্তৃত বিশ্লেষণ আগবঢ়াওঁ। আমি আশা কৰোঁ যাতে 'অসম সাহিত্য সভা' বা 'সোণোৱাল-কছাৰী সাহিত্য সভা'ৰ দৰে অনুষ্ঠানসমূহে এইগৰাকী সাহিত্যিকৰ লুপ্তপ্ৰায় ৰচনাৱলীৰ অচিৰেই উদ্ধাৰ আৰু প্ৰকাশৰ ব্যৱস্থা কৰে।

# পৰিপূৰক দৃষ্টিভংগী বিজ্ঞান আৰু বিশ্বাস

অংকুৰজ্যোতি হাতীমূৰীয়া

পৃথিৱীখন আৰু ইয়াৰ ভিতৰত আমাৰ স্থান বুজিবলৈ মানৱীয় অভিযান ঐতিহাসিকভাৱে দুটা শক্তিশালী, অথচ মৌলিকভাৱে সুকীয়া কাঠামোৰ জৰিয়তে স্থানান্তৰিত হৈছে- ধৰ্ম আৰু বিজ্ঞান। এই ব্যৱস্থাসমূহক প্ৰায়ে বিৰোধী বুলি দেখা যায় যদিও জ্ঞানৰ বিভিন্ন সাংস্কৃতিক দৃষ্টিভংগীক প্ৰতিনিধিত্ব কৰে। ধৰ্মই মূলতঃ উত্তৰাধিকাৰী সূত্ৰে পোৱা পৰম্পৰা, প্ৰকাশিত সত্য আৰু সাম্প্ৰদায়িক বিশ্বাসৰ ওপৰত নিৰ্মিত বিশ্বাসৰ সংস্কৃতি হিচাপে কাম কৰে। ইয়াৰ বিপৰীতে বিজ্ঞান সন্দেহৰ সংস্কৃতি হিচাপে কাম কৰে, যাৰ বৈশিষ্ট্য্য হৈছে পদ্ধতিগত সন্দেহবাদ, অভিজ্ঞতাভিত্তিক পৰীক্ষা আৰু অস্থায়ী সিদ্ধান্ত। এই দ্বৈততাক বুজাটো প্ৰতিটো ক্ষেত্ৰই অৰ্থ, সত্য আৰু সমাজৰ নীতি-নিয়মসমূহ কেনেকৈ গঠন কৰে তাৰ মূল্যায়নৰ বাবে অতি গুৰুত্বপূৰ্ণ।

ধৰ্মই নিজৰ মূলত এনে এক সংস্কৃতিৰ খেতি কৰে য'ত বিশ্বাস নিৰপেক্ষ পৰীক্ষণৰ পূৰ্বে থাকে। ই হৈছে বিশ্বাস, প্ৰকাশ বা আধ্যাত্মিক অভিজ্ঞতাৰ জৰিয়তে প্ৰায়ে গ্ৰহণ কৰা বিশ্বাসৰ আশে-পাশে নিৰ্মিত এক সামাজিক আৰু ব্যক্তিগত গাঁথনি। বিশ্বাসে শিলাস্তৰ হিচাপে কাম কৰে, নৈতিক কাঠামো, অস্তিত্বৰ আৰাম আৰু মহাজাগতিক উৎপত্তি আৰু উদ্দেশ্যৰ এক বিস্তৃত আখ্যান প্ৰদান কৰে। এই সংস্কৃতিত প্ৰতিষ্ঠিত পবিত্ৰ গ্ৰন্থ আৰু কৰ্তৃত্বশীল পৰম্পৰাই মূল পাঠ্যক্ৰম গঠন কৰে। উদাহৰণস্বৰূপে, খ্ৰীষ্টান ধৰ্মত খ্ৰীষ্টৰ দেৱত্ব বা হিন্দু ধৰ্মত ধৰ্মৰ ধাৰণা আদি বিশ্বৰ প্ৰধান ধৰ্মসমূহৰ মূল নীতিসমূহ নিৰন্তৰ অভিজ্ঞতাভিত্তিক প্ৰত্যাহ্বানৰ পৰিৱৰ্তে আনুগত্য আৰু সাম্প্ৰদায়িক অনুশীলনৰ জৰিয়তে বজাই ৰখা হয়। ব্যক্তিগত ধৰ্মতত্ত্বৰ যাত্ৰাত কেতিয়াবা সন্দেহ উপস্থিত থাকিলেও সাধাৰণতে সামূহিক বিশ্বাস ব্যৱস্থাৰ স্থিৰতাৰ প্ৰতি ভাবুকি হিচাপে গণ্য কৰা হয়। ধৰ্মীয় সংস্কৃতিৰ শক্তি নিহিত হৈ আছে জীৱনৰ অন্তৰ্নিহিত অস্পষ্টতাৰ সন্মুখত গভীৰ সাম্প্ৰদায়িক বন্ধন গঢ়ি তোলা আৰু নিশ্চয়তা প্ৰদান কৰাৰ ক্ষমতাত।

**বিজ্ঞানত সন্দেহৰ সংস্কৃতি ঃ** ইয়াৰ সম্পূৰ্ণ বিপৰীতে বিজ্ঞান গাঁথনিগতভাৱে পদ্ধতিগত সন্দেহৰ নীতিৰ ওপৰত নিৰ্মিত। ই হৈছে বৰ্তমানৰ জ্ঞানক প্ৰত্যাহ্বান জনাবলৈ বিশেষভাৱে পৰিকল্পিত এক আত্মসংশোধন ব্যৱস্থা। বৈজ্ঞানিক পদ্ধতিয়ে অনুমানসমূহ পৰীক্ষাযোগ্য, ভুৱা আৰু নতুন প্ৰমাণৰ ভিত্তিত পুনৰীক্ষণৰ বাবে মুকলি হোৱাটো দাবী কৰে। কোনো বৈজ্ঞানিক তত্ত্বক কেতিয়াও নিৰপেক্ষভাৱে প্ৰমাণিত বুলি গণ্য কৰা নহয়; অধিক পৰীক্ষাই ইয়াক অপৰ্যাপ্ত বুলি প্ৰমাণ নকৰালৈকে ই কেৱল উপলব্ধ উত্তম ব্যাখ্যাহে। নিউটনৰ পদাৰ্থ বিজ্ঞানৰ পৰা আইনষ্টাইনৰ আপেক্ষিকতালৈ পৰিৱৰ্তন বিবেচনা কৰক; আইনষ্টাইনৰ যুগান্তকাৰী কামে নিউটনক সম্পূৰ্ণৰূপে বাতিল কৰা নাছিল বৰঞ্চ নিৰ্দিষ্ট পৰিস্থিতিত নিউটনৰ অনুমানৰ সীমা প্ৰদৰ্শন কৰিছিল। এই অহৰহ প্ৰশ্নই বৈজ্ঞানিক প্ৰগতিৰ ইঞ্জিন। বৈজ্ঞানিক গৱেষণা পত্ৰসমূহ সমনীয়াৰ পৰ্যালোচনাৰ অধীনত থাকে, যিটো প্ৰতিষ্ঠানিক সন্দেহৰ আনুষ্ঠানিক প্ৰক্ৰিয়া, যিয়ে নিশ্চিত কৰে যে দাবীসমূহ বৈজ্ঞানিক জ্ঞানৰ শৰীৰত গ্ৰহণ কৰাৰ আগতে কঠোৰভাৱে পৰীক্ষা কৰা হয়।

সত্যৰ বিচ্ছিন্ন পথত এই দুটা সংস্কৃতিৰ মাজত মূল পাৰ্থক্য নিহিত হৈ আছে বৈধ জ্ঞান বা সত্যক কি গঠন কৰে সেই বিষয়ে তেওঁলোকৰ দৃষ্টিভংগীত। আধ্যাত্মিক কৰ্তৃত্বৰ ওপৰত ভিত্তি কৰি ধৰ্মীয় সত্যক প্ৰায়ে অপৰিৱৰ্তনীয় আৰু অতিক্ৰমণীয় বুলি গণ্য কৰা হয়। ইয়াৰ মূল্য নৈতিক আচৰণৰ পথ প্ৰদৰ্শন আৰু চূড়ান্ত অৰ্থ প্ৰদান কৰাৰ ক্ষমতাত পোৱা যায়। ইয়াৰ বিপৰীতে বৈজ্ঞানিক সত্য আকস্মিক আৰু অন্তৰ্নিহিত, পৰ্যবেক্ষণযোগ্য পৰিঘটনাৰ পৰা উদ্ভৱ হোৱা। ইয়াৰ মূল্য ইয়াৰ ভৱিষ্যদ্বাণীমূলক শক্তি আৰু ভৌতিক জগতখনক হেঁচা মাৰি ধৰিব পৰা আৰু বুজিব পৰা ক্ষমতাত নিহিত হৈ আছে। যেতিয়া কোনো বৈজ্ঞানিক তথ্যই ধৰ্মীয় গ্ৰন্থৰ আক্ষৰিক ব্যাখ্যাৰ বিৰোধিতা কৰে, তেতিয়া সন্দেহৰ সংস্কৃতিয়ে প্ৰকৃতিৰ বুজাবুজিক নবীকৰণ কৰাৰ ওপৰত জোৰ দিয়ে, আনহাতে বিশ্বাসৰ সংস্কৃতিয়ে প্ৰায়ে গ্ৰন্থখনৰ সংহতি বজাই ৰাখিবলৈ ৰূপক বা প্ৰসংগভিত্তিকভাৱে পুনৰ ব্যাখ্যা কৰাৰ প্ৰয়োজন হয়। উদাহৰণস্বৰূপে, আধুনিক ব্ৰহ্মাণ্ডবিজ্ঞানে সৃষ্টিৰ আখ্যানৰ কিছুমান আক্ষৰিক ব্যাখ্যাক প্ৰত্যাহ্বান জনায়, বিশ্বাসীসকলক অভিজ্ঞতাভিত্তিক তথ্যৰ সৈতে বিশ্বাসৰ মিলন ঘটাবলৈ বাধ্য কৰে, যিটো এই দুটা ক্ষেত্ৰৰ মাজৰ সীমা পৰিচালনাৰ অন্তৰ্নিহিত প্ৰক্ৰিয়া।

সামগ্ৰিকভাৱে ক'ব পাৰি যে ধৰ্ম আৰু বিজ্ঞানে সেয়েহে বাস্তৱৰ সৈতে মানুহৰ জড়িততাৰ বাবে পৰিপূৰক কিন্তু সুকীয়া পথ আগবঢ়ায়। ধৰ্মই বিশ্বাসক আঁকোৱালি লোৱাৰ জৰিয়তে স্থিৰতা, অৰ্থ আৰু সাম্প্ৰদায়িক পৰিচয়ক প্ৰতিপালন কৰে, 'কিয়' প্ৰশ্নৰ উত্তৰ প্ৰদান কৰে। বিজ্ঞানে সন্দেহৰ কঠোৰ প্ৰয়োগৰ জৰিয়তে অগ্ৰগতি, নিখুঁততা আৰু অভিযোজন ক্ষমতাক লাভান্বিত কৰে, 'কেনেকৈ' প্ৰশ্নৰ উত্তৰ দিয়ে। য'ত এটা ব্যৱস্থাই আনটোৰ স্থান বেদখল কৰিবলৈ চেষ্টা কৰিছে তাত ঐতিহাসিক উত্তেজনা বিদ্যমান যদিও ইয়াক সুকীয়া সাংস্কৃতিক পদ্ধতি হিচাপে স্বীকৃতি দিলে- এজনে প্ৰতিশ্ৰুতিক অগ্ৰাধিকাৰ দি আনটোৱে সমালোচনাক অগ্ৰাধিকাৰ দি- মানৱ জ্ঞান উৎপাদনৰ বিষয়ে অধিক চহকী বুজাবুজিৰ সুবিধা দিয়ে। মানৱ বুজাবুজিৰ বহুমুখী প্ৰচেষ্টাত দুয়োটাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে যদিও বেলেগ বেলেগ।

# বনভোজ স্থানৰ প্ৰতি জনসাধাৰণৰ সজাগতা

শীত ঋতু আগমনৰ লগে লগে অসমখনত সুকীয়া পৰিৱেশ এটাই বিৰাজ কৰে। যদিও বা বৰ্তমান লৈকে প্ৰাকৃতিক সম্পদ সমূহৰ কোনো ধৰণৰ বাধ্যবাধকতা দেখা পোৱা নাযায়। কিন্তু বছৰি মানুহে বনভোজৰ বাবে প্ৰাকৃতিক পৰিৱেশ সমূহত ভিৰ কৰাহি পৰিলক্ষিত হয়। অসমৰ পৰ্যটন প্ৰকল্প সমূহ গঢ়ি উঠিছে এইটো এটা লক্ষ্য জনক কথা কিন্তু তাৰ অনুপাতে কৰ্মী সকলৰ মাজত দায়িত্ব সংখ্যা নগণ্য ৰূপত হে দেখিবলৈ পোৱা যায়। প্ৰাকৃতিক সম্পদ ভাৰসাম্য ৰক্ষাৰ হেতুকে পৰ্যটন প্ৰকল্প সমূহে বিভিন্ন ধৰণৰ সহায়-সহযোগিতা পৰামৰ্শ দাতা আগবঢ়াইছে কিন্তু তাৰ সমান্তৰাল ভাৱে জনসাধাৰণৰ মাজত সেই সজাগতা বিচ্ছিন্ন ৰূপত ভাহি আহিছে। অসমত বনভোজ খাবৰ বাবে বহু স্থান আছে। কিন্তু এই স্থানবোৰৰ পৰ্যটনৰ দিশত বিশেষ বিকাশ হোৱা নাই। সৰু সৰু ঠাইবোৰতো বনভোজ খাবৰ বাবে এনে ঠাই আছে যে সেই ঠাইবোৰৰ প্ৰাকৃতিক পৰিৱেশৰ দিশৰ পৰা মনমোহা, পানীৰ উপযুক্ত ব্যৱস্থা আৰু অন্যান্য দিশত যাৱতীয় প্ৰয়োজনীয় সকলো আছে।

বনভোজথলীত এতিয়া সচৰাচৰ কিছু স্বাভাৱিক দৃশ্য দেখিবলৈ পোৱা যায়। এই দৃশ্যবোৰে মানুহক ব্যথিত কৰে। ইচ্ছা কৰিলে এনে বনভোজস্থলীসমূহ অতি সুন্দৰ ভাৱে সজাই পৰাই থ'ব পাৰি। কিন্তু এই স্থানসমূহত এনে এক কদৰ্য পৰিৱেশে বিৰাজ কৰে যে, আচলতে সেইবোৰ বালিভোজ নে আৱৰ্জনাৰ ভোজ সন্দেহ ৰৈ যায়। কোনো এটা দল বনভোজ খাবলৈ গ'লে সেই ঠাইৰ চৌপাশৰ পৰিৱেশ যাতে বিনষ্ট নহয় তাৰ প্ৰতি দৃষ্টি ৰখাটো প্ৰতিজন লোকৰে কৰ্তব্য। কিন্তু সচৰাচৰ দেখা পোৱা যায় যে তেনে ঠাই সমূহত সুৰাৰ বটল, প্লাষ্টিকৰ গ্লাছ-প্লেট, ৰৈ যোৱা ভাত-চব্জি-মাসং আদি পেলাই থৈ এক কদৰ্যময় পৰিৱেশৰ সৃষ্টি কৰাত বনভোজ খাবলৈ অহা দলবোৰেই প্ৰতিযোগিতাত নামে! অসম প্ৰাকৃতিক পৰিৱেশ আৰু প্ৰাকৃতিক সম্পদৰে চহকী এখন ৰাজ্য। ইচ্ছা গ'লেই যিকোনো স্থানতে বনভোজ খাব পৰাকৈ সুবিধা আছে ইয়াত। তদুপৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত বনভোজ খাব পৰাকৈ বহু ঠাই আছে। যিবোৰ ঠাইলৈ দৈনিক বহু বনভোজকাৰী দল আহে। তেনে স্থানবোৰত সাধাৰণতে ঠাইসমূহৰ পৰিষ্কাৰ পৰিচ্ছন্নতাৰ ওপৰত চকু দিবলৈ স্থানীয় লোকৰে এক নিৰীক্ষণৰ ব্যৱস্থা থাকিব লাগে। এই ক্ষেত্ৰত কিন্তু উদাস স্থানীয় প্ৰশাসন। কোনো এক স্থানত কেৱল এটা দলেই বনভোজ খাবলৈ নাযায়। এটা দল অহাৰ পাছত আন এটা দল সেই স্থানত বনভোজ খাবলৈ উপস্থিত হয়গৈ। কিন্তু কদৰ্যময় পৰিৱেশৰ বাবে সেই ঠাইসমূহৰ পৰিৱেশ এনে হৈ পৰে যে সেই স্থানত কোনো দলে বনভোজ খোৱাৰ আচল মাদকতা বিচাৰি নাপায়।

এনেদৰে বনভোজ খাবলৈ যোৱা দলসমূহৰ মাজত পাৰিপাৰ্শ্বিক পৰিৱেশৰ ওপৰত সচেতনতা বৃদ্ধিৰ বাবে যথেষ্ট কৰণীয় আছে। ভাৰতৰ অন্য প্ৰান্তত পৰ্যটকৰ সমাগম হোৱা স্থানসমূহত চৰকাৰে বিশেষ নীতি-নিৰ্দেশনা প্ৰয়োগেৰে সেই স্থানসমূহ দৰ্শনাৰ্থীৰ বাবে অতি গুৰুত্বপূৰ্ণৰূপে গঢ় দিয়াত চেষ্টাৰ কৃপণালি নকৰে। অসমৰ ক্ষেত্ৰত এই স্থানসমূহ অধিক গুৰুত্বপূৰ্ণ হোৱাৰ পাছতো স্থানীয় প্ৰশাসনে বিশেষ গুৰুত্ব দিয়া পৰিলক্ষিত নহয়। এই দিশত স্থানীয় প্ৰশাসনে বনভোজস্থলী সমূহক পৰ্যটনৰ এক উদ্যোগৰূপে গঢ় দিবলৈ চেষ্টা কৰি সুপৰিকল্পিত আঁচনি গ্ৰহণ কৰাৰ প্ৰয়োজন আছিল। এটা গোট বা দল গঠনৰ যোগেদি এটা অনুষ্ঠানৰ জড়িত ব্যক্তিসকলে অধিক ফলপ্ৰসূ ভাৱে বনভোজৰ স্থান, কাল, সম্ভাৱনীয়তা এইবোৰৰ ওপৰত নজৰ প্ৰদান কৰা উচিত।

অসমত পিকনিক স্পটৰূপে বহু স্থান গঢ় দি সেইবোৰত পৰ্যটনৰ দিশৰ পৰা উপযোগী হ'ব পৰাকৈ আন্তঃগাঁঠনি উন্নয়নৰ বহু অৱকাশ থকাৰ পাছতো কিহৰ বাবে এইবোৰ অৱহেলিত হৈ আছে ই এক ডাঙৰ প্ৰশ্ন ৰূপে বিবেচিত হৈছে।

পৰ্যটন বিভাগে এই স্থান সমূহৰ পৰা যথেষ্ট অৰ্থ সংগ্ৰহ কৰাৰ সুযোগ থকাৰ পাছতো এই সুযোগ বেছিভাগ বনভোজস্থলীতে গ্ৰহণ কৰা পৰিলক্ষিত নহয়। কিন্তু এই স্থানসমূহৰ বিকাশ আৰু উন্নয়নৰ ক্ষেত্ৰত সামান্য ধন বিনিয়োগ কৰিলেই ই এক উন্নত পৰ্যটন স্থলীৰূপে পৰিগণিত হ'ব। এই ক্ষেত্ৰত অসম চৰকাৰে পৰ্যটন ব্যৱস্থাপনাই মনোনিবেশ কৰাটো বাঞ্ছনীয়। এটা সফল অনুষ্ঠান গঢ়ি উঠাত এক লক্ষ্যৰ ইতিবাচকতা আছে।

নতুন বছৰৰ সময়ছোৱাত মানুহে প্ৰাকৃতিক পৰিৱেশৰ মাজত এসাজ খাব বিচাৰে। পৰিয়াল বা আত্মীয় স্বজনৰ সৈতে সেই স্থানসমূহত প্ৰাকৃতিক পৰিৱেশৰ মাজত বিলীন হৈ অন্তৰংগভাৱে এসাজ খোৱাৰ সেই মাদকতা সামান্য আন্তঃগাঁঠনি উন্নতকৰণে বিশেষ মাত্ৰা প্ৰদান কৰিব। তেনে ক্ষেত্ৰত উক্ত স্থানসমূহৰ বিকাশৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিলে পৰ্যটন বিভাগৰ উন্নয়ন সাধন হোৱাৰ লগতে বিভাগটোৰ ৰাজহ সংগ্ৰহত সুবিধা হ'ব। সেয়েহে এই দিশত অধিক মনোনিবেশেৰে ৰাজ্যৰ পৰ্যটন বিভাগে এনে বনভোজস্থলীসমূহ উৎকৰ্ষ সাধনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাটো অধিক প্ৰয়োজনীয় হৈ পৰিছে। সৰু ডাঙৰ এই পৰ্যটনস্থলীসমূহ বিকাশৰ ফলত এফালে পৰ্যটন বিভাগৰ ক্ষেত্ৰখন বৃদ্ধি পোৱাৰ লগতে আনফালে পৰিকল্পিতভাৱে এই বিভাগটোৰ পৰ্যটনৰ দিশত উৎকৰ্ষ সাধন হ'ব। এই ক্ষেত্ৰত জনসাধাৰণৰ মাজতো নৈতিকতা, পৰিৱেশ পাৰিপাৰ্শ্বিকতা নীতি সমূহে গা কৰি উঠিব লাগিব। কেৱল বনভোজৰ ঠাই এখনত এটা পৰ্যটন প্ৰকল্পৰ লগত জড়িত কৰ্মী সকলৰে কৰিব লগীয়া নাথাকে। তাৰ আনুষংগিক ভাৱে জনসাধাৰ কৰিব লগীয়া কৰণীয় কাম আছে। জনসাধাৰণৰ মাজতো সজাগতা, সচেতনতা জাগ্ৰত হোৱাটো বাঞ্ছনীয়। কেৱল বনভোজ খায় আনন্দ ফুৰ্তি কৰিলেই নহ'ব, এয়া পৰিপ্ৰেক্ষিতত বনভোজ ৰ ঠাইখিনি পৰিষ্কাৰ পৰিচ্ছন্নতা কৰি সংকটমূচন কৰি ৰখাটো কিন্তু সকলো বনভোজ প্ৰেমিৰে দায়িত্ব। এখন ঠাই পৰিষ্কাৰ মানেই এটা প্ৰাকৃতিক সম্পদ পৰিষ্কাৰ। আৰু ইয়াৰ জৰিয়তে প্ৰাকৃতিক উপজাতি সমূহৰো ৰক্ষণাবেক্ষণ হয়। জনসাধাৰণ আৰু প্ৰকৃতি প্ৰেমিৰ কৰণীয়তা বৃদ্ধিৰ ফলতেই বনভোজৰ পৰিক্ৰমা সমূহ আৰু আকৰ্ষণীয় ৰূপত দক্ষতা লাভ কৰিব।

যদিও বা অসমখন প্ৰাকৃতিক সম্পদেৰে চহকী কিন্তু তাৰ অনুপাতে প্ৰাকৃতিক সম্পদ সমূহক কিন্তু মূল্য দিয়াত যেন কৰবাত ব্যৰ্থ হৈ পৰে এয়া সকলোৰে বাবে এক চিন্তনীয় বিষয়। প্ৰাকৃতিক স্থান সমূহত বনভোজৰ আড্ডা চলে ঠিকেই কিন্তু ঠাই ডোখৰ কেৱল জাবৰ আৰু জাবৰে ভৰি পৰে। এই ক্ষেত্ৰত বনভোজ প্ৰেমীসকলে দৃষ্টি নিক্ষেপ কৰা উচিত। যিকোনো ঠাইত বনভোজৰ বাবে উপযুক্ত স্থলী আছে এয়া এক গৌৰৱৰ বিষয় কিন্তু তাক ব্যৱহাৰত কেৱল হতাশা আৰু নিৰাশাৰ থল, এটা সম্পদ জীৱিত ৰূপত ৰাখিবলৈ হ'লে সকলোৰে সহযোগিতা প্ৰয়োজন। বনভোজ স্থলীত আকৰ্ষণ বৰ্তি থাকিবলৈ আমাৰ কৰণীয় কাম খিনিৰ ওপৰত প্ৰধান্যতা দিয়াটো উচিত। এটা অঞ্চল সুৰক্ষিত আৰু নিৰ্ভৰযোগ্য কৰি তুলিবলৈ প্ৰতিজনে এই ক্ষেত্ৰত সামাজিক ভাৱে সবল হৈ উঠাৰ প্ৰয়োজন। যেতিয়াই সম্পদৰ অৰ্থ, উপলব্ধি কৰিবলৈ সক্ষম হ'ব তেতিয়াই বনভোজৰ বিৰল কৃতিত্বৰ সম্পৰ্কত উৎকৰ্ষ সম্ভৱ হ'ব।

পদ্ম মৰাণ

> যদিও বা অসমখন প্ৰাকৃতিক সম্পদেৰে চহকী কিন্তু তাৰ অনুপাতে প্ৰাকৃতিক সম্পদ সমূহক কিন্তু মূল্য দিয়াত যেন কৰবাত ব্যৰ্থ হৈ পৰে এয়া সকলোৰে বাবে এক চিন্তনীয় বিষয়। প্ৰাকৃতিক স্থান সমূহত বনভোজৰ আড্ডা চলে ঠিকেই কিন্তু ঠাই ডোখৰ কেৱল জাৱৰ আৰু জাৱৰে ভৰি পৰে।

# গুজৰাটত কেঞ্চাৰ কেয়াৰ ইণ্ডিয়াৰ সভাত নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মা

**অসম বাৰ্তা, নগাঁও, ২১ ডিচেম্বৰ ঃ** সুদুৰ গুজৰাটৰ জামনগৰত অনুষ্ঠিত কেঞ্চাৰ কেয়াৰ ইণ্ডিয়াৰ বাৰ্ষিক সভাত সংগঠনটোক নেতৃত্ব প্ৰদান কৰা নগাঁও জিলাৰ আয়ুক্ত দেৱাশিস শৰ্মাই অংশগ্ৰহণ কৰে। অনুষ্ঠানত নিজৰ সভাপতিৰ ভাষণ প্ৰদান কৰি শৰ্মাই কয় - আজি ইয়াত উপস্থিত সাহসী ব্যক্তিসকল আৰু উৎসৰ্গীকৃত সংগঠনসমূহৰ মাজত উপস্থিত থাকিবলৈ পাই মোৰ বাবে অপাৰ আনন্দ অনুভৱ কৰিছোঁ। আপোনালোকৰ উপস্থিতিয়ে মানুহৰ আত্মাৰ শক্তি আৰু সহানুভূতিক শক্তিক প্ৰমাণ কৰে। কেঞ্চাৰ কেৱল শৰীৰৰ ৰোগ নহয়, ই ধৈৰ্য্য, বিশ্বাস আৰু সমাজিক সংহতিক এটা পৰীক্ষা। প্ৰত্যেকজন ৰোগী, প্ৰতিটো পৰিয়াল, প্ৰতিজন যত্ন লোৱাটোৱেই ভয়ৰ ওপৰত সাহসৰ বিজয়ৰ উদাহৰণ। আপুনি দেখুৱাইছে যে আশা জীৱনীৰ আটাইতকৈ অন্ধকাৰ মুহূৰ্ত সমূহো উজ্জ্বলাই তুলিব পাৰে। ভাৰতে গৱেষণা, ৰোগ চিনাক্তকৰণ আৰু চিকিৎসাৰ ক্ষেত্ৰত উল্লেখযোগ্য অগ্ৰগতি সাধন কৰিছে। আমাৰ চিকিৎসক সকল আৰু বিজ্ঞানীসকল আৰু অধিক গৱেষণা আৰু উদ্ভাৱনৰ অভিযানত অহৰ্নিশে লাগি আছে, যাৰ ফলত ৰোগ চিনাক্তকৰণ অধিক সঠিক আৰু চিকিৎসা অধিক ফলপ্ৰসু হৈ উঠিছে। দেশৰ বিভিন্ন ঠাইত আঞ্চলিক কেঞ্চাৰ কেন্দ্ৰও স্থাপন কৰা হৈছে। ন্যাশনেল কেঞ্চাৰ গ্ৰিড, "আয়ুষ্মান ভাৰত" কাৰ্যসূচী- যাৰ জৰিয়তে আমি সকলোৱে জানো, প্ৰতিবছৰ ৫ লাখ টকা অৰ্থনৈতিকভাৱে পিছপৰা ৰোগীক সহায় ৰূপে প্ৰদান কৰা হয়- এইধৰণৰ ব্যৱস্থা প্ৰায় সাত বছৰ আগলৈকে আমাৰ দেশত কল্পনাৰ বাহিৰত আছিল। দেশৰ এইটো নিশ্চয় এটা উল্লেখযোগ্য অগ্ৰগতি। কিন্তু PHP (HPV) ভেক্সিন প্ৰশাসন কৰা, বিশেষকৈ দৰিদ্ৰ লোকসকললৈ পোহৰ ধৰাটো এতিয়াও বহুত ডাঙৰ চেলেঞ্জ হিচাপে আছে। যদিও ভেক্সিনৰ দাম অৰ্ধেক হৈছে, তথাপিও ১২০০ টকা বহুতৰে বাবে বহনযোগ্য নহয়। সেয়ে আমাৰ দৰে সংগঠনসমূহে ইয়াৰ বাবে কাম কৰিব লাগিব। গ্ৰাম্য পৰ্যায়তে কাৰ্যকৰী কেঞ্চাৰ সেৱা নিশ্চিত কৰাৰ বাবে স্থানীয় স্বাস্থ্যকৰ্মীসকলক জালবন্দী কৰা আৰু সমাজিক অংশগ্ৰহণ নিশ্চিত কৰাৰ এক তীব্ৰ প্ৰয়োজন অনুভৱ কৰা গৈছে। ইয়াৰ জৰিয়তে আগতীয়াকৈ ৰোগ ধৰা পৰা, ৰেফাৰেল পথ প্ৰস্তুত কৰা আৰু চিকিৎসা শেষৰ পাছতো স্ব-সহায় গোট, শেষ জীৱনৰ যত্ন (end of life care) আদি বিষয়সমূহ সুদৃঢ় হ'ব। আৰু এটা অত্যন্ত গুৰুত্বপূৰ্ণ বিষয়ে হ'ল- ৰোগীৰ চিকিৎসা-সংক্ৰান্ত সিদ্ধান্ত। ইয়াত ৰোগী, তেখেতৰ আত্মীয়-স্বজন, যত্ন লোৱাই, মনোবিজ্ঞানী আৰু সমাজকৰ্মী- সকলো মিলি একেলগে আলোচনাৰ মাধ্যমে সিদ্ধান্ত লৈব পাৰিবলৈ ব্যৱস্থা থাকিব লাগিব। বহু সময়তে দেখা যায়, কিছুমান ৰোগীয়ে কেমোথেৰাপী নল'ব বুলি সিদ্ধান্ত লয়। কিছুমান সময়ত ৰোগীয়ে ইমিউনোথেৰাপী নকৰে, কিয়নো ইমিউনোথেৰাপীৰ এটা ড'জ বা কিছুমান ড'জৰ খৰচ প্ৰতিমাহে প্ৰায় ১ লাখ টকা হ'ব পাৰে। যদি ডাক্তৰে কয়, "এইটোহে একমাত্ৰ ঔষধ", আৰু ফলাফল সম্পূৰ্ণ নিশ্চিত নোহোৱাকৈ ১০০ শতাংশ আশ্বাস দিয়া নাযায়, তেন্তে বহুতে বাধ্য হৈ নিজৰ ঘৰ-দুৱাৰ, মাটি -সম্পত্তিও বিক্ৰী কৰে। আমাৰ অভিজ্ঞতাত এনে বহু কেইটা উদাহৰণ দেখা গৈছে য'ত চিকিৎসকৰ এইধৰণৰ মন্তব্য শুনি পুত্ৰ-কন্যা বা আত্মীয়সকলে ৰোগীক জীয়াই ৰাখিবলৈ ধন-সম্পত্তি বিক্ৰী কৰিবলৈ সাজু হয়। সেয়ে এইবোৰ অত্যন্ত সচেতন সিদ্ধান্ত, আৰু সম্পূৰ্ণ প্ৰক্ৰিয়াটো ৰোগী-কেন্দ্ৰিক হোৱাটো অত্যাবশ্যক। সেয়ে সকলো ৰোগী আৰু যত্ন লোৱা সকলক লক্ষ্য কৰি ক'ব বিচাৰোঁ যে- আপুনি সদায় সন্মানীয়, আপোনাৰ ভিতৰতে শক্তি আছে, আৰু সেই শক্তিয়ে আমাক প্ৰেৰণা দিয়ে।

## জলজীৱন আঁচনিৰ বিফলতা আৰু দুৰ্নীতিৰ তদন্ত দাবী

# মাজুলীত কংগ্ৰেছ দলৰ ধৰ্ণা কাৰ্যসূচী




**অসম বাৰ্তা, মাজুলী, ২১ ডিচেম্বৰ ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ নিৰ্দেশ মৰ্মে মাজুলী জিলা কংগ্ৰেছৰ আহ্বানত মাজুলী ব্লক কংগ্ৰেছ কমিটিৰ উদ্যোগত আজি মাজুলী জিলা সদৰ গড়মূৰত শাসকীয় চৰকাৰৰ বিশুদ্ধ খোৱাপানী যোগান আঁচনিৰ জলজীৱন আঁচনিৰ বিফলতা আৰু দুৰ্নীতিৰ প্ৰতিবাদত ধৰ্ণা কাৰ্যসূচী পালন কৰে। দিনৰ ১২ বজাত গড়মূৰস্থিত ৰাজীৱ ভৱনৰ পৰা উলিওৱা প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচীত উপস্থিত থাকে সাংসদ গৌৰৱ গগৈ, অসম প্ৰদেশ কংগ্ৰেছৰ সম্পাদক বিকাশ উপাধ্যায়, প্ৰাক্তন মন্ত্ৰী ৰাজীৱ লোচন পেগু, জিলা কংগ্ৰেছৰ সভাপতি অমল পূজাৰী প্ৰমুখ্যে প্ৰাক্তন সভাপতি হিতেশ্বৰ বৰা, দধীৰাম বৰুৱা, উপ-সভাপতি জীৱন দলে প্ৰমুখ্যে যুৱ কংগ্ৰেছ, মহিলা কংগ্ৰেছ, সেৱা দলৰ কৰ্মী সকলে। প্ৰতিবাদকাৰী দল ৰাজীৱ ভৱনৰ পৰা গড়মূৰ তিনিআলিৰ পৰা ঘূৰি আহি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত চৰকাৰ বিৰোধী বিভিন্ন শ্ল'গানেৰে উত্তাল কৰি তোলে। প্ৰতিবাদকাৰী সকলে বিজেপি চৰকাৰ হায় হায়, মুখ্যমন্ত্ৰী হায় হায়, জয়ন্ত মল্ল বৰুৱা মূৰ্দাবাদ, জলজীৱন আঁচনিত হোৱা দুৰ্নীতিৰ তদন্ত কৰক আদি শ্ল'গানেৰে জিলা সদৰ উত্তাল কৰে। প্ৰতিবাদত অংশগ্ৰহণ কৰা সাংসদ গৌৰৱ গগৈয়ে বিশুদ্ধ খোৱা পানী যোগানৰ নামত কোটি-কোটি টকা লুণ্ঠন হোৱা বুলি উল্লেখ কৰে। তেওঁ বিজেপি চৰকাৰৰ এই আঁচনি এক কলংকিত আঁচনি বুলি কৈ মুখ্যমন্ত্ৰীয়ে এইবোৰ দেখা নাই নেকি বুলি প্ৰশ্ন কৰে। তেওঁ শিক্ষাৰ ক্ষেত্ৰত বিদ্যালয় নাই, ল'ৰা-ছোৱালীৰ চাকৰি নাই, গড়াখহনীয়া প্ৰতিৰোধৰ নামত কোটি কোটি টকা লুণ্ঠন চলাইছে। আজি ৰাইজৰ পানী খাবলৈ নাই। কিন্তু মন্ত্ৰীৰ দুৰ্নীতি মুখ্যমন্ত্ৰীয়ে কিয় নেদেখে বুলি প্ৰশ্ন কৰি এই কথাবোৰ ৰাইজৰ হৈ সজোৰে উত্থাপন কৰিব লাগিব বুলি কয়। দেশৰ প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়াই মুখ্যমন্ত্ৰীৰ কথা শুনিব নে ৰাইজৰ কথা শুনিব বুলিও প্ৰশ্ন কৰি চৰকাৰৰ জলজীৱন আঁচনিৰ বিৰুদ্ধে সোচ্চাৰ হৈ পৰে। **দল-সংগঠনৰ প্ৰতিনিধিৰে মত-বিনিময়ঃ** সাংসদ গৌৰৱ গগৈয়ে আজি বিয়লি দুই বজাত গড়মূৰ চাৰিআলিৰ এনচানটিং ল'জত জিলাখনৰ দল-সংগঠনৰ বিষয়ববীয়াৰে মাজুলী বিভিন্ন দিশ সম্পৰ্কে মতবিনিময় কৰে। ২০২৬ৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলৰ নিৰ্বাচনী ইস্তাহাৰত মাজুলীৰ হৈ দিবলগীয়া বিভিন্ন সমস্যা আদিৰ বিষয়ে বুজ লৈ আগন্তুক দিনত মাজুলীৰ উন্নয়নৰ বাবে কংগ্ৰেছ দলে কাম কৰিব বুলি মতবিনিময় অনুষ্ঠানত প্ৰতিনিধি সকলক অৱগত কৰে। বিয়লি সাংসদ গৰাকী সতীৰ্থ সহ মাজুলীত হৈ থকা শিশু ভাওনা সমাৰোহত অংশগ্ৰহণ কৰি মাজুলীৰ পৰা সাংসদ গৰাকী ৰাওনা হয়।

# অন্ত পৰিল কাছাৰীপেটী উচ্চ মাধ্যমিক বিদ্যালযত বছৰেকীয়া খেল-ধেমালি

**অসম বাৰ্তা, লেংটিছিঙা, ২১ ডিচেম্বৰ ঃ** কাছাৰীপেটী উচ্চ মাধ্যমিক বিদ্যালয়ৰ বছৰেকীয়া খেল-ধেমালিৰ অনুষ্ঠানৰ আজি সফলভাৱে সম্পন্ন হৈ অন্ত পৰে। ১৭ ডিচেম্বৰ তাৰিখৰ পৰা আৰম্ভ হোৱা এই তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰ সামৰণি অনুষ্ঠান আজি উৎসৱমুখৰ পৰিৱেশত অনুষ্ঠিত হয়। বিদ্যালয় চৌহদত আয়োজিত খেল-ধেমালি অনুষ্ঠানটোত কণকণ ছাত্ৰ-ছাত্ৰী সকলৰ শাৰীৰিক, মানসিক আৰু সৃজনশীল বিকাশৰ উদ্দেশ্য বিভিন্ন প্ৰতিযোগিতা আৰু কাৰ্য্যসূচী অন্তৰ্ভুক্ত কৰা হয়। অনুষ্ঠানৰ আবৃত্তি প্ৰতিযোগিতা, একক নৃত্য, দলীয় নৃত্য, সংগীত প্ৰদৰ্শন বিভিন্ন খেল-ধেমালি আৰু মানসিক দক্ষতা বিকাশমুলক কাৰ্য্যসূচীয়ে বিদ্যালয় চৌহদক আনন্দ-উল্লাসেৰে মুখৰিত কৰি তোলে। প্ৰতিদিনে ছাত্ৰ-ছাত্ৰী সকলৰ উৎসাহ উদ্দীপনাৰে অংশগ্ৰহণে অনুষ্ঠানটোক অধিক সাফল্যমণ্ডিত কৰি তোলে। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা শিক্ষাৰ্থী সকল আত্মবিশ্বাস, সৃজনশীলতা আৰু প্ৰতিভা স্পষ্টভাৱে পৰিলক্ষিত হয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক জেহেৰুল ইছলাম নেতৃত্বত আৰু শিক্ষক-শিক্ষয়িত্ৰী সকলৰ সক্ৰিয় প্ৰতিযোগিতাত খেল-ধেমালি অনুষ্ঠানটো সুচাৰুৰূপে পৰিচালনা কৰা হয়। সামৰণি অনুষ্ঠানত অংশগ্ৰহণকাৰী সকলো ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰিবলৈ বিজয়ী আৰু অংশগ্ৰহণকাৰী সকলক প্ৰদান কৰা হয়। শেষত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ ফালৰ পৰা এই ধৰণৰ বছৰেকীয়া খেল-ধেমালি অনুষ্ঠান ছাত্ৰ-ছাত্ৰী সকলৰ সামগ্ৰিক বিকাশৰ বাবে অতি প্ৰয়োজনীয় বুলি উল্লেখ কৰি ভৱিষ্যতেও এই ধৰণৰ কাৰ্যসূচী অব্যাহত ৰাখিব বুলি আশাবাত ব্যক্ত কৰে।

## কামৰ সন্ধানত যাওঁতেই ঘটিল অঘটন

# অন্ধ্ৰপ্ৰদেশৰ ৰে'ল ষ্টেচনৰ পৰা নিৰুদ্দেশ ডিমৌৰ যুৱক

**অসম বাৰ্তা ডিমৌ, ২১ ডিচেম্বৰ ঃ** বহিঃৰাজ্যলৈ কামৰ সন্ধানত গৈ পুনৰ এগৰাকী অসমীয়া যুৱক নিৰুদ্দেশ হোৱা ঘটনাই ডিমৌ অঞ্চলত চাঞ্চল্যৰ সৃষ্টি কৰিছে। নিৰুদ্দেশ হোৱা ব্যক্তিজন ডিমৌ বৰগাঁও বামৰজাবাৰীৰ প্ৰদীপ মৃধা (বেতন) বুলি চিনাক্ত কৰা হৈছে। পৰিয়ালৰ লোকে জনোৱা মতে, প্ৰদীপ মৃধাই গাঁৱৰে কেইজনমান বন্ধুৰ সৈতে বাংগালুৰু লৈ কাম কৰিবলৈ গৈ আছিল। কিন্তু যাত্ৰাপথত অন্ধ্ৰপ্ৰদেশৰ ৰেনুগুণ্টা (Renigunta) ৰে'ল ষ্টেচনৰ পৰা তেওঁ হঠাতে নিৰুদ্দেশ হয়। বন্ধুৰ দলটোৱে বহু বিচাৰ-খোচৰ কৰিও প্ৰদীপৰ কোনো সন্ধান নোলোৱাত পৰিয়ালক খবৰ দিয়ে। ইফালে, ঘৰৰ উপাৰ্জনকাৰী ব্যক্তিজনৰ এনেদৰে অচিনাকি ঠাইৰ পৰা নিখোজ হোৱা খবৰে পৰিয়ালটোলৈ দুশ্চিন্তা নমাই আনিছে। বৰ্তমানলৈকে তেওঁৰ কোনো শুংসূত্ৰ লাভ কৰা হোৱা নাই। কোনো হৃদয়ালু ব্যক্তিয়ে ব্যক্তিজনৰ সন্ধান পালে নিকটৱৰ্তী আৰক্ষী থানা অথবা পৰিয়ালৰ সৈতে যোগাযোগ কৰিবলৈ কাতৰ আহ্বান জনাইছে অসহায় পৰিয়ালটোৱে।

## ৬-৮ ফেব্ৰুৱাৰীলৈ শিৱসাগৰত হ'ব ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱ-২০২৬

# ডুমডুমাৰ প্ৰতিভাৱান যুৱ কবি বিকিয়ান বাইলুঙলৈ সৃজনীশীল সাহিত্য বঁটা 'ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱ'ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২১ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাৰ প্ৰতিভাৱান যুৱ কবি বিকিয়ান বাইলুঙলৈ ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱে আগবঢ়াইছে সন্মানীয় সৃজনীশীল সাহিত্য বঁটা (কবিতা)। ৰাজ্যৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক সংস্থা 'আধাৰশিলা'ৰ উদ্যোগত অহা ৬-৮ ফেব্ৰুৱাৰীলৈ শিৱসাগৰত অনুষ্ঠিত হ'বলগীয়া 'ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱ-২০২৬' ত কবি বিকিয়ান বাইলুঙক এই বঁটা প্ৰদান কৰা হ'ব। সাহিত্য, সঙ্গীত আৰু মানৱীয় অভিজ্ঞতাৰ অবিস্মৰণীয় উৎসৱত ভাৰতবৰ্ষৰ লগতে চুবুৰীয়া দেশ আৰু বিশ্বৰ আন আন ঠাইৰ বহুতো জনপ্ৰিয় কবি, সংগীতজ্ঞ, চিন্তাবিদ আৰু শিল্পীয়ে অংশগ্ৰহণ কৰিব। উল্লেখ্য যে, ১৯৯৬ চনৰ ৯ আগষ্টত জন্মগ্ৰহণ কৰা বিকিয়ান বাইলুং এগৰাকী



ৰসায়ন বিজ্ঞানৰ স্নাতক। স্থানীয় ডুমডুমা মহাবিদ্যালয়ৰ পৰা প্ৰথম বিভাগত স্নাতক ডিগ্ৰী লাভ কৰা বিকিয়ান বাইলুঙ বৰ্তমান IGNOU ৰ অধীনত স্নাতকোত্তৰ শ্ৰেণীত অধ্যয়নৰত। পঞ্চম শ্ৰেণীত পঢ়ি থকা অৱস্থাত আগশাৰীৰ আলোচনী 'সঁফুৰা'ত তেওঁৰ প্ৰথম কবিতা প্ৰকাশ পাইছিল। বিকিয়ান বাইলুঙৰ কেইবাটাও প্ৰবন্ধ আৰু কবিতা সঁফুৰা, তৃষ্ণাতুৰ, সাতসৰী, গৰীয়সী, প্ৰান্তিক আদি আলোচনীৰ উপৰিও আমাৰ অসম, দৈনিক জনমভূমি, তিনিদিনীয়া অগ্ৰদূত আদি কাকততো প্ৰকাশ পাইছে। তেওঁৰ প্ৰথম কাব্য সংকলন 'বৌদ্ধিক আমলখি' ২০২৪ বৰ্ষৰ ডিচেম্বৰ মাহত প্ৰকাশ পাইছিল। কলেজীয়া জীৱনৰ পৰাই নিয়মীয়াকৈ সাহিত্য চৰ্চা কৰি অহা বিকিয়ান বাইলুং এগৰাকী জনপ্ৰিয় শিক্ষকো। স্থানীয় ৰূপাই চাইডিং অঞ্চলৰ মাতৃভাষা মাধ্যমৰ অগ্ৰণী শিক্ষানুষ্ঠান ৰূপাই জাতীয় বিদ্যালয়ৰ বিজ্ঞান শিক্ষক বিকিয়ান বাইলুঙলৈ ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱে সন্মানীয় সৃজনীশীল সাহিত্য বঁটা (কবিতা) আগবঢ়োৱা খবৰত ৰূপাই-ডুমডুমাৰ বিদ্বৎ মহলে আনন্দ প্ৰকাশ কৰিছে। সাহিত্যিক মহলেও এই ক্ষেত্ৰত সন্তুষ্টি ব্যক্ত কৰিছে। উল্লেখ্য যে, উক্ত বঁটাত আছে এক লাখ টকাৰ মাননি।

বাংলাদেশৰ প্ৰধান উপদেষ্টা মহম্মদ ইউনিছ খানৰ পুত্তলিকা দাহন প্ৰতিবাদকাৰীৰ

# বাংলাদেশত হিন্দু হত্যাৰ বিৰুদ্ধে বিজনীত ৰাষ্ট্ৰীয় বজৰংগ দলৰ উত্তাল প্ৰতিবাদ



**অসম বাৰ্তা, বিজনী, ২১ ডিচেম্বৰ ঃ** চিৰাঙৰ বিজনী চহৰৰ সমন্বয় চাৰিআলিত আজি সন্ধিয়াৰ ভাগত ৰাষ্ট্ৰীয় বজৰংগ দলৰ চিৰাং জিলা কমিটিৰ উদ্যোগত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বাংলাদেশত ধৰ্মীয় উন্মাদনাই চূড়ান্ত ৰূপ ধাৰণ কৰি দীপু চন্দ্ৰ দাস নামৰ এজন যুৱকক নিৰ্মমভাৱে আক্ৰমণ কৰি জীৱন্ত অৱস্থাত জ্বলাই দিয়া কাৰ্যৰ বিৰোধিতাৰে ৰাষ্ট্ৰীয় বজৰংগ দলৰ কৰ্মীয়ে উত্তাল কৰি তোলে বিজনী চহৰ। প্ৰতিবাদকাৰী সকলে বাংলাদেশৰ উপদেষ্টা মহম্মদ ইউনিছ খানৰ পুত্তলিকা দাহন কৰাৰ উপৰিও হিন্দুৰ সুৰক্ষা দিয়াত ভাৰত চৰকাৰ ব্যৰ্থ বুলি অভিযোগ তুলি বিজেপি শাসিত কেন্দ্ৰ ৰাজ্য চৰকাৰৰ বিৰুদ্ধে শ্লোগান প্ৰদান কৰে। আনহাতে বাংলাদেশত হিন্দুৰ ওপৰত এই অত্যাচাৰৰ পিছতো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নীৰৱ ভূমিকাৰ বাবে তীব্ৰ ক্ষোভ উজাৰে প্ৰতিবাদকাৰী সকলে।

## মানৱ সম্পদ গঢ়াত বলিষ্ঠ ভূমিকা পালন

# চাপানালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা পাৰুল গায়নলৈ বি আৰ আম্বেদকাৰ ৰাষ্ট্ৰীয় বঁটা

## সামাজিক-সাংস্কৃতিক কাম কাজৰ বাবে এই বঁটা

**অসম বাৰ্তা, পুৰণিগুদাম, ২১ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ চাপানালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা পাৰুল গায়নে লাভ কৰিছে বি আৰ আম্বেদকাৰ ৰাষ্ট্ৰীয় বঁটা। যোৱা ১৩ ডিচেম্বৰত নতুন দিল্লীৰ ৰাজেন্দ্ৰ ভৱনত অনুষ্ঠিত হোৱা এক গাম্ভীৰ্যপূৰ্ণ সভাত গায়নক এই বঁটা প্ৰদান কৰে লোকসভাৰ প্ৰাক্তন অধ্যক্ষা মীৰা কুমাৰ আৰু বিহাৰ চৰকাৰৰ মন্ত্ৰী সঞ্জীৱ ধাৱানে। উক্ত বঁটাত এখন মানপত্ৰ, স্মাৰক আৰু অন্যান্য সামগ্ৰী প্ৰদান কৰে গায়নক। উল্লেখযোগ্য যে, ১৯৮৮ চনত চাপানালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সহকাৰী শিক্ষক হিছাপে যোগদান কৰি সেই বিদ্যালয়তে ২০১২ চনৰ পৰা ভাৰপ্ৰাপ্ত অধ্যক্ষাৰ দায়িত্ব লৈ ২০১৭ চনত একেখন বিদ্যালয়তে স্থায়ী অধ্যক্ষৰ আসন অলংকৃত কৰা পাৰুল গায়নৰ আছে সাহিত্য, সংস্কৃতিৰ দিশত বিশেষ অৱদান। পুৰণিগুদাম গায়ন-





বৈৰাগী গাঁৱৰ বাসিন্দা পাৰুল গায়ন পুৰণিগুদামৰ সমাজ জীৱনৰ লগত বিশেষভাৱে জড়িত। ইফালে, নগাঁও জিলাৰ অতি ভিতৰুৱা অঞ্চল তথা চাহ জনজাতি লোকৰ বসতিপ্ৰধান চাপানালাৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান চাপানালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত মানৱ সম্পদ গঢ় দিয়াত এক দীঘলীয়া সময় কাম কৰাৰ বাবে তেওঁ এই বঁটাৰ বাবে নিৰ্বাচিত হৈছে। প্ৰণিধানযোগ্য যে, আজিকালি শিক্ষক পদত নিযুক্তি লাভ কৰাৰ পিছত সৰহসংখ্যকেই সুবিধাজনক স্থানত নিযুক্তি লাভ কৰাৰ প্ৰয়াস কৰে। ইয়াৰ বিপৰীতে পাৰুল গায়নে দুৰ্গম বাট-পথেৰে যাতায়ত কৰি বিদ্যালয়খনত আজি বহুবছৰে শিক্ষকতাৰ দৰে পবিত্ৰ বৃত্তি পালন কৰি আহিছে। শিক্ষকতাক জীৱনৰ জপ্‌তপ্ আৰু ব্ৰত হিচাপে বাচি লৈ নিজকে আত্মনিয়োগ কৰা এইগৰাকী শিক্ষয়িত্ৰীয়ে বি আৰ আম্বেদকাৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰাৰ বাবে অঞ্চলটোৰ ৰাইজ উৎফুল্ল হৈ পৰিছে।

# মৰিগাঁৱত তিনি ধৰ্ষণকাৰীক পক'চ আদালতৰ সশ্ৰম কাৰাদণ্ডৰ লগতে আৰ্থিক জৰিমনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২১ ডিচেম্বৰ ঃ** মৰিগাঁও পক'চ আদালতে আজি জিলাখনৰ তিনি জঘণ্য ধৰ্ষণকাৰীক সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিছে। এই ধৰ্ষণকাৰী কেইটা ক্ৰমে জিলাখনৰ ভূৰাগাঁৱৰ কুবেদ আলী, লাহৰীঘাটৰ ৰজনী দৈমাৰী আৰু অতুল বৰা। প্ৰাপ্ত তথ্য মতে ভূৰাগাঁৱৰ কুবেদ আলীৰ বিৰুদ্ধে সাত বছৰ পূৰ্বে অঞ্চলটোত এক জঘণ্য ধৰ্ষণকাণ্ড সংঘটিত কৰাৰ অভিযোগত ভূৰাগাঁও আৰক্ষী থানাত ৯৯/২০১৮ নম্বৰত, লাহৰীঘাটৰ ৰজনী দৈমাৰী আৰু অতুল বৰাৰ বিৰুদ্ধে চাৰিবছৰ পূৰ্বে অনুৰূপ ধৰ্ষণকাণ্ড সংঘটিত কৰাৰ অভিযোগত লাহৰীঘাট আৰক্ষী থানাত ৮৮৮/২০২১ আৰু ৮২/২০২২ নম্বৰত একোটাকৈ গোচৰ ৰুজু কৰা হৈছিল। এই গোচৰ কেইটাৰ তদন্তৰ প্ৰতিবেদন আৰু অভিযোগনামা আৰক্ষীয়ে মৰিগাঁও পক'চ আদালতত দাখিল কৰিছিল। তদন্তৰ প্ৰতিবেদন আৰু অভিযোগনামাৰ ভিত্তিত মৰিগাঁও পক'চ আদালতে বিচাৰ প্ৰক্ৰিয়া চলাই আজি মৰিগাঁৱৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশ তথা পক'চ আদালতৰ বিশেষ ন্যায়াধীশ ৰিণী ভড়ালীৰ আদালতে ধৰ্ষণ কাণ্ডৰ অপৰাধী ভূৰাগাঁৱৰ কুবেদ আলীক ভাৰতীয় দণ্ডবিধিৰ ৩৭৬ ধাৰাত দোষী সাব্যস্ত কৰি ২০ বছৰ সশ্ৰম কাৰাদণ্ড আৰু ১৫ হাজাৰ টকাৰ আৰ্থিক জৰিমনা আৰু লাহৰীঘাটৰ ৰজনী দৈমাৰীক পক'চ আইনৰ ৬ ধাৰাত দোষী সাব্যস্ত কৰি ২০ বছৰ আৰু ভাৰতীয় দণ্ডবিধিৰ ৩৭৬ ধাৰাত ১০ বছৰ সশ্ৰম কাৰাদণ্ডৰ আদেশ জাৰি কৰে। আনহাতে লাহৰীঘাটৰে অতুল বৰাক পক'চ আইনৰ ৮ ধাৰাত দোষী সাব্যস্ত কৰি একেখন আদালতে চাৰি বছৰ কাৰাদণ্ডৰে দণ্ডিত কৰিছে।

# শাস্ত্ৰীয় বাঁহীৰ সুৰৰ প্ৰতিধ্বনিত মুখৰিত গুৱাহাটীৰ উজানবজাৰস্থিত বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰ



**অসম বাৰ্তা, জাঁজী, ২১ ডিচেম্বৰ ঃ** গুৱাহাটীত আজিৰ পৰা অনুষ্ঠিত হৈছে অসমৰ প্ৰসিদ্ধ স্বেচ্ছাসেৱী অনুষ্ঠান ইত্যাদি উত্তৰ-পূৰ্বাঞ্চল সাংস্কৃতিক মঞ্চৰ উদ্যোগত আৰ্ন্তৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বাঁহীবাদক পণ্ডিত ৰাজেন্দ্ৰ প্ৰসন্নৰ তত্ত্বাৱধানত দুদিনীয়া শাস্ত্ৰীয় বাঁহীৰ কৰ্মশালা 'প্ৰতিধ্বনি-২০২৫'ৰ। অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত অনুষ্ঠিত আৰু আৰ্ন্তৰাষ্ট্ৰীয় বাঁহীবাদক দীপক শৰ্মাৰ সোঁৱৰণত উৎসৰ্গিত দুদিনীয়া কৰ্মশালাত আজি পুৱা ১০:৩০ বজাত বন্তিপ্ৰজ্বলনৰে শুভাৰম্ভ কৰে তেওঁৰ সহধৰ্মিনী জীনা শৰ্মা আৰু পণ্ডিত ৰাজেন্দ্ৰ প্ৰসন্ন গুৰুজীয়ে। লগতে সহযোগ কৰে ইত্যাদি মঞ্চৰ ৰাজ্যক অধ্যক্ষা ড° শিখামনি বেজবৰুৱা গোস্বামী, আৰু উপসভাপতি মনাছুমী শইকীয়াই আৰু চিন্তামনি বেজবৰুৱাই। ইয়াৰোপৰি পুৱা ১১ বজাৰ পৰা বিয়লি ৫ বজালৈ উক্ত কৰ্মশালাত অংশগ্ৰহণ কৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে পশ্চিমবংগৰ অৰ্ধ শতাধিক প্ৰশিক্ষাৰ্থীয়ে। কাইলৈ দ্বিতীয় দিনা অৰ্থাৎ ২১ ডিচেম্বৰ তাৰিখে সন্ধিয়া ৫:৩০ বজাৰ পৰা অনুষ্ঠিত হ'ব গুৰুজীৰ বাঁহী বিশেষ সাংস্কৃতিক সন্ধিয়া। লগত তবলা সংগত কৰিব খ্যাতনামা তবলাবাদত কৌশিক কোঁৱৰে। মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসমৰ বিভিন্ন ক্ষেত্ৰৰ বহু কেইজন গণ্যমান্য ব্যক্তি। ইত্যাদি মঞ্চৰ হৈ সমূহ বাঁহী আৰু শাস্ত্ৰীয় সংগীত অনুৰাগীক উপস্থিত থাকিবলৈ আহ্বান জনাইছে বাঁহীবাদক দেৱকিশোৰ গোস্বামী, অংকৃত গগৈ আৰু আন আন আহ্বায়ক সকলে।

# গোলাঘাট শাখা সাহিত্য সভাৰ কুঁহি অনুষ্ঠান সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২১ ডিচেম্বৰ ঃ** গোলাঘাট শাখা সাহিত্য সভাৰ কুঁহি উপ-সমিতিৰ উদ্যোগত বিগত কিছুদিন ধৰি বিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চলি থকা অসমীয়া ভাষা সম্পৰ্কীয় প্ৰতিযোগিতাসমূহৰ সামৰণি অনুষ্ঠান আজি কুশল কোঁৱৰ বাল্যভৱন বিদ্যালয়ত অনুষ্ঠিত হয়। উপ-সমিতিখনৰ আহ্বায়ক পদ্মাৱতী বৰাই আঁত ধৰা অনুষ্ঠানটিত সভাপতিত্ব কৰে শাখাৰ সভাপতি ৰাজিদুৰ ৰহমানে। গোলাঘাট জিলা সাহিত্য সভাৰ সভাপতি বন্তি বৰাই সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি শাখা সাহিত্য সভাৰ প্ৰচেষ্টাৰ শলাগ লয় আৰু অসমীয়া ভাষা সাহিত্যৰ চৰ্চা আৰু প্ৰসাৰৰ বাবে এনেবোৰ কাৰ্যসূচীৰ গুৰুত্ব সম্পৰ্কে বিস্তৃত ব্যাখ্যা কৰে। অনুষ্ঠানত ইতিমধ্যে ভিন ভিন বিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা প্ৰতিযোগিতাসমূহৰ বিজেতাসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। বিজেতা ছাত্ৰ-ছাত্ৰীসকল আছিল হাতৰ আখৰ প্ৰতিযোগিতাত প্ৰথম আফ্ৰিন ৰহমান, মহাত্মা বাল্য ভৱন, দ্বিতীয় কৌশিক কলিতা, মহাত্মা বাল্য ভৱন আৰু তৃতীয় কৌশিক গগৈ, চেলেঙী প্ৰাথমিক বিদ্যালয়। বানান প্ৰতিযোগিতা প্ৰথম সুমিত্ৰা দত্ত, কুশল কোঁৱৰ বাল্য ভৱন, দ্বিতীয়, ৰাছিমা চুলতানা মহাত্মা বাল্য ভৱন আৰু তৃতীয় সিদ্ধি সিং, কুশল কোঁৱৰ বাল্য ভৱন। শ্ৰুতলিপি প্ৰতিযোগিতাত প্ৰথম আদিত্য গগৈ, দ্বিতীয় তনুস্কা প্ৰিয়া হাজৰিকা আৰু তৃতীয় কিমচিওলিং খংকায়, আটাইকেইজন মিছন প্ৰাথমিক বিদ্যালয়ৰ। অনুষ্ঠানত বিশিষ্ট শিল্পী অমি সন্দিকৈয়ে নিজ বক্তব্যত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ হকে ন্যায় কামনা কৰে আৰু গগনা পৰিবেশন কৰি সকলোকে আপ্লুত কৰে। কুশল কোঁৱৰ বাল্য ভৱনৰ ছাত্ৰী আৰু মহাত্মা বাল্য ভৱন ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ৰ ছাত্ৰীসকলে সুন্দৰ নৃত্য প্ৰদৰ্শন কৰি অনুষ্ঠানটি আকৰ্ষণীয় কৰি তোলে। অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়খনৰ ছাত্ৰীসকলে অসম সাহিত্য সভাৰ আৰম্ভণি গীত পৰিবেশন কৰে। সভাপতিৰ বক্তব্যত ৰাজিদুৰ ৰহমানে অসমীয়া ভাষাৰ চৰ্চাৰ বাবে ছাত্ৰ ছাত্ৰীসকলক আগন্তুক সময়ত অধিক গুৰুত্ব দিবলৈ আহ্বান জনায়।

# শ্বহীদ স্মাৰক ক্ষেত্ৰত অসম আন্দোলনৰ

স্মাৰক ক্ষেত্ৰৰ ভিতৰলৈ খোজকাঢ়ি গৈ আৱক্ষ মূৰ্তিসমূহ পৰিদৰ্শন কৰে। শনিবাৰে গুৱাহাটীত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী মোদীয়ে নিশাটো কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত কটায়। দেওবাৰে পুৱা তেওঁ ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত চৰাইদেউ জাহাজত 'পৰীক্ষা পে চৰ্চা' কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাজ্যৰ ২৫ গৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে মত বিনিময় কৰে। এই অনন্য কাৰ্যসূচীৰ জৰিয়তে প্ৰধানমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক পৰীক্ষাৰ চাপ হ্ৰাস কৰাৰ পৰামৰ্শ দিয়ে আৰু তেওঁলোকৰ সৈতে আলোচনা কৰে। ইয়াৰ পিছতে প্ৰধানমন্ত্ৰী শ্বহীদ স্মাৰক ক্ষেত্ৰত উপস্থিত হয়। তেওঁৰ আগমনৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য স্মাৰক ক্ষেত্ৰত উপস্থিত হৈছিল। ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীগৰাকীক আদৰণি জনায়। এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত আছিল। প্ৰধানমন্ত্ৰীৰ উপস্থিতিত ২০ গৰাকী শিল্পীয়ে সুধাকণ্ঠ ভূপেন হাজৰিকাৰ অমৰ গীত 'শ্বহীদ প্ৰণামো তোমাক' পৰিৱেশন কৰে, যিয়ে অনুষ্ঠানটোক আৰু অধিক আৱেগময় কৰি তোলে। শ্বহীদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শনৰ পাছত মন্ত্ৰী অতুল বৰাই সংবাদ মাধ্যমৰ আগত মন্তব্য কৰি কয় যে, দেশৰ প্ৰধানমন্ত্ৰীৰ দ্বাৰা জাতীয় বীৰসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন অসমৰ বাবে এক গৌৰৱৰ কথা। কিছুদিনৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে এই স্মাৰক ক্ষেত্ৰ ৰাইজৰ বাবে মুকলি কৰিছিল আৰু যোৱা ৯ আৰু ১০ ডিচেম্বৰত ইয়াত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। প্ৰধানমন্ত্ৰীয়ে স্মাৰক ক্ষেত্ৰৰ ভিতৰলৈ গৈ শ্বহীদসকলৰ আৱক্ষ মূৰ্তি পৰিদৰ্শন কৰে আৰু মুখ্যমন্ত্ৰীয়ে তেওঁক গোটেই কথা বুজাই দিয়ে। এই পৰিদৰ্শনে সমগ্ৰ বিশ্বতে অসম আন্দোলনৰ শ্বহীদসকলৰ কথা প্ৰচাৰ কৰিব বুলি তেওঁ মত প্ৰকাশ কৰে। ইতিপূৰ্বে কোনো প্ৰধানমন্ত্ৰীয়ে এনেদৰে অসম আন্দোলনৰ শ্বহীদসকলক শ্ৰদ্ধাঞ্জলি জনোৱা নাছিল বুলিও তেওঁ উল্লেখ কৰে। মন্ত্ৰী বৰাই লগতে স্মাৰক ক্ষেত্ৰটোৰ বিষয়ে বিৱৰি কয় যে, ২২৫ ফুট উচ্চতাৰ এই স্মাৰকটোত অসম আন্দোলনৰ সময়ৰ বাতৰি কাকতৰ ফটো দেৱালত লগোৱা হৈছে। ইয়াত লেজাৰ শ্ব', ৫০০ আসনৰ প্ৰেক্ষাগৃহ, চাইকেল ট্ৰেক, বাগিচা, ফুড কৰ্ট আদিৰ ব্যৱস্থা আছে। মুঠ ১১৬ বিঘা মাটিৰে গঢ়ি তোলা এই ক্ষেত্ৰই অসম আন্দোলনৰ সেই সময়ৰ পৰিৱেশক জীৱন্ত কৰি তুলিছে। শ্বহীদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শনৰ পিছত প্ৰধানমন্ত্ৰী মোদী বৰঝাৰৰ পৰা বিশেষ বিমানেৰে ডিব্ৰুগড়লৈ ৰাওনা হয় আৰু তাৰ পৰা হেলিকপ্টাৰেৰে নামৰূপৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ যায়। এই ভ্ৰমণে অসমৰ সাংস্কৃতিক আৰু ঐতিহাসিক গৌৰৱক দেশৰ সন্মুখত পুনৰ উজলাই তুলিছে বুলি ৰাজনৈতিক মহলে মত প্ৰকাশ কৰিছে।

# পৰচৰ্চা বা নিন্দাই ন্যায় প্ৰদান নকৰে জুবিনক !

তদন্তত অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী দলে (SIT) চাৰ্জশ্বিট দাখিল কৰাৰ পাছতে সামাজিক মাধ্যমত সৃষ্টি হোৱা বিতৰ্ক আৰু চৰিত্ৰ হননৰ অভিযোগৰ মাজতে অৱশেষত মুখ খুলিলে শিল্পীগৰাকীৰ পৰিয়ালে। জুবিন গাৰ্গৰ ভগ্নী ড° পামী বৰঠাকুৰে এই পৰিস্থিতিৰ বাবে প্ৰচণ্ড ক্ষোভ প্ৰকাশ কৰি সামাজিক মাধ্যমত এটা দীঘলীয়া পোষ্টৰ জৰিয়তে নিজৰ মনৰ কথা ব্যক্ত কৰিছে। ড° পামী বৰঠাকুৰে তেওঁৰ পোষ্টত লিখিছে যে, তেওঁ সংযমী হৈ আছে, কিন্তু দুৰ্বল নহয়। তেওঁ কেইটামান গুৰুত্বপূৰ্ণ কথা স্পষ্ট কৰি কয় যে, জুবিন গাৰ্গৰ চৰিত্ৰ হনন আৰু তেওঁৰ পত্নী গৰিমা গাৰ্গৰ নিন্দা চৰম সীমা পাই গৈছে। ইয়াৰ ফলত গৰিমা গাৰ্গ বাৰে বাৰে অসুস্থ হৈ পৰিছে। এনে কাৰ্য্যকলাপৰ পিছত কি ধৰণৰ আসুৰিক আনন্দ লাভ কৰা হয়, সেয়া তেওঁ বুজিব নোৱাৰে বুলি মন্তব্য কৰিছে। তেওঁ প্ৰশ্ন উত্থাপন কৰিছে যে, এইসমূহ মুখা পিন্ধা বন্ধু বা অনুৰাগীয়ে কৰা কাম নেকি? পৰিয়ালটোৰ যুঁজক ন্যায়ৰ যুঁজ বুলি অভিহিত কৰি ড° বৰঠাকুৰে কয় যে, এয়া জুবিন গাৰ্গৰ বাবে ন্যায়ৰ যুঁজ। পৰচৰ্চা বা নিন্দাই ন্যায় প্ৰদান নকৰে। জুবিন গাৰ্গৰ দৰে কোনো বিকল্প নাই আৰু বিচাৰিলেও লাভ নাই। কিন্তু জুবিনে প্ৰতিজন অসমীয়াৰ হৃদয়ত সাহস আৰু মানৱীয়তাৰ বীজ ৰোপণ কৰি গৈছে। সেই বীজক নিজৰ মাজত জগাই তুলিলে অসম আৰু অসমীয়া জাতি বাচি থাকিব পাৰিব বুলি তেওঁ মত প্ৰকাশ কৰিছে। জুবিন গাৰ্গে নিশ্চয় ন্যায় পাব বুলি আশা প্ৰকাশ কৰিছে। চাৰ্জশ্বিট সম্পৰ্কে স্পষ্টীকৰণ দি তেওঁ কয় যে, গৰিমা গাৰ্গে কেতিয়াও চাৰ্জশ্বিটত সন্তুষ্ট হোৱা বুলি কোৱা নাই। গৰিমাই কেৱল মূল অভিযুক্তসকলৰ বাবে নিৰ্ধাৰিত ধাৰা আৰু উপ-ধাৰাসমূহ ভাল পোৱা বুলি মন্তব্য কৰিছিল। চাৰ্জশ্বিটৰ চাইন আৰু ছীল থকা কপি লাভ নকৰালৈকে ইয়াক পঢ়া হোৱা নাই। সেয়েহে সন্তুষ্টি বা অসন্তুষ্টিৰ প্ৰশ্নই নাই। SIT, মাননীয় মুখ্যমন্ত্ৰী আৰু মহামান্য ন্যায়ালয়ৰ ওপৰত পৰিয়ালৰ সম্পূৰ্ণ বিশ্বাস আছে আৰু সেই বিশ্বাস ৰক্ষা কৰা হ'ব বুলি তেওঁলোকে বিশ্বাস কৰে। ছিংগাপুৰত পৃথক তদন্তৰ প্ৰসংগত ড০ বৰঠাকুৰে কয় যে, গৰিমা গাৰ্গ ছিংগাপুৰলৈ FIR দাখিল কৰিবলৈ যোৱা নাই কাৰণ অসম চৰকাৰে পৰিয়াল আৰু অসমবাসীৰ হৈয়ে তদন্ত চলাইছে। ছিংগাপুৰত পৃথক তদন্ত কৰিলে দ্বন্দ্বৰ সৃষ্টি হ'ব পাৰে আৰু লাভ কি হ'ব? ছিংগাপুৰ আৰক্ষীৰ তদন্তৰ প্ৰতিবেদন দুৰ্ঘটনাৰ সময়ত আৰু এতিয়াও একেই। যদি জানুৱাৰী বা ফেব্ৰুৱাৰীতো একেই থাকে তেন্তে ই ন্যায় প্ৰদান হ'ব নে ন্যায় অস্বীকাৰ হ'ব, সেয়া কোনে নিশ্চয়তা দিব? ছিংগাপুৰত বসবাস কৰা অসমীয়াসকলৰ ভূমিকাৰ সমালোচনা কৰি তেওঁ কয় যে, SIT আৰু মুখ্যমন্ত্ৰীৰ বাৰম্বাৰ আহ্বান সত্ত্বেও তেওঁলোক অসমলৈ সহযোগিতাৰ বাবে অহা নাই। যিসকল অহা, তাৰ মাজত অভিমন্যু তালুকদাৰ নামৰ এজনে মিডিয়াৰ আগত কেৱল হাঁহি থাকিল। জুবিন গাৰ্গৰ মৃত্যুক লৈ হাঁহিব পৰা স্পৰ্ধা কেনেকৈ হ'ব পাৰে? ছিংগাপুৰত থকা সকলোৱে আদালতৰ কাঠগৰাত আহি সত্য ক'ব লাগে বুলি তেওঁ দাবী জনায়। শেষত তেওঁ কয় যে, আদালতে প্ৰমাণ আৰু তথ্যৰ ভিত্তিত দোষী আৰু নিৰ্দোষী নিৰ্ধাৰণ কৰিব। অভিযুক্তসকলক আগতীয়াকৈ 'নিৰ্দোষী' বুলি প্ৰচাৰ চলোৱা উচিত নহয়। জুবিন গাৰ্গৰ ভগ্নী বা পত্নী হোৱা সহজ নহয় বুলি উল্লেখ কৰি তেওঁ কয় যে, বিগত তিনিমাহ ধৰি জ্বলি থকা জুইৰ উত্তাপ আৰু বিষাদ এতিয়াও কমা নাই, বৰঞ্চ বাঢ়িছে। আনৰ জীৱন স্বাভাৱিক হৈ গৈছে, কিন্তু পৰিয়ালৰ জীৱন এটা তাৰিখতে স্থবিৰ হৈ গ'ল। জুবিন গাৰ্গ অসমৰ বাবে আশীৰ্বাদস্বৰূপে আহিছিল বুলি মন্তব্য কৰি ড০ বৰঠাকুৰে কয় যে, তেওঁক সৃষ্টি আৰু মানৱীয়তাৰ জৰিয়তে উদযাপন কৰক, ৰাজনীতিৰ জৰিয়তে নহয়। প্ৰকৃত অনুৰাগীয়েহে #JusticeForZubeenGarg লিখিব, মুখা পিন্ধাসকলে নহয় বুলি তেওঁৰ পোষ্ট শেষ হৈছে। এই পোষ্টই সামাজিক মাধ্যমত ব্যাপক চৰ্চা লাভ কৰিছে আৰু জুবিন গাৰ্গৰ অনুৰাগীসকলে পৰিয়ালৰ প্ৰতি সমৰ্থন জনাইছে। পৰিয়ালে ন্যায়ৰ বাবে অটল থকাৰ কথা পুনৰ স্পষ্ট কৰিছে।

# ২৯ ডিচেম্বৰত বটদ্ৰৱা

জন্মস্থান বটদ্ৰৱা থানৰ ঐতিহ্যমণ্ডিত আকাশীগংগাৰ তীৰত নিৰ্মাণাধীন বৃহৎ সাংস্কৃতিক প্ৰকল্পটোৰ উদ্বোধনৰ বাবে আগন্তুক ২৯ ডিচেম্বৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আগমনৰ প্ৰাকক্ষণত প্ৰকল্পস্থলী পৰিদৰ্শন কৰিছে অসম প্ৰদেশ বিজেপিৰ সভাপতি দিলীপ শইকীয়াই। বটদ্ৰৱা প্ৰকল্পস্থলীত উপস্থিত হৈ সভাপতি শইকীয়াই নিৰ্মাণকাৰ্য্যৰ অগ্ৰগতি পৰ্যবেক্ষণ কৰে আৰু সম্পূৰ্ণ হোৱাৰ পথত থকা প্ৰকল্পটোৰ বিষয়ে সবিশেষ অৱগত হয়। এই প্ৰকল্পটো অসমীয়া জাতিৰ স্বাভিমানৰ প্ৰতীক বুলি অভিহিত কৰি তেওঁ কয় যে, গৃহমন্ত্ৰীগৰাকীৰ হাতেৰে ইয়াৰ শুভ উদ্বোধন হ'বলগীয়া হোৱাটো ৰাজ্যবাসীৰ বাবে এক গৌৰৱৰ বিষয়। উল্লেখ্য যে, বিজেপি নেতৃত্বাধীন চৰকাৰ ক্ষমতালৈ অহাৰ পিছতেই তদানীন্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ তৎপৰতাত গুৰুজনাৰ জন্মস্থানৰ আকাশীগংগাৰ পাৰৰ প্ৰায় ১৬৫ বিঘা চৰকাৰী ভূমি অনাধিকাৰ দখলৰ পৰা মুক্ত কৰা হৈছিল। ইয়াৰ পিছতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই বৃহৎ প্ৰকল্পটোৰ নিৰ্মাণকাৰ্য্যৰ শুভাৰম্ভ কৰিছিল। প্ৰকল্পটোৱে অসমৰ সাংস্কৃতিক ঐতিহ্যক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ লগতে দেশী-বিদেশী পৰ্যটকৰ বাবে এক আকৰ্ষণীয় কেন্দ্ৰ হৈ উঠিব বুলি আশা কৰা হৈছে। গৃহমন্ত্ৰীগৰাকীৰ আগমনক লৈ দলীয় নেতা-কৰ্মীৰ লগতে জিলা প্ৰশাসনে ব্যাপক প্ৰস্তুতি গ্ৰহণ কৰিছে। প্ৰকল্পটোৰ উদ্বোধনী অনুষ্ঠান বৰ্ণাঢ্য হ'ব বুলি জানিব পৰা গৈছে। এই প্ৰসংগত ৰাজ্যিক বিজেপি সভাপতি দিলীপ শইকীয়াই মন্তব্য কৰি কয় যে, এই প্ৰকল্পই অসমৰ সাংস্কৃতিক জাগৰণৰ এক নতুন অধ্যায়ৰ সূচনা কৰিব। তেওঁ লগতে বিপক্ষক লক্ষ্য কৰি কয় যে, কংগ্ৰেছ নেতা গৌৰৱ গগৈ মুখ্যমন্ত্ৰী হোৱাৰ সময়লৈকে অসমত মিঞাসকলৰ প্ৰভাৱ বৃদ্ধি পাবই, যিটো অসমীয়া জাতিৰ বাবে এক চিন্তাৰ বিষয়। এই পৰিদৰ্শনে প্ৰকল্পটোৰ চূড়ান্ত প্ৰস্তুতিৰ ইংগিত দিছে আৰু ২৯ ডিচেম্বৰৰ অনুষ্ঠানে ৰাজ্যৰ সাংস্কৃতিক গৌৰৱক নতুন মাত্ৰা প্ৰদান কৰিব বুলি বিশ্বাস কৰা হৈছে।

# গৌৰৱ গগৈৰ সাংসদ পুজিৰে

অংশগ্ৰহণ কৰি মন্ত্ৰী মাৰ্ঘেৰিটাই গৌৰৱ গগৈৰ মন্তব্যৰ প্ৰত্যুত্তৰত কয় জুবিন গাৰ্গক লৈ গৌৰৱ গগৈয়ে যি ৰাজনীতি কৰিছে সেইটো উচিত নহয়। জুবিনক জুবিন হৈ থাকিবলৈ দিব লাগে। বাকী সময়, ন্যায়পালিকা তথা অসমবাসী ৰাইজ আছে তেওঁলোকে সিদ্ধান্ত ল'ব। প্ৰতিটো কথাতে জুবিনক টানি অনাটো ভাল কথা নহয় বুলি উল্লেখ কৰি জুবিনে নিজেই ৰাজনীতি বেয়া পাই বুলি তেওঁ উল্লেখ কৰে। ইফালে কালি মাজুলীত জিলা কংগ্ৰেছৰ আহ্বানত, মাজুলী ব্লক কংগ্ৰেছ কমিটীৰ উদ্যোগত সাংসদ গৌৰৱ গগৈয়ে ৰাজ্যৰ জল জীৱন মিছনৰ বিফলতা আৰু আঁচনিত সংঘটিত দুৰ্নীতিৰ বিৰুদ্ধে হোৱা ধৰ্ণাত অংশগ্ৰহণ কৰাৰ সন্দৰ্ভতো কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমাৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। মাজুলীৰ ঐতিহাসিক শ্ৰীশ্ৰী এলেঙি নৰসিংহ সত্ৰত আজি সেৱা গ্ৰহণ কৰাৰ লগতে এলেঙি নৰসিংহ সত্ৰৰ অসুস্থ সত্ৰাধিকাৰ কমল চন্দ্ৰ মহন্তক মুখ্যমন্ত্ৰীৰ সাহায্য পুজিৰ চেক প্ৰদান কৰি সাংবাদিকৰে মুখামুখি হৈ পবিত্ৰ মাৰ্ঘেৰিটাই যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈক তীব্ৰ সমালোচনাৰ লক্ষ্য কৰি লৈ কয় এইদৰে প্ৰতিবাদ কৰাতকৈ যদি দুৰ্নীতি হৈছে সচাঁকৈ তেন্তে আৰক্ষী থানাত কেচ ৰুজু কৰিব লাগে। তাকে নকৰি সংবাদ মাধ্যমৰ আগত যি টি কথা কৈ লাভ নাই। লগতে কয় গৌৰৱ গগৈৰ সাংসদ পুজিৰে মাজুলীত যি জিৰণি চ'ৰা আৰু নামঘৰ বনালে তাত গৈ চেলফি উঠিবলৈ বহুত মন আছে বুলি তেওঁ গৌৰৱ গগৈক তীব্ৰ কটাক্ষ কৰি ২০ হাজাৰ টকাৰ কামটোত তেওঁলোকে ২ লাখ টকা খৰচ কৰিছে। আচলতে দুৰ্নীতি গৌৰৱ গগৈয়েহে কৰিছে বুলি তেওঁ উল্লেখ কৰে।

# কামপুৰত ৰে'লৰ খুন্দাত

ৰেল দুৰ্ঘটনাৰ পৰিণতি আৰু অধিক শোকাৱহ হৈ পৰিছে। ছৈৰাং-নতুন দিল্লী ৰাজধানী এ'প্ৰেছে খুন্দা মাৰি নিহত হোৱা হাতীৰ জাকৰ ভিতৰত গুৰুতৰভাৱে আহত হোৱা দুই-তিনি দিনীয়া পোৱালিটোৰো আজি মৃত্যু হৈছে। কাজিৰঙাৰ বন্যপ্ৰাণী উদ্ধাৰ আৰু পুনৰ সংস্থাপন কেন্দ্ৰত (CWRC) চিকিৎসাধীন অৱস্থাত থকা এই পোৱালিটোৰ মৃত্যুৰ ফলত হাতীৰ মৃত্যুৰ সংখ্যা ৭ৰ পৰা ৮লৈ বৃদ্ধি পাইছে। এই দুৰ্ঘটনাই ৰাজ্যবাসীক গভীৰ শোকত মুহ্যমান কৰি তুলিছে আৰু বন্যপ্ৰাণী সংৰক্ষণ আৰু উন্নয়নৰ মাজৰ সংঘাতৰ ওপৰত পুনৰবাৰ প্ৰশ্ন উত্থাপন কৰিছে। উল্লেখ্য যে, ২০ ডিচেম্বৰৰ পুৱতি নিশা উত্তৰ-পূব সীমান্ত ৰেলৱেৰ লামডিং সংমণ্ডলৰ অন্তৰ্গত যমুনামুখ-কামপুৰ অংশত এই কৰুণ দুৰ্ঘটনা সংঘটিত হয়। তীব্ৰবেগী ৰাজধানী এ'প্ৰেছে ৰেলপথ পাৰ হৈ যোৱা প্ৰায় ১০০টা হাতীৰ জাকটোক খুন্দা মাৰে। স্থানীয় বাসিন্দা আৰু বন বিষয়াৰ মতে, জাকটোত প্ৰাপ্তবয়স্ক আৰু পোৱালিকে ধৰি আঠটাৰো অধিক হাতী আছিল। এই সংঘৰ্ষত তিনিটা প্ৰাপ্তবয়স্ক আৰু চাৰিটা পোৱালিকে ধৰি সাতটা হাতী থিতাতে নিহত হয়, আনহাতে এটা নৱজাতক পোৱালি গুৰুতৰভাৱে আহত হয়। আহত পোৱালিটোক ততাতৈয়াকৈ কাজিৰঙাৰ CWRCলৈ নিয়া হৈছিল যদিও চিকিৎসকৰ আপ্ৰাণ প্ৰচেষ্টাৰ পাছতো ইয়াৰ মৃত্যু হয়। পশু চিকিৎসক দলটোৱে শুকুৰবাৰৰ পৰা ২৪ ঘণ্টাই জৰুৰীকালীন চিকিৎসা প্ৰদান কৰি আহিছিল যদিও পোৱালিটোক বচাব নোৱাৰিলে। দুৰ্ঘটনাৰ ফলত ৰে'লখনৰ ইঞ্জিন আৰু পাঁচটা ডবা ৰেলপথৰ পৰা ওলাই যায় যদিও যাত্ৰীসকল নিৰাপদে আছিল আৰু কোনো যাত্ৰী আহত হোৱা নাই বুলি ৰেল কৰ্তৃপক্ষই নিশ্চিত কৰিছে। দুৰ্ঘটনাস্থলটো কোনো নিৰ্ধাৰিত হাতী কৰিড'ৰৰ অন্তৰ্ভুক্ত নহয় যদিও ঘন কুঁৱলী আৰু অন্ধকাৰৰ বাবে এনে সংঘৰ্ষৰ সম্ভাৱনা বাঢ়ি যায় বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে। এই ঘটনাক লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে। ছ'চিয়েল মিডিয়াত দিয়া বিবৃতিত তেওঁ কয় যে, বন্যপ্ৰাণীৰ এনে ক্ষতিয়ে ৰাজ্য চৰকাৰক গভীৰভাৱে দুখী কৰিছে আৰু তেওঁ বন বিভাগক এই ঘটনাৰ বিশদ তদন্ত কৰি বন্যপ্ৰাণী কৰিড'ৰসমূহ অধিক সুৰক্ষিত কৰাৰ বাবে পদক্ষেপ ল'বলৈ নিৰ্দেশ দিছে। বিশেষকৈ কম দৃশ্যমানতাৰ ঋতুত এনে দুৰ্ঘটনা ৰোধৰ বাবে অধিক সতৰ্কতাৰ প্ৰয়োজন বুলি তেওঁ উল্লেখ কৰে। অসমত হাতীৰ সংখ্যা প্ৰায় ৭০০০ আৰু ৰে'লপথত এনে সংঘৰ্ষ সাধাৰণ ঘটনা। ২০২০ৰ পৰা এতিয়ালৈকে ৰাজ্যত কেইবাটাও হাতী ৰে'লৰ খুন্দাত মৰিছে। বিশেষজ্ঞসকলে ৰেল আৰু বন বিভাগৰ মাজত উন্নত সমন্বয়, গতি সীমা নিয়ন্ত্ৰণ আৰু চেন্সৰভিত্তিক সতৰ্কতা ব্যৱস্থাৰ প্ৰয়োজনীয়তাৰ কথা পুনৰ উত্থাপন কৰিছে। এই দুৰ্ঘটনাই বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰতি অধিক গুৰুত্ব প্ৰদানৰ দাবীক আৰু জোৰদাৰ কৰি তুলিছে।

# বিকাশৰ বতৰাৰে '২৬ৰ

নিৰ্ভৰশীলতা হ্ৰাস কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে নামৰূপত এক বিশাল জনসভাত অসমীয়া ভাষাতে ভাষণ আৰম্ভ কৰি উপস্থিত ৰাইজক সম্বোধন কৰে। তেওঁ চাওলুং চুকাফা, মহাবীৰ লাচিত বৰফুকন, ভীমবৰ দেউৰী, শ্বহীদ কুশল কোঁৱৰ আৰু বীৰাংগনা সতী সাধনীকে স্মৰণ কৰি তেওঁলোকৰ বীৰত্ব আৰু ত্যাগক প্ৰণাম জনায়। প্ৰধানমন্ত্ৰীয়ে কয় যে, অসমৰ চাহ বাগিচাৰ সৈতে তেওঁৰ এক বিশেষ সম্পৰ্ক আছে আৰু আজি অসমৰ বাবে এক ঐতিহাসিক দিন। ডিব্ৰুগড় আৰু নামৰূপবাসীৰ দীৰ্ঘদিনীয়া সপোন আজি পূৰণ হৈছে। অসম বিকাশৰ নতুন পথত আগবাঢ়িছে আৰু এয়া কেৱল আৰম্ভণিহে। নতুন উদ্যোগ, ছেমিকণ্ডাক্টৰ, কৃষি, পৰ্যটনকে ধৰি সকলো ক্ষেত্ৰতে অসম আগবাঢ়িছে বুলি তেওঁ উল্লেখ কৰে। বিজেপিৰ ডাবল ইঞ্জিন চৰকাৰে উদ্যোগ আৰু যোগাযোগৰ জৰিয়তে অসমৰ সপোন পূৰণ কৰিছে আৰু নৱ প্ৰজন্মক নতুন সপোন দেখিবলৈ সাহস প্ৰদান কৰিছে। নামৰূপৰ এই নতুন সাৰ কাৰখানাৰ প্ৰকল্প সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে কয় যে, কৃষকৰ কল্যাণৰ বাবে চৰকাৰে নিৰন্তৰ কাম কৰি আছে। এই প্ৰকল্পই কৃষকসকলক সাৰৰ যোগান নিশ্চিত কৰিব আৰু বহু নতুন কৰ্মসংস্থাপনৰ সৃষ্টি কৰিব। পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ সময়ত এই প্ৰকল্পক গুৰুত্ব নিদিয়াৰ ফলত ই বন্ধ হৈ পৰিছিল আৰু কৃষকসকলে ইউৰিয়াৰ অভাৱত ভুগিবলগীয়া হৈছিল বুলি তেওঁ কটাক্ষ কৰে। বিজেপি চৰকাৰে বন্ধ হৈ থকা বহু প্ৰকল্প পুনৰ আৰম্ভ কৰিছে আৰু ইউৰিয়া উৎপাদন ২০১৪ চনৰ ২২৫ লাখ মেট্ৰিক টনৰ পৰা এতিয়া ৩০৬ লাখ মেট্ৰিক টনলৈ বৃদ্ধি কৰিছে। আগন্তুক কেইবছৰমানৰ ভিতৰত ভাৰত ইউৰিয়াত আত্মনিৰ্ভৰশীল হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। চৰকাৰে আমদানিকৃত ইউৰিয়াৰ বাবে চাবচিডি প্ৰদান কৰি কৃষকক ৩০০০ টকাৰ ইউৰিয়া ৩০০ টকাত দি আছে বুলিও উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কৃষি সন্মান নিধি, ফচল বীমা যোজনা, কিষাণ ক্ৰেডিট কাৰ্ড, পাম অইল মিছন আদি আঁচনিৰ কথা উল্লেখ কৰি কয় যে, কৃষকৰ উন্নয়নৰ জৰিয়তেহে দেশৰ উন্নয়ন সম্ভৱ। চাহ জনগোষ্ঠীৰ লোকসকলৰ বাবে জনধন একাউণ্ট, আৱাস, খোৱাপানী আদি সুবিধা প্ৰদান কৰা হৈছে আৰু বিগত ১১ বছৰত ২৫ কোটি লোক দৰিদ্ৰতাৰেখাৰ পৰা ওপৰলৈ উঠিছে। উত্তৰ-পূবৰ বিকাশৰ কথা উল্লেখ কৰি তেওঁ কয় যে, অসমৰ গৌৰৱ সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জয়ন্তী উদযাপন আৰু তেওঁক ভাৰতৰত্ন প্ৰদান কৰা হৈছে। কংগ্ৰেছে এইসমূহৰো বিৰোধিতা কৰিছিল বুলি অভিযোগ উত্থাপন কৰে। বাংলাদেশৰ পৰা অবৈধ অনুপ্ৰৱেশকাৰীক সুৰক্ষা দিয়াৰ অভিযোগ তুলি কংগ্ৰেছক সমালোচনা কৰে আৰু বিজেপিয়ে অসমীয়াৰ স্বাৰ্থ ৰক্ষা কৰি আছে বুলি দাবী কৰে। শেষত প্ৰধানমন্ত্ৰীয়ে কয় যে, বিকশিত ভাৰত নিৰ্মাণত উত্তৰ-পূবৰ ভূমিকা গুৰুত্বপূৰ্ণ আৰু ই দেশৰ বিকাশৰ গ্ৰ'থ ইঞ্জিন হৈ উঠিব। নামৰূপৰ এই প্ৰকল্পই পশ্চিমবংগ, উত্তৰ প্ৰদেশকে ধৰি সমগ্ৰ দেশতে লাভান্বিত কৰিব। এই অনুষ্ঠানত হাজাৰ হাজাৰ লোকে অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীগৰাকীক উষ্ম আদৰণি জনায়।

# ২৬ ডিচেম্বৰৰ পৰা কাৰ্যকৰী

ফলত দূৰবৰ্তী যাত্ৰাৰ ভাড়া সামান্য বৃদ্ধি পাব যদিও দৈনন্দিন যাতায়াতকাৰী আৰু চুটি দূৰত্বৰ যাত্ৰীসকলক ইয়াৰ পৰা ৰেহাই দিয়া হৈছে। ৰে'ল মন্ত্ৰালয়ে জনোৱা অনুসৰি, এই পদক্ষেপৰ জৰিয়তে চলিত বিত্তীয় বৰ্ষত প্ৰায় ৬০০ কোটি টকা অতিৰিক্ত ৰাজহ সংগ্ৰহ হোৱাৰ আশা কৰা হৈছে। নতুন নিৰিখ অনুসৰি, লোকেল বা চাবাৰ্বন ট্ৰেইনৰ ভাড়া আৰু মাহেকীয়া ছিজন টিকট (MST)ৰ দামত কোনো পৰিৱৰ্তন হোৱা নাই। ইয়াৰ উপৰি জেনেৰেল বা অৰ্ডিনেৰী ক্লাছত ২১৫ কিলোমিটাৰলৈকে যাত্ৰাৰ ভাড়াতো কোনো বৃদ্ধি নাই। এই ব্যৱস্থাই দৈনিক যাতায়াতকাৰী আৰু নিম্ন আয়ৰ গোটৰ যাত্ৰীসকলক সকাহ প্ৰদান কৰিব বুলি মন্ত্ৰালয়ে উল্লেখ কৰিছে। দূৰবৰ্তী যাত্ৰাৰ ক্ষেত্ৰত সামান্য বৃদ্ধি কৰা হৈছে। জেনেৰেল ক্লাছত ২১৫ কিলোমিটাৰৰ অধিক দূৰত্বৰ বাবে প্ৰতি কিলোমিটাৰত ১ পইচাকৈ ভাড়া বৃদ্ধি হ'ব। মেইল আৰু এ'প্ৰেছ ট্ৰেইনৰ নন-এচি ক্লাছত প্ৰতি কিলোমিটাৰত ২ পইচাকৈ আৰু এচি ক্লাছসমূহতো প্ৰতি কিলোমিটাৰত ২ পইচাকৈ ভাড়া বৃদ্ধি কৰা হৈছে। উদাহৰণস্বৰূপে, ৫০০ কিলোমিটাৰৰ নন-এচি যাত্ৰাত যাত্ৰীয়ে অতিৰিক্ত ১০ টকা দিব লাগিব। ৰে'ল মন্ত্ৰালয়ে এই সংশোধনৰ কাৰণ হিচাপে কৰ্মচাৰীৰ ব্যয় আৰু পেনচনৰ বোজাৰ উল্লেখ কৰিছে। ২০২৪-২৫ বিত্তীয় বৰ্ষত কৰ্মচাৰীৰ ব্যয় ১.১৫ লাখ কোটি টকালৈ আৰু পেনচন ব্যয় ৬০ হাজাৰ কোটি টকালৈ বৃদ্ধি পাইছে। মুঠ অপাৰেচনেল ব্যয় ২.৬৩ লাখ কোটি টকালৈ উন্নীত হৈছে। এই বৃদ্ধিৰ মাজতো ৰে'লৱে নিৰাপত্তা আৰু সেৱাৰ মান উন্নত কৰিছে আৰু বিশ্বৰ দ্বিতীয় বৃহত্তম কাৰ্গো ৰে'ল নেটৱৰ্ক হিচাপে পৰিগণিত হৈছে। এই বছৰৰ জুলাই মাহতো ভাড়া সংশোধন কৰা হৈছিল, যিয়ে প্ৰায় ৭০০ কোটি টকা অতিৰিক্ত ৰাজহ যোগান ধৰিছিল। বৰ্তমানৰ সংশোধনে যাত্ৰীৰ ওপৰত সামান্য প্ৰভাৱ পেলোৱাৰ লগতে ৰে'লৱেৰ আৰ্থিক স্থিৰতা বজাই ৰখাত সহায় কৰিব বুলি মন্ত্ৰালয়ে আশা প্ৰকাশ কৰিছে। যাত্ৰীসকলক পৰামৰ্শ দিয়া হৈছে যে, ২৬ ডিচেম্বৰৰ পিছৰ যাত্ৰাৰ বাবে টিকট বুকিং কৰাৰ আগতে IRCTC বা ৰে'লৱেৰ অফিচিয়েল প্লেটফৰ্মত নতুন ভাড়াৰ নিৰিখ পৰীক্ষা কৰি ল'বলৈ। এই সংশোধনে ৰে'ল যাত্ৰাক আৰু অধিক সুলভ আৰু দক্ষ কৰি তোলাৰ লক্ষ্যৰে গ্ৰহণ কৰা হৈছে বুলি ৰে'ল মন্ত্ৰালয়ে স্পষ্ট কৰিছে।

# ভাষণত জুবিন গাৰ্গৰ নাম

(যিটো এতিয়া আদানী গ্ৰুপৰ দ্বাৰা পৰিচালিত), অসম আন্দোলনৰ শ্বহীদসকলৰ স্মৃতিত নিৰ্মিত 'শ্বহীদ স্মাৰক ক্ষেত্ৰ'লৈ গৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে, বিজেপিৰ কাৰ্যকৰ্তা আৰু নেতাসকলৰ সৈতে নিৰ্বাচনী প্ৰস্তুতিৰ বিষয়ে আলোচনা কৰে, ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে 'পৰীক্ষা পে চৰ্চা' কাৰ্যসূচীত অংশ লয় আৰু নামৰূপত এটা বিশাল সাৰ কাৰখানাৰ ভিত্তিপ্ৰস্তৰ স্থাপন কৰে। কিন্তু এই সকলোবোৰ কাৰ্যক্ৰমৰ মাজতো প্ৰধানমন্ত্ৰীগৰাকীয়ে অসমৰ প্ৰাণপ্ৰিয় শিল্পী, জাতিৰ মহানায়ক বুলি পৰিচিত প্ৰয়াত জুবিন গাৰ্গৰ নাম এবাৰো উল্লেখ নকৰিলে, তেওঁৰ পৰিয়ালক সাক্ষাৎ নকৰিলে আৰু তেওঁৰ সমাধিক্ষেত্ৰলৈ যোৱাৰ বাবেও সময় উলিয়াব নোৱাৰিলে। জুবিন গাৰ্গৰ অকাল মৃত্যুৰ (১৯ ছেপ্টেম্বৰ ২০২৫) পিছত প্ৰধানমন্ত্ৰীৰ এই প্ৰথম অসম ভ্ৰমণত এনে নীৰৱতাই ৰাজ্যৰ বিৰোধী নেতাসকলৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি কৰিছে। কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলপতিৰ ভাতৃ গৌৰৱ গগৈয়ে সামাজিক মাধ্যমত এই বিষয়ে ক্ষোভ প্ৰকাশ কৰি কয় যে, প্ৰধানমন্ত্ৰীয়ে যোৱা দুদিন ধৰি অসমত বিভিন্ন কাৰ্যসূচীত অংশ লৈ ৰাইজক সম্বোধন কৰিছে, কিন্তু অসমীয়াৰ হৃদয়ৰ আমঠু, প্ৰাণৰ শিল্পী প্ৰয়াত জুবিন গাৰ্গৰ বিষয়ে এটা শব্দো উচ্চাৰণ নকৰিলে। তেওঁ আৰু কয়, "তদুপৰি জুবিন দাৰ পৰিয়ালবৰ্গক সাক্ষাৎ নকৰিলে আৰু তেওঁৰ সমাধিক্ষেত্ৰলৈ যাবলৈও সময় উলিয়াব নোৱাৰিলে। ই সঁচাকৈয়ে অত্যন্ত দুৰ্ভাগ্যজনক আৰু দুখজনক। অসমীয়াৰ হৃদয়ত জুবিন দাই যি স্থান দখল কৰি আছে, সেইগৰাকীক এনেদৰে উপেক্ষা কৰাটো সমগ্ৰ অসমবাসীকেই অপমান কৰাৰ সমান। '' গৌৰৱ গগৈয়ে প্ৰশ্ন উত্থাপন কৰি কয়, "প্ৰধানমন্ত্ৰীক কোনে জুবিন গাৰ্গৰ নাম নল'বলৈ পৰামৰ্শ দিলে? ভাষণ কোনে প্ৰস্তুত কৰি পঠিয়াইছিল? নে অসমৰ মুখ্যমন্ত্ৰীয়ে দিহা কৰিছিল যে জুবিনৰ নাম ল'ব নালাগে? '' তেওঁ বিপৰীতে কংগ্ৰেছ নেতা ৰাহুল গান্ধী আৰু ছোনীয়া গান্ধীয়ে জুবিনৰ সমাধিলৈ গৈ শ্ৰদ্ধাঞ্জলি জনোৱা আৰু পৰিয়ালক সমবেদনা জনোৱাৰ কথা উল্লেখ কৰি কয় যে, অসমবাসীয়ে জুবিনৰ বাবে ন্যায় আৰু 'ভাৰতৰত্ন' সন্মানৰ দাবী কৰিছে, গতিকে এনে উদাসীনতা গ্ৰহণীয় নহয়। ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়েও এই নীৰৱতাক লৈ তীব্ৰ সমালোচনা কৰিছে। তেওঁ কয়, "প্ৰধানমন্ত্ৰী আহিল, বিমানবন্দৰ আদানীক দিলে, শ্বহীদ স্মৰণ কৰিলে, বিজেপিৰ কাৰ্যকৰ্তাৰ সৈতে নিৰ্বাচনৰ কথা পাতিলে, ছাত্ৰ-ছাত্ৰীৰ সৈতে পৰীক্ষা পে চৰ্চা কৰিলে; কিন্তু অসমবাসীৰ মৰমৰ জুবিনৰ সমাধিক্ষেত্ৰলৈ যাবলৈ সময় নাপালে!" অখিল গগৈয়ে আচৰিত প্ৰকাশ কৰি কয়, "জুবিনদাৰ মৃত্যুৰ পাছত প্ৰথমবাৰ অসমলৈ আহি প্ৰধানমন্ত্ৰী মোদীয়ে এবাৰলৈও জুবিন গাৰ্গৰ নাম নল'লে। কিয়? ''আন এগৰাকী বিৰোধী নেতা লুৰিণজ্যোতি গগৈয়েও গভীৰ দুখ প্ৰকাশ কৰি কয়, "জাতিৰ মহানায়ক, 'ঈশ্বৰপুত্ৰ' বুলি জনাজাত জুবিন গাৰ্গ দেৱৰ মহাপ্ৰয়াণৰ পিছত দেশৰ প্ৰধানমন্ত্ৰীগৰাকী অসমলৈ প্ৰথমবাৰৰ বাবে আহিছিল। আমি আন্তৰিকতাৰে আশা কৰিছিলোঁ যে তেওঁ ভাষণত আমাৰ প্ৰাণৰ শিল্পীগৰাকীক স্মৰণ কৰিব। কিন্তু তেনে নকৰিলে। ইয়াৰ ফলত আমি মনত বেজাৰ পাইছোঁ। '' তেওঁ যোগ কৰে যে, জুবিন গাৰ্গ আছিল এক জ্বলন্ত জুইস্বৰূপ ব্যক্তিত্ব। যিমানেই চল-বল-কৌশলেৰে তেওঁক নিষ্প্ৰভ কৰিবলৈ চেষ্টা কৰা হওক, সিমানেই তেওঁৰ স্মৃতি আৰু প্ৰতিভা উজ্জ্বল হৈ উঠিব। লুৰিণজ্যোতি গগৈয়ে #JusticeForZubeenGarg হেচটেগ ব্যৱহাৰ কৰি এই দাবীক আৰু জোৰদাৰ কৰিছে। জুবিন গাৰ্গৰ মৃত্যুৰ পিছতো তেওঁৰ মৃত্যুৰ তদন্ত আৰু ন্যায়ৰ দাবীত অসমত এক ব্যাপক আন্দোলন চলি আছে, য'ত #JusticeForZubeenGarg হেচটেগে লাখ লাখ ব্যৱহাৰকাৰীৰ সমৰ্থন লাভ কৰিছে। বহুতে বিশ্বাস কৰে যে, প্ৰধানমন্ত্ৰীৰ এই অৱহেলাই অসমীয়া জাতিৰ অনুভৱত আঘাত হনাৰ সমতুল্য। এই ভ্ৰমণে ৰাজ্যত নতুন ৰাজনৈতিক বিতৰ্কৰ সৃষ্টি কৰিছে আৰু বিৰোধী দলসমূহে চৰকাৰক তীব্ৰভাৱে সমালোচনা কৰি গৈছে।

# বিশ্বনাথ জিলাত দুগৰাকী

বিদেশী বুলি ঘোষণা কৰি ভাৰত তথা অসমৰ পৰা আঁতৰি যাবলৈ নিৰ্দেশ জাৰি কৰিছে জিলা প্ৰশাসনে। শনিবাৰে জিলা আয়ুক্তই জাৰি কৰা এই নিৰ্দেশত দুয়োগৰাকী মহিলাৰ উপস্থিতি ৰাজ্যৰ অভ্যন্তৰীণ নিৰাপত্তা আৰু সাধাৰণ জনতাৰ স্বাৰ্থৰ প্ৰতি ক্ষতিকাৰক বুলি উল্লেখ কৰা হৈছে। যিগৰাকী মহিলাক বিদেশী ঘোষণা কৰা হৈছে, তেওঁলোক হৈছে হেলেম আৰক্ষী থানাৰ অন্তৰ্গত মিছামাৰীৰ আচমুল খাটুন ওৰফে আচমল বেগম আৰু চতিয়া আৰক্ষী থানাৰ অন্তৰ্গত বকৰাপট্টাৰ আফুজা বেগম ওৰফে আৰফুজা বেগম। আচমুল খাটুন ৰুজিদ আলীৰ জীয়েক আৰু আয়ুফ আলীৰ পত্নী। আনহাতে আফুজা বেগম ডলে মামুদৰ জীয়েক আৰু জাবেদ আলীৰ পত্নী। বিশ্বনাথ জিলাৰ সংশি-ষ্ট ফৰেইনাৰ্ছ ট্ৰাইব্যুনেলে (এফ টি) তেওঁলোকক বিদেশী বুলি নিশ্চিত কৰাৰ পিছত দুয়োগৰাকীক গোৱালপাৰাৰ মাটিয়া ডিটেনচন কেম্পত ৰখা হৈছিল। বৰ্তমানো তেওঁলোক সেই কেম্পতে আছে। জিলা আয়ুক্তৰ নিৰ্দেশ অনুসৰি, এই আদেশ লাভ কৰাৰ ২৪ ঘণ্টাৰ ভিতৰতে তেওঁলোকে ধুবুৰী, শ্ৰীভূমি, দক্ষিণ শালমাৰা-মানকাচৰ সীমান্ত পথেৰে অসম তথা ভাৰতৰ ভূখণ্ড এৰি যাব লাগিব। এই নিৰ্দেশ জাৰিৰ পিছতে স্থানীয় ৰাজনৈতিক মহলত চৰ্চা আৰম্ভ হৈছে। বিদেশী চিনাক্তকৰণ প্ৰক্ৰিয়াৰ অংশ হিচাপে এনে নিৰ্দেশ সাধাৰণ বুলি প্ৰশাসনে জনাইছে যদিও এই ঘটনাই জিলাৰ সংশি-ষ্ট অঞ্চলত জনসাধাৰণৰ মাজত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰশাসনে এই প্ৰক্ৰিয়া আইনসন্মতভাৱে সম্পন্ন কৰা বুলি দাবী কৰিছে।

# মাজুলীত প্ৰথমবাৰৰ বাবে

সাংসদ তথা কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ তত্ত্বাৱধানত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ খেল মহোৎসৱ - ২০২৫ৰ অংশ হিচাপে আজি পুৱাই মাজুলীৰ গড়মূৰ মিনি ষ্টেডিয়ামত 'মাজুলী মাৰাথান' শীৰ্ষক দৌৰত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা দুই সহস্ৰাধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ নেতৃত্বত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত এই মহোৎসৱৰ উদ্বোধন কৰি কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই কয় আজি মাজুলীত ৰাষ্ট্ৰীয় পৰ্যায়ৰ মাৰাথন খেল খুউব কম সময়ত আয়োজন কৰিলোঁ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অনুপ্ৰেৰণাৰে আজি মাজুলীত খেল মহাৰণৰ অন্যতম সংযোজন হিচাপে মাজুলী মাৰথান অনুষ্ঠিত হয় বুলি তেওঁ উল্লেখ কৰে। উল্লেখযোগ্য যে আজিৰ এই মাৰাথানত মাজুলীৰ ১০ বছৰৰ পৰা ৪৫ বছৰ বয়সৰ খেলুৱৈসকলে অংশগ্ৰহণ কৰে। সৰ্বাধিক ২১ কিলোমিটাৰ পৰ্যন্ত এই মাৰাথান দৌৰ অনুষ্ঠিত হয়। ইফালে সাংসদ গৰাকীয়ে সাংবাদিকৰ সন্মুখত কয় যে আজিৰ এই সংসদ খেল মহোৎসৱে চাৰিখন জিলাৰ ১০টা সমষ্টি সামৰি লৈছে। পৰৱৰ্তী সময়ত 'মাজুলী মাৰাথান'ক ৰাষ্ট্ৰীয়, আন্তৰাষ্ট্ৰীয় পৰ্যায়লৈ প্ৰণালীবদ্ধ ভাৱে উন্নীত কৰিম বুলি তেওঁ উল্লেখ কৰে। ইফালে পুৰুষ-মহিলা উভয় শাখাতে অনুষ্ঠিত হোৱা ভিন্ন দূৰত্বৰ এই দৌৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি ক্ৰমে ২১ কিঃমিঃ মহিলা শাখাত প্ৰথম অনিতা দাস (৩১১৯), দ্বিতীয় আৰলিন মুণ্ডা (৩১৮৮), তৃতীয় ৰূপালী মুণ্ডা (৩১৭৪), চতুৰ্থ গীতামণি পগাগ (৩৩২১) আৰু পঞ্চম স্থান মাৰাটা ওৰাঙে (৩১৭৬) লাভ কৰে। ইফালে পুৰুষ শাখাত ক্ৰমে প্ৰথম নাথেই এন ৰাঙনাও (৩১২২), দ্বিতীয় ব্ৰজেন টায়ে (৩৩৪১), তৃতীয় তীক্ষেশ্বৰ কুৰ্মী (৩১৩৮), চতুৰ্থ অনুজ পেগু (৩৩১৫) আৰু পঞ্চম ৰমেন ৰাজপুতে (৩১২৮) লাভ কৰে। স্থান প্ৰাপ্তসকলক প্ৰতিযোগিতাত নিৰ্ধাৰিত কৰি থোৱা পুৰস্কাৰ সমূহ প্ৰদান কৰে। আজিৰ সাংসদ খেল মহোৎসৱত মাজুলীৰ বিধায়ক ভুৱন গাম, মাজুলী বিজেপিৰ সভাপতি দীপক গোস্বামী, যোৰহাট জিলা বিজেপিৰ সভাপতি শান্তনু পূজাৰী, মাজুলী জিলা বিজেপিৰ প্ৰাক্তন সভাপতি বিৰেন শইকীয়াৰ লগতে মাজুলী ক্ৰীড়া সন্থাৰ বিষয়ববীয়া তথা মাজুলীৰ ক্ৰীড়া জগত খনৰ সৈতে জড়িত বহুকেইজন বিশিষ্ট খেলুৱৈ উপস্থিত থাকে।

# লুইতৰ বুকুত নৰেন্দ্ৰ মোদীৰ

প্ৰধানমন্ত্ৰীৰ সৈতে সৰাসৰি মত বিনিময় কৰে। পুৱা প্ৰায় ৮: ৪৫ বজাৰ পৰা ৯: ৪০ বজালৈ ব্ৰহ্মপুত্ৰৰ সোঁতত জাহাজত অনুষ্ঠিত এই কাৰ্যসূচীত শিক্ষাৰ্থীসকলে পৰীক্ষাৰ চাপ, মানসিক স্বাস্থ্য আৰু ভৱিষ্যতৰ সপোনৰ বিষয়ে প্ৰধানমন্ত্ৰীৰ সৈতে আলোচনা কৰে। প্ৰধানমন্ত্ৰীয়ে তেওঁলোকক পৰীক্ষাক ভয় নকৰি জীৱনৰ এক অংশ হিচাপে গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিয়ে আৰু সফলতাৰ বাবে ধৈৰ্য্য আৰু আত্মবিশ্বাসৰ গুৰুত্ব বুজায়। এই অনুষ্ঠানে শিক্ষাৰ্থীসকলৰ বাবে এক অবিস্মৰণীয় অভিজ্ঞতা হৈ পৰে। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰা শিক্ষাৰ্থীসকলৰ ভিতৰত কামৰূপ (মহানগৰ) জিলাৰ পৰা ৰয়েল গ'-বৈল স্কুলৰ দশম শ্ৰেণীৰ বিহান উপাধ্যায়, ডনবস্ক' স্কুলৰ নৱম শ্ৰেণীৰ অনহিতা সিং, উত্তৰ গুৱাহাটী ছোৱালী বিদ্যালয়ৰ নৱম শ্ৰেণীৰ অৰ্পিতা দাস, অসম জাতীয় বিদ্যালয়ৰ নৱম শ্ৰেণীৰ নিষ্ঠা বৰগোহাঁই, শংকৰদেৱ বিদ্যা নিকেতন বিষ্ণুপথৰ নৱম শ্ৰেণীৰ শুভ্ৰজিতা বৰ্মন, খানাপাৰা কেন্দ্ৰীয় বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ত্ৰিদিশা মালাকাৰ আৰু মালিগাঁও কেন্দ্ৰীয় বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ অভিনীত বৰুৱা অন্তৰ্ভুক্ত। মৰিগাঁও জিলাৰ পৰা মৈৰাবাৰীৰ পি এমশ্ৰী আদৰ্শ বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ কৃষ্টিজিনা বৰা, নৱোদয় বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ নঈম মাছুদ আৰু পি এমশ্ৰী মালুগুটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ জেনিফা আহমেদ; কামৰূপ জিলাৰ পৰা দকুছি আদৰ্শ বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ আশীতা শৰ্মা, ৰাজ্যিক নৱোদয় বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছফিউৰ ৰহমান আৰু দমদমাৰ পি এমশ্ৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ৰঞ্জন কলিতা। উজনি অসমৰ ডিব্ৰুগড় জিলাৰ পৰা মৰাণৰ বাল্য বিকাশ বিদ্যালয়ৰ নৱম শ্ৰেণীৰ তন্ময় চুতীয়া, মাইজান চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ পল্লৱী কৰ্মকাৰ আৰু দিৰিয়াল চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ বিকাশ ভূমিজ; কাছাৰ জিলাৰ পৰা শিলচৰৰ সৰস্বতী বিদ্যা নিকেতনৰ দশম শ্ৰেণীৰ দেৱাঞ্জলি ভট্টাচাৰ্য আৰু নৰসিং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ পীযূষ দেবনাথ; শ্ৰীভূমি জিলাৰ পৰা বি ভি পি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱম শ্ৰেণীৰ আনন্দিতা মিশ্ৰ। ইপিনে বা'ী জিলাৰ শালবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ অমিত দৈমাৰী, ডিমা হাচাও জিলাৰ হাফলং চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱম শ্ৰেণীৰ থাইছিংদেউ থাওছেন, কোকৰাঝাৰ জিলাৰ পাৰ্চাবজিৰ কে জি বি ভিৰ নৱম শ্ৰেণীৰ জ্যোৎস্না বসুমতাৰী, গোলাঘাট জিলাৰ গোলক বৰবৰা হাইস্কুলৰ দশম শ্ৰেণীৰ দিশা মিৰ্ধা, কাৰ্বি আংলং জিলাৰ পি এমশ্ৰী জেং ৰংপি ইংলিছ হাইস্কুলৰ নৱম শ্ৰেণীৰ ক্ৰিষ্টিনা বেপি আৰু নলবাৰী জিলাৰ গৰ্ডন চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ দৃষ্টি গোস্বামীয়ে এই সুযোগ লাভ কৰে। এই কাৰ্যসূচী সমাপ্ত কৰি প্ৰধানমন্ত্ৰী গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত অৱস্থিত শ্বহীদ স্মাৰক ক্ষেত্ৰলৈ ৰাওনা হয়। ব্ৰহ্মপুত্ৰৰ মনোমোহা পৰিৱেশত অনুষ্ঠিত এই 'পৰীক্ষা পে চৰ্চা'ই শিক্ষাৰ্থীসকলক নতুন উৎসাহ যোগাইছে আৰু অসমৰ জল পৰিবহণ ব্যৱস্থাৰ সম্ভাৱনাকো দেশৰ সন্মুখত তুলি ধৰিছে।

# ২৯ ডিচেম্বৰত গৃহমন্ত্ৰীয়ে

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থানত নিৰ্মাণ হোৱা বটদ্ৰৱা প্ৰকল্প শুভ উদ্বোধন কৰিবলৈ বটদ্ৰৱালৈ আহিব গৃহমন্ত্ৰী অমিত শ্বাহ। সকলোৱে আহক বটদ্ৰৱা থানলৈ।" আজি বটদ্ৰৱা প্ৰকল্পস্থলীত উপস্থিত হৈ প্ৰকল্পটোৰ কামৰ বুজ লোৱাৰ সময়তে মন্ত্ৰী পীযূষ হাজৰিকাই এই তথ্য প্ৰকাশ কৰে। তেওঁ লগতে জনায় যে, এই প্ৰকল্পটো মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সপোনৰ প্ৰকল্প। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থানক বিশ্বমানৰ আধ্যাত্মিক আৰু পৰ্যটন কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে নিৰ্মাণ কৰা এই বৃহৎ প্ৰকল্পটোৰ নিৰ্মাণকাৰ্য প্ৰায় সম্পূৰ্ণ হৈছে। উল্লেখ্য যে, ২৯ ডিচেম্বৰত গৃহমন্ত্ৰী অমিত শ্বাহে বটদ্ৰৱাত উপস্থিত হৈ মাংগলিক অনুষ্ঠানৰ মাজেৰে প্ৰকল্পটো ৰাইজৰ বাবে মুকলি কৰিব। নামকীৰ্তন, গায়ন-বায়নৰ বৰ্ণাঢ্য অনুষ্ঠানৰে এই উদ্বোধনী কাৰ্যসূচী অনুষ্ঠিত হ'ব। প্ৰায় দুহেজাৰ গায়ন-বায়ন আৰু আয়তীৰ নামকীৰ্তনৰে গৃহমন্ত্ৰীগৰাকীক আদৰণি জনোৱা হ'ব। অনুমানিক যাঠি হেজাৰ ভক্ত, বৈষ্ণৱ আৰু আইমাতৃৰ উপস্থিতিত এই বিশেষ অনুষ্ঠানটো বৰ্ণিল হৈ উঠিব বুলি আশা কৰা হৈছে। প্ৰকল্পটোৰ গুৰুত্বৰ কথা উল্লেখ কৰি মন্ত্ৰী হাজৰিকাই কয় যে, এই প্ৰকল্পই অসমৰ সাংস্কৃতিক ঐতিহ্যক নতুন মাত্ৰা প্ৰদান কৰিব আৰু দেশী-বিদেশী পৰ্যটকৰ বাবে এক আকৰ্ষণীয় কেন্দ্ৰ হৈ উঠিব। আজিৰ পৰিদৰ্শনত মন্ত্ৰী পীযূষ হাজৰিকাৰ লগতে বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামী, ৰমাকান্ত দেউৰী আৰু শশীকান্ত দাসো উপস্থিত আছিল। এই উদ্বোধনী অনুষ্ঠানে অসমৰ সাংস্কৃতিক জাগৰণৰ এক নতুন অধ্যায়ৰ সূচনা কৰিব বুলি বিশ্বাস কৰা হৈছে। ভক্ত আৰু ৰাইজৰ মাজত এই খবৰে উৎসাহৰ সঞ্চাৰ কৰিছে আৰু বহুতে ইতিমধ্যে অনুষ্ঠানত অংশগ্ৰহণৰ প্ৰস্তুতি চলাইছে।

# ভোট বিভাজন ৰোধৰ

সকলো দলৰ মাজত পৰস্পৰ সন্মান আৰু মৰ্যাদা বজাই ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ কয় যে, দল সৰু হ'লেও তাৰ সন্মানত আঘাত হানিব নোৱাৰি। 'অসম প্ৰথম সদায় চিৰদিন' শ্লোগানেৰে জাতীয়বোধ অক্ষুণ্ণ ৰখাৰ লক্ষ্যৰে গঠিত অসম জাতীয় পৰিষদৰ যোৰহাট জিলা সমিতিৰ উদ্যোগত দেওবাৰে টীয়ক বিধানসভা সমষ্টিত অনুষ্ঠিত এখন যোগদান কাৰ্যসূচীত সভাপতিত্ব কৰি লুৰীণজ্যোতি গগৈয়ে এই মন্তব্য প্ৰকাশ কৰে। সভাত প্ৰায় শতাধিক ব্যক্তিয়ে অজাপত যোগদান কৰে, যাৰ ভিতৰত সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন জ্যেষ্ঠ নেতা নিলুফাৰ ৰহমানো অন্তৰ্ভুক্ত। এই যোগদানে দলটোৰ শক্তি দুগুণে বৃদ্ধি কৰিছে বুলি মন্তব্য কৰি গগৈয়ে কয়, "দল যদিও সৰু, কিন্তু আজি আমাৰ শক্তি বাঢ়িছে। আমি ৰাইজৰ স্বাৰ্থত দিনে-ৰাতিয়ে কষ্ট কৰি জাতি-মাটি-ভেঁটিৰ প্ৰকৃত সুৰক্ষাৰ ব্যৱস্থা কৰিম।" মিত্ৰতাৰ প্ৰসংগত অজাপৰ স্থিতি স্পষ্ট কৰি লুৰীণজ্যোতি গগৈয়ে কয়, "মিত্ৰতাৰ ক্ষেত্ৰত অজাপৰ স্থিতি জোন, বেলি, তৰাৰ দৰে স্পষ্ট। ভোট বিভাজন নকৰিবলৈ আমি কিছু এৰা-ধৰাৰ মানসিকতাৰে বুজাপৰা কৰিব লাগিব আৰু পৰস্পৰৰ প্ৰতি সন্মান ৰখা উচিত। দল সৰু হ'ব পাৰে, কিন্তু সন্মান আৰু মৰ্যাদা থাকিবই লাগিব। সেই চিন্তাৰে ঐক্যবদ্ধভাৱে বিজেপিৰ বিৰুদ্ধে যুঁজ দিবলৈ চিন্তা-চৰ্চা কৰিব লাগিব।" কংগ্ৰেছৰ সৈতে আদৰ্শগত অমিলৰ কথা উনুকিয়াই তেওঁ লগতে কয়, "কংগ্ৰেছৰ লগত আমাৰ অমিল আছিল, আছে আৰু ভৱিষ্যতেও থাকিব। কিন্তু জাতীয় সংকট আৰু সমাজ জীৱনৰ সংকটৰ বাবে ভোট বিভাজন ৰোধৰ স্বাৰ্থত দেশৰ ৰাজনৈতিক প্ৰেক্ষাপট অনুধাৱন কৰি একতাৰে যুঁজ দিব লাগিব। সেয়ে ২০২৬ৰ নিৰ্বাচনত আমি মিত্ৰতাৰ বাবে প্ৰস্তুত হৈছো।" বৰ্তমান অসমীয়া জাতিৰ সংকটৰ প্ৰসংগ উত্থাপন কৰি গগৈয়ে কয়, "অসমীয়া জাতি এতিয়া গভীৰ সংকটত পৰিছে। শংকৰ-মাধৱৰ আদৰ্শ বিপন্ন কৰি অসমৰ সাতামপুৰুষীয়া সমন্বয় বিছিন্ন কৰিবলৈ চেষ্টা চলাইছে বৰ্তমান চৰকাৰখনে। তাৰ প্ৰতিনিধিসকলে নিজৰ জীৱন-জীৱিকাৰ বাবে ৰাজনীতি কৰিছে। ইয়াৰ বিপৰীতে আমি বিগত পাঁচ বছৰে অসমৰ সম্পদ আৰু খিলঞ্জীয়াৰ অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত দলীয়ভাৱে কাম কৰি আহিছো।" জাতিৰ সুৰক্ষাৰ প্ৰতি দায়বদ্ধতাৰ কথা পুনৰ উল্লেখ কৰি তেওঁ কয়, "অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ সমমৰ্যাদা, সমউন্নয়ন, ভূমি অধিকাৰ আৰু ৰাজনৈতিক সুৰক্ষাৰ বাবে আমি কণ্টকময় পৰিস্থিতিত সংগ্ৰাম চলাই আহিছো। জাতিৰ বাবে দায়বদ্ধতাৰে কাম কৰি আহিছো আৰু অনাগত দিনত অধিক আত্মবিশ্বাসেৰে আগবাঢ়ি যাম।" ইপিনে, জুবিন গাৰ্গৰ মৃত্যুৰ SIT প্ৰতিবেদনৰ প্ৰসংগত গগৈয়ে কয়, "SIT-এ দাখিল কৰা বিশাল প্ৰতিবেদনত জুবিনদাৰ চৰিত্ৰহণন কৰিবলৈ চেষ্টা কৰা হৈছে। কিছুমান লোকক শাস্তিৰ পৰা ৰক্ষা কৰিবলৈ কূটকৌশল ৰচনা কৰা দেখা গৈছে। ঘটনাৰ সময়ত ছিংগাপুৰত উপস্থিত থকা প্ৰবাসী অসমীয়াসকলক বিশেষভাৱে সোধা-পোছা কৰা হোৱা নাই।" সভাত দলটোৰ সম্পাদক চিত্তৰঞ্জন বসুমতাৰী, উদ্দীপজ্যোতি গগৈকে ধৰি কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে। খিলঞ্জীয়াৰ অস্তিত্ব তথা জাতিৰ সুৰক্ষা আৰু মূল্যবোধৰ ৰাজনীতিৰে অসমীয়া ৰাইজক আগুৱাই নিবলৈ এনে যোগদান কাৰ্যসূচীৰ আয়োজন কৰা হৈছে বুলি দলীয় নেতাসকলে মন্তব্য কৰে।

# কাজলগাঁৱত ১৫ নং বেটেলিয়ন সশস্ত্ৰ সীমা বলৰ ৬২ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**অসম বাৰ্তা, বাসুগাঁও, ২১ ডিচেম্বৰ ঃ** বিটিচিৰ কাজলগাঁওস্থিত ১৫ নং বেটেলিয়ন সশস্ত্ৰ সীমা বলৰ মুখ্য কাৰ্যালয়ত অৱস্থিত শ্বহীদ অমল চৰকাৰ খেলপথাৰত সশস্ত্ৰ সীমা বল'ৰ ৬২ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে কমাণ্ডেণ্ট শচীন কুমাৰৰ অধ্যক্ষতাত এক বৃহৎ অনুষ্ঠান অনুষ্ঠিত হয়। বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰাৰ এই দিনটো এছএছবি'ৰ বাবে গৌৰৱময় ইতিহাস আৰু ৰাষ্ট্ৰীয় সেৱাৰ প্ৰতি সমৰ্পণৰ প্ৰতীক। এই উপলক্ষে কমাণ্ডেণ্টে "অমৰ জোৱান" স্মৃতিসৌধত মাল্যাৰ্পণ কৰি দেশৰ ৰক্ষাৰ বাবে প্ৰাণ আহুতি দিয়া শ্বহীদ সকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানৰ সময়ত জোৱান আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলে সাংস্কৃতিক কাৰ্যসূচী কৰে, যিয়ে ভাৰতৰ "বৈচিত্ৰ্যত ঐক্য" প্ৰতিফলিত কৰে। উপস্থিত থকা পৰিয়ালৰ শিশু আৰু সৈনিকসকলৰ বাবে চামুচ দৌৰ, শ্লো চাইকেল দৌৰ প্ৰতিযোগিতা, ১০০ মিটাৰ স্প্ৰিণ্ট, ৰচী টোনা, ভলীবল আদি প্ৰতিযোগিতাৰো আয়োজন কৰা হয়, শিশুৰ লগতে বিজয়ী সৈনিকসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। কমাণ্ডেণ্টে ভাষণ সম্বোধত প্ৰতিষ্ঠা দিৱস যিকোনো শক্তিৰ বাবে অপৰিসীম গৌৰৱৰ অনুষ্ঠান বুলি উল্লেখ কৰে। ১৯৬২ চনৰ ভাৰত-চীনৰ সংঘৰ্ষৰ পিছত ১৯৬৩ চনৰ ২০ ডিচেম্বৰত বিশেষ সেৱা ব্যুৰো (SSB) হিচাপে সশস্ত্ৰ সীমা বল প্ৰতিষ্ঠা কৰা হয়। সময়ৰ লগে লগে পৰিৱৰ্তিত ৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰয়োজনীয়তাৰ প্ৰতি সঁহাৰি জনাই ২০০১ চনৰ ১৫ জানুৱাৰীত বিশেষ সেৱা ব্যুৰোক গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত ৰখা হয় আৰু ২০০১ চনৰ ১৯ জুনত এই বাহিনীটোক ১৭৫১ কিলোমিটাৰ দৈৰ্ঘ্যৰ ভাৰত-নেপাল আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ দায়িত্ব অৰ্পণ কৰা হয়। ২০০৩ চনৰ ১৫ ডিচেম্বৰত ইয়াক পুনৰ সংগঠিত কৰি সশস্ত্ৰ সীমা বল (SSB) হিচাপে চিহ্নিত কৰা হয়। ২০০৪ চনৰ ১২ মাৰ্চত এই বাহিনীটোক ৬৯৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ ভাৰত-ভূটান আন্তঃৰাষ্ট্ৰীয় সীমান্ত পহৰা দিয়াৰ গুৰুত্বপূৰ্ণ দায়িত্বও অৰ্পণ কৰা হয়। কেৱল সীমান্ত সুৰক্ষাৰ ক্ষেত্ৰতে নহয় জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদ বিৰোধী অভিযান আৰু ঝাৰখণ্ড, বিহাৰ, ছত্তীশগড়ৰ দৰে ৰাজ্যৰ ন'াল বিৰোধী অভিযানতো সক্ৰিয়ভাৱে জড়িত হৈ আছে সশস্ত্ৰ সীমা বল। অৱশেষত কমাণ্ডেণ্টে বাহিনীটোৰ ৬২ সংখ্যক প্ৰতিষ্ঠা দিৱসত সকলোকে শুভেচ্ছা জ্ঞাপন কৰে। উক্ত অনুষ্ঠানত ডেপুটি কমাণ্ডেণ্ট ভূপেন দাস আৰু আৰ.এম. য়াৰ্মীৰ লগতে অন্যান্য বিষয়া, অধীনস্থ বিষয়া, বাহিনীৰ জোৱান, সন্দিক্ষ পৰিয়াল, আৰু সংবাদ মাধ্যমৰ কৰ্মীসকল উপস্থিত থাকে।

অহা ২৫, ২৬ আৰু ২৭ ডিচেম্বৰত মঞ্চস্থ হ'ব শিশু নাট সমাৰোহকে ধৰি তিনিখনকৈ নাট

# মৰিগাঁৱৰ অগ্ৰণী নাট্য গোষ্ঠী সন্মিলিত নাট্যগোষ্ঠীৰ ৰূপালী জয়ন্তীক লৈ ব্যাপক প্ৰস্তুতি

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২১ ডিচেম্বৰ ঃ** মৰিগাঁৱৰ অগ্ৰণী নাট্য গোষ্ঠী সন্মিলিত নাট্যগোষ্ঠীয়ে অহা ২৫, ২৬ আৰু ২৭ ডিচেম্বৰত তিনিদিনীয়াকৈ অনুষ্ঠিত কৰিবলগা ৰূপালী জয়ন্তীকলৈ ব্যাপক প্ৰস্তুতি চলাই আছে। সন্মিলিত নাট্যগোষ্ঠীৰ সভাপতি পৱন সিংহ, সম্পাদক মিলন ডেকা, উদ্‌যাপন সমিতিৰ সভাপতি বাবুল বৰা, কাৰ্যকৰী সভাপতি যতীন্দ্ৰ মেধি, সম্পাদক দ্বয় ভুবনেশ্বৰ ডেকা আৰু কুলিন বৰাক লৈ গঠিত সাতখনকৈ উপ-সমিতিয়ে ৰূপালী জয়ন্তী উৎসৱটো সুচাৰুৰূপে পৰিচালনা কৰিবলৈ দ্ৰুতগতিত প্ৰস্তুতি চলাই আছে। ৰূপালী জয়ন্তী উৎসৱৰ ঘোষিত কাৰ্যসূচী অনুসৰি ২৫ ডিচেম্বৰৰ পুৱা সন্মিলিত নাট্যগোষ্ঠীৰ পতাকা আৰু ৰূপালী জয়ন্তীৰ পতাকা উত্তোলন কৰিব ক্ৰমে পৱন সিংহ, আৰু বাবুল বৰাই। লগতে ২৪খন পতাকা জিলাৰ বিশিষ্ট ব্যক্তিসকলৰ দ্বাৰা উত্তোলন কৰা হ'ব। ইয়াৰ পিছতেই অনুষ্ঠিত হ'ব জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, ফণী শৰ্মা, ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন কৰিব মৰিগাঁও আৰক্ষী অধীক্ষক প্ৰকাশ সোণোৱালে। বন্তিপ্ৰজ্বলন কৰিব মৰিগাঁও জিলা পৰিষদৰ মুখ্যকাৰ্যবাহী বিষয়া অনন্ত গগৈয়ে। শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব জ্যেষ্ঠ সাংবাদিক প্ৰতাপ হাজৰিকাই। স্মৃতি তৰ্পণ কৰিব শিল্পী অশোক ডেকা আৰু আছু'ৰ সাংগঠনিক সম্পাদক ৰূপজ্যোতি মেধিয়ে। সন্ধিয়া ২৫ গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা ২৫ গছি বন্তি প্ৰজ্বলন কৰাৰ পাছত সন্ধিয়া ৬ঃ৩০ বজাত বিশিষ্ট নাট্যকাৰ হেমন্ত দত্তৰ ৰচনা আৰু সুশিলা দত্তৰ পৰিচালনাত মঞ্চস্থ হ'ব সামাজিক নাটক "ভয়"। অসম মহিলা আয়োগৰ অধ্যক্ষা আঙুৰলতা ডেকাই উদ্বোধন কৰিব লগীয়া নাটকৰ উদ্বোধনী অনুষ্ঠানত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব মৰিগাঁও জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব অতিৰিক্ত আয়ুক্ত অনসুয়া শৰ্মা। ২৬ ডিচেম্বৰৰ সন্ধিয়া ৬ঃ৩০ বজাত বিশিষ্ট নাট্যকাৰ অভিজিত ভট্টাচাৰ্যৰ ৰচনা আৰু বিকাশ ভৰদ্বাজৰ পৰিচালনাত মঞ্চস্থ হ'ব সামাজিক নাট "মৰমে কান্দিছে"। বিশিষ্ট অভিনেতা ভবেশ বৰুৱাই উদ্বোধন কৰিব লগীয়া নাটকৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী পীযূষ হাজৰীকা, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী আৰু নগাঁৱৰ মানসজ্যোতি বৰা। ২৭ ডিচেম্বৰৰ দিনৰ ১১-৩০ বজাত অন্তৰংগ আলাপ আৰু বিশেষ সম্বৰ্দ্ধনা অনুষ্ঠানটো উদ্বোধন কৰিব মৰিগাঁও জিলা সাংস্কৃতিক উন্নয়ন বিষয়া অংশুমান দত্তই। দিনৰ ২-০০ বজাত শিশু আৰু চেমনীয়া সকলৰ মাজত অনুষ্ঠিত হ'ব চিত্ৰাংকন প্ৰতিযোগিতা। আবেলি ৩ বজাত মৰিগাঁও লেখিকা সংস্থাৰ সভানেত্ৰী শেৱালি শৰ্মা বৰকটকীৰ সঞ্চালনাত আৰু মৰিগাঁও লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ৰীণা ডেকাই উদ্বোধন কৰিব লগীয়া "শিশুৰ মানসিক-শাৰীৰিক আৰু বৌদ্ধিক বিকাশত নাৰী সমাজৰ ভূমিকা" শীৰ্ষক আলোচনা চক্ৰত মুখ্য আলোচক হিচাপে অংশগ্ৰহণ কৰিব শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় অধ্যাপিকা ড°ত্ৰিবেণী শইকীয়াই। আলোচক হিচাপে মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° হৰমোহন কলিতা আৰু সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব মৰিগাঁও জিলা পৰিষদৰ সভানেত্ৰী প্ৰণতি কলিতা ডেকাই। সন্ধিয়া ৬-০০ বজাত নাট্য জগতৰ লগত জড়িত এজন বিশিষ্ট নাট্যকৰ্মীক বিশেষ উপাধি প্ৰদান কৰাৰ পাছত সন্ধিয়া ৬-৩০ বজাত অনুষ্ঠিত হ'ব শিশু নাট সমাৰোহ। নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাই উদ্বোধন কৰিবলগীয়া নাট সমাৰোহ খনিত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব তিৱা স্বায়ত্ত পৰিষদৰ মুখ্যকাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰে। সন্মানীয় অতিথি হিচাপে অংশ গ্ৰহণ কৰিব মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লীলাকান্ত বৰঠাকুৰ আৰু জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগে। ৰূপালী জয়ন্তী উৎসৱটো সফল কৰি তুলিবলৈ সকলো ৰাইজৰে সহায় সহযোগিতা কামনা কৰিছে উদ্‌যাপন সমিতিয়ে।

ডিঙি ৰেপি হত্যা কৰিলে কলেজীয়া ছাত্ৰীক

# হাজোত নৃশংস হত্যাকাণ্ড

**অসম বাৰ্তা, হাজো, ২১ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ হাজোত এগৰাকী কলেজীয়া ছাত্ৰীক ডিঙি ৰেপি হত্যা কৰা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। হত্যাৰ বলি হোৱা ছাত্ৰী গৰাকী মমি বেগম (১৮) বুলি জানিব পৰা গৈছে। ঘটনাৰ সবিশেষ জানিব পৰা মতে হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত ২নং কোঁৰৰপুৰৰ আক্ৰাম আলীৰ কন্যা তথা হাজো সুৰেন দাস মহাবিদ্যালয়ৰ প্ৰথম ষাণ্মাষিকৰ ছাত্ৰী মমি বেগমক কোনো অচিন দুৰ্বৃত্তই ঘৰৰ চোতালতে নিৰ্মম ভাৱে হত্যা কৰে। উল্লেখ্য যে ভুক্তভোগী বায়েকৰ অহা জানুৱাৰী মাহত বিবাহৰ দিন থিৰাং কৰা হৈছিল আৰু সেই উপলক্ষে মমি বেগমৰ পিতৃ মাতৃয়ে যোৱা কালি বিয়লি পৰত মমি বেগমক ঘৰত থৈ বিবাহৰ বাবে নিয়ন্ত্ৰণ দিবলৈ আলহীৰ ঘৰলৈ গৈছিল। পিছত সন্ধিয়া সময়ত ঘৰলৈ উভতি আহি নিজ কন্যাক তেজেৰে ৰাঙলী হৈ দমকলৰ পাৰত পৰি থকা প্ৰত্যক্ষ কৰে। লগে লগে অঞ্চলটিত হুৱাদুৱা লাগে। পিছত হাজো আৰক্ষীক ঘটনাৰ সবিশেষ জনোৱাত হাজো আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহৰ ওচৰত এখন চোকা ব্লেড উদ্ধাৰ কৰাৰ লগতে মৃতদেহ চমজি লৈ তদন্ত আৰম্ভ কৰে। ইফালে স্থানীয় লোকে প্ৰেম জনিত কাৰণতে ঘৰত কোনো নথকাৰ সুযোগ লৈ দুৰ্বৃত্তই যুৱতী গৰাকীক হত্যা কৰি দমকলৰ পাৰত পেলাই থৈ যোৱাৰ সন্দেহ কৰে। হাজো আৰক্ষীয়ে মৃতদেহ মৰোণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় লৈ প্ৰেৰণ কৰাৰ লগতে ছাত্ৰী গৰাকীক এয়া হত্যা নে আত্মহত্যা সেয়া মৰোণোত্তৰ পৰীক্ষাৰ ফলাফলত হে ওলাই পৰিব।

# ডুমডুমাত ১৬ কোটি টকাৰ ইনড'ৰ ষ্টেডিয়াম আৰু বহুমুখী প্ৰেক্ষাগৃহৰ ভূমি পূজন কৰিলে মন্ত্ৰী ৰূপেশ গোৱালাই



**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২১ ডিচেম্বৰ ঃ** ডুমডুমাত ক্ৰীড়া আৰু সামাজিক আন্তঃগাঁথনি উন্নয়নৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী তথা ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালাই শনিবাৰে ডুমডুমা নগৰ খেলপথাৰত এটা অত্যাধুনিক ইনড'ৰ ষ্টেডিয়াম আৰু বহুমুখী প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবে ভূমি পূজন কৰে। ১৬ কোটি টকাৰ এই প্ৰকল্পটো তিনিচুকীয়া ক্ষেত্ৰীয় গৃহ সংমণ্ডলৰ অধীনত লোক নিৰ্মাণ বিভাগে ৰূপায়ণ কৰিব। এই প্ৰকল্পটো মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ডুমডুমাৰ বাবে ঘোষণা কৰা সাম্প্ৰতিক উন্নয়নমূলক আঁচনিসমূহৰ অংশ। প্ৰস্তাৱিত তিনিমহলীয়া ইনড'ৰ ষ্টেডিয়াম আৰু প্ৰেক্ষাগৃহটোত আধুনিক মানৰ ইনড'ৰ ক্ৰীড়া সুবিধাৰ লগতে এটা পুথিভঁৰাল, জিমনেছিয়াম আৰু সন্মিলন কক্ষ থাকিব। মন্ত্ৰী গোৱালাই কয় যে প্ৰায় ডেৰ বছৰৰ ভিতৰত সম্পূৰ্ণ হ'বলৈ লক্ষ্য নিৰ্ধাৰণ কৰা এই ষ্টেডিয়াটো যুৱ ক্ৰীড়াবিদসকলৰ বাবে এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে গঢ় লৈ উঠিব আৰু সমাজৰ সকলো শ্ৰেণীৰ লোক উপকৃত হ'ব। উল্লেখযোগ্য যে ষ্টেডিয়ামখনৰ ভূমি মহলাত মাৰোৱাৰী দুৰ্গা পূজাৰ বাবে স্থায়ী কাঠামো থাকিব আৰু মুখ্য প্ৰতিমা স্থাপনৰ পবিত্ৰতা সম্পূৰ্ণৰূপে সংৰক্ষিত ৰখা হ'ব। ডুমডুমা পৌৰসভাৰ ৫ নং ৱাৰ্ডৰ ৱাৰ্ড সদস্য তথা বিশিষ্ট সাংস্কৃতিক কৰ্মী নয়ন ডেকাই আঁত ধৰা অনুষ্ঠানটিত ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য, ডুমডুমা আঞ্চলিক পঞ্চায়তৰ সভাপতি ভাৰত ভাজনী, তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ প্ৰাক্তন সভাপতি প্ৰণৱ বৰুৱা সহ কেইবাগৰাকীও স্থানীয় বিশিষ্ট ব্যক্তি, শিক্ষাবিদ, সমাজকৰ্মী আৰু জনপ্ৰতিনিধি উপস্থিত আছিল।

নাৰীৰ অধিকাৰ, ন্যায় আৰু সমতাৰ দাবীত শতাধিক মহিলাৰ প্ৰতিবাদ

# গোসাইগাঁৱৰ গোলাডাঙ্গিত নাৰী সমদল




**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ২১ ডিচেম্বৰ ঃ** বিটিচিৰ কোকৰাঝাৰ জিলাৰ গোসাইগাঁৱ মহকুমাৰ অন্তৰ্গত গোলাডাঙ্গি গাঁৱত আজি নাৰীৰ অধিকাৰ সংৰক্ষণ, সামাজিক ন্যায় আৰু সমতাৰ দাবীত এক বৃহৎ নাৰী সমদল উলিয়ায় হয়। সমাজমুখী সংস্থা Centre for Relief and Rehabilitation চমুকৈ (CRR)ৰ উদ্যোগত আয়োজন কৰা নাৰী সমদলত অঞ্চলটোৰ শতাধিক মহিলাই অংশগ্ৰহণ কৰে। সমদলত অংশগ্ৰহণ কৰা মহিলাসকলে হাতে হাতে প্লে'কাৰ্ড লৈ বিভিন্ন প্ৰতিবাদী শ্লোগানেৰে নাৰীৰ ওপৰত হোৱা নান প্ৰকাৰৰ নিৰ্যাতন, অন্যায় আৰু বৈষম্যৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। নাৰীসকলৰ ওপৰত বৃদ্ধি পোৱা ঘৰুৱা হিংসা, সামাজিক বৈষম্য, অধিকাৰ হৰণ আদিৰ বিৰুদ্ধে একত্ৰিতভাৱে মাত মাতি মহিলাসকলে ন্যায় নিশ্চিত কৰাৰ দাবী উত্থাপন কৰে। সমদলখনৰ জৰিয়তে মহিলাসকলে নাৰী অধিকাৰ সংৰক্ষণ, সামাজিক ন্যায় নিশ্চিতকৰণ আৰু নাৰীৰ ওপৰত হোৱা অন্যায়-অত্যাচাৰ বন্ধ কৰিবলৈ চৰকাৰ আৰু প্ৰশাসনৰ দৃষ্টি আকৰ্ষণ কৰে। লগতে নাৰীসকলৰ শিক্ষা, স্বাস্থ্য, সুৰক্ষা, জীৱিকা আৰু সামাজিক সন্মানৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিবলৈও চৰকাৰক দাবী জনায়। Centre for Relief and Rehabilitation (CRR) এটা সমাজমুখী স্বেচ্ছাসেৱী সংস্থা, যিয়ে দীৰ্ঘদিনৰ পৰা সমাজৰ সামগ্ৰিক উন্নয়নৰ বাবে নিষ্ঠাৰে কাম কৰি আহিছে। সংস্থাটোৱে বিশেষকৈ মহিলা সবলীকৰণ, জীৱিকা উন্নয়ন, শিক্ষা বিস্তাৰ, শিশু সুৰক্ষা আৰু অধিকাৰ সচেতনতা ক্ষেত্ৰত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা পৰিলক্ষিত হৈছে। CRR ৰ মুখ্য লক্ষ্য হৈছে সমাজৰ প্ৰান্তিক আৰু পিছপৰা পৰিয়ালসমূহৰ জীৱনমান উন্নত কৰা। সংস্থাটোৱে মহিলাসকলক আত্মনিৰ্ভৰ হ'বলৈ উৎসাহিত কৰাৰ লগতে দক্ষতা উন্নয়ন, কৃষি আৰু জীৱিকা সম্পৰ্কীয় বিভিন্ন সহায় আগবঢ়াই আহিছে। ইয়াৰ উপৰিও চৰকাৰী আঁচনি আৰু অধিকাৰ সম্পৰ্কে সচেতনতা সৃষ্টি কৰি এক আত্মনিৰ্ভৰ আৰু সমতাভিত্তিক সমাজ গঢ়ি তোলাৰ লক্ষ্যৰে সংস্থাটোৱে কাম কৰি আছে। আজি নাৰী সমদলে গোলাডাঙ্গি অঞ্চলত নাৰীৰ অধিকাৰ আৰু ন্যায়ৰ দাবীক নতুন শক্তি প্ৰদান কৰাৰ লগতে সমাজত সচেতনতা বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি স্থানীয় ৰাইজেও মত প্ৰকাশ কৰিছে।

# মেৰাপানী তেলিশাল হিড়িম্বাপুৰ প্ৰাথমিক বিদ্যালয়ত সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন

**অসম বাৰ্তা, মেৰাপানী, ২১ ডিচেম্বৰ ঃ** গোলাঘাট জিলাৰ পুব শিক্ষা খণ্ডৰ অধীনস্থ তেলিখালৰ হিড়িম্বাপুৰ প্ৰাথমিক বিদ্যালয়খনি ৫০টা বৰ্ষ অতিক্ৰম কৰাত আজি সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰা হয়। ১৯৭৫ চনত গাঁৱৰ শিক্ষানুৰাগী কেইজন মান লোকে অহৰহ চেষ্টা, ঘাট-প্ৰতিঘাটক নেউচি ছাত্ৰ-ছাত্ৰী সকলক জ্ঞানৰ পোহৰ বিলোৱাৰ উদ্দেশ্যে প্ৰতিষ্ঠা কৰিছিল উক্ত হিড়িম্বাপুৰ প্ৰাথমিক বিদ্যালয়খনি। আজি ৫০টা বছৰ গৰকা বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়ত্ৰী, অভিভাৱক তথা সকলো শ্ৰেণীৰ ৰাইজৰ সহযোগত উদ্‌যাপন কৰা হৈছে এই সোণালী জয়ন্তী বৰ্ষ। আজি পুৱা ৭ বজাত মূল তোৰণ উন্মোচন কৰে উপ-মুখ্য কাৰ্যবাহী সদস্য, বড়ো কছাৰী কল্যাণ স্বায়ত্ত শাসিত পৰিষদ, পুৱা ৮ বজাত পতাকা উত্তোলন কৰে জলেশ্বৰ ব্ৰহ্ম, সভাপতি সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন সমিতি, স্মৃতি তৰ্পণ কৰে ৰামেশ্বৰ নাৰ্জাৰী প্ৰাক্তন শিক্ষক হিড়িম্বাপুৰ প্ৰাথমিক বিদ্যালয়। এই সোণালী জয়ন্তী বৰ্ষত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী তথা শিক্ষকক লৈ য়এখনি প্ৰাক্তন ছাত্ৰ সমাৰোহ আয়োজন কৰে। এই সভাতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহতে এখনি স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়। উন্মোচন কৰে গোলাঘাট জিলাৰ পুব শিক্ষা খণ্ডৰ শিক্ষা বিষয়া অবনি কুমাৰ গগৈয়ে। ইয়াৰোপৰি সোণালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি বিভিন্ন খেল ধেমালি, বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। বিয়ল ২ বজাত সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি দেৱেশ্বৰ বহ্মৰ সভাপতিত্বত এখনি মুকলি সভা অনুষ্ঠিত হয়। উল্লেখ্য যে উক্ত বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকল আজি সোণালী জয়ন্তী উদ্‌যাপনৰ কাৰ্যসূচীত সকলোৱে মিলিত হৈ অতিত ৰূমন্থন কৰি আত্মহাৰা হৈ পৰা দেখিবলৈ পোৱা যায়।

ডবকাত ৰাইজৰ তীব্ৰ প্ৰতিবাদ

# আজমল পৰিয়ালৰ ফটো বিকৃত

**অসম বাৰ্তা, ডবকা, ২১ ডিচেম্বৰ ঃ** দুষ্ট চক্ৰই কৃত্ৰিম বুদ্ধিমত্তা প্ৰযুক্তিৰ অপব্যৱহাৰ কৰি আজমল পৰিয়ালৰ ফটো বিকৃত ফটো প্ৰস্তুত কৰি সামাজিক মাধ্যমত ভাইৰেল কৰাৰ অভিযোগত শুক্ৰবাৰে ডবকাত এক তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখ্য যে বৰ্তমানে হোজাই জিলাৰ বিন্নাকান্দী সমষ্টিত এক প্ৰকাৰৰ বোকা চটিওৱা ৰাজনীতি আৰম্ভ হৈছে। সাধাৰণ ৰাইজৰ বাস্তৱ সমস্যাবোৰ উপেক্ষা কৰি ৰাজনৈতিক নেতা কৰ্মীয়ে অকল আশ্বাস, ভ্ৰমাত্মক বক্তব্য আৰু ৰাইজক দেখুৱা কাৰ্যসূচীৰে জনসাধাৰণক বিভ্ৰান্ত কৰিবলৈ চেষ্টা চলাইছে বুলি সচেতন মহলত চৰ্চা চলিছে। নিৰ্বাচন বা ৰাজনৈতিক লাভৰ সময়ত মাত্ৰ ৰাইজৰ ওচৰলৈ আহে, পিছত পুনৰ তেওঁলোকক পাহৰি যোৱাটো এতিয়া এক সাধাৰণ ঘটনাত পৰিণত হৈছে। উন্নয়ন, শিক্ষাৰ মান উন্নতি, নিবনুৱা, ৰাস্তা-ঘাট, পানী-বিদ্যুৎ আদিৰ দৰে গুৰুত্বপূৰ্ণ সমস্যাবোৰৰ স্থায়ী সমাধানৰ পৰিবৰ্তে অভিযোগ প্ৰতি অভিযোগ আৰম্ভ কৰিছে। বৰ্তমানে ইমান নিম্ন পৰ্যায়ৰ ৰাজনীতি আৰম্ভ হৈছে দুষ্ট চক্ৰই কৃত্ৰিম বুদ্ধিমত্তা প্ৰযুক্তিৰ অপব্যৱহাৰ কৰি AIUDF প্ৰধান মৌলানা বদৰ উদ্দিন আজমল আৰু তেওঁৰ ভাতৃ বিন্নাকান্দীৰ বিধায়ক সিৰাজ উদ্দিন আজমল তথা পুত্ৰ আব্দুৰ ৰহিম আজমলৰ ফটো বিকৃত কৰি এটা ফেইচবুক একাউণ্টৰ জৰিয়তে সামাজিক মাধ্যমত প্ৰচাৰ কৰা ঘটনাই ডবকা অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। এই ঘৃণনীয় আৰু উদ্দেশ্যপ্ৰণোদিত কাৰ্য্যৰ বিৰুদ্ধে সচেতন ৰাইজ জাঙুৰ খাই উঠিছে। উল্লেখযোগ্য যে, সংশ্লিষ্ট ফেইচবুক একাউণ্টটোৰ জৰিয়তে কৃত্ৰিম বুদ্ধিমত্তা প্ৰযুক্তিৰ সহায়ত নিৰ্মিত বিকৃত ফটোসমূহ প্ৰচাৰ কৰি ব্যক্তিগত সন্মান আৰু সামাজিক ভাবমূৰ্তি নষ্ট কৰাৰ চেষ্টা কৰা হৈছে বুলি অভিযোগ উঠিছে। এই ঘটনাক কেন্দ্ৰ কৰি এ, আই, ইউ, ডি, এফ দলৰ কৰ্মীসকলে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে আৰু দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। ইতিমধ্যে বুধবাৰে এ, আই, ইউ, ডি, এফ দলৰ কৰ্মী সকলে ডবকা থানাত আনুষ্ঠানিকভাৱে এজাহাৰ দাখিল কৰিছে। সচেতন মহলে কব বিছাৰে যে, কৃত্ৰিম বুদ্ধিমত্তা প্ৰযুক্তিৰ এনে অপব্যৱহাৰ সমাজৰ বাবে অতি বিপজ্জনক আৰু ইয়াক ৰোধ কৰিবলৈ কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰাটো অতি প্ৰয়োজন। যোৱা শুক্ৰবাৰে ডবকাত পুৰুষ-মহিলা আৰু আলিম সমাজে হাতে হাতে প্লে'কাৰ্ড লৈ ডবকা নেহৰু খেলপথাৰৰ পৰা ৰেলী উলিয়াই ডবকা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত আহি চক্ৰ বিষয়াৰ জৰিয়তে জিলা আয়ুক্তলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰি এই ঘটনাৰ বিৰুদ্ধে তৎক্ষণাত আইনগত ব্যৱস্থা গ্ৰহণৰ দাবী জনায়।

# চামগুৰিত ভাৰতীয় জনতা পাৰ্টীৰ নিৰ্বাচনী প্ৰচাৰ যুৱ নেতা নাজিৰ হুছেইনৰ

**অসম বাৰ্তা, ৰূপহীহাট, ২১ ডিচেম্বৰ ঃ** আগন্তুক ২০২৬ ৰ বিধান সভা নিৰ্বাচনৰ দিন যিমানে চমু চাপি আহিছে সিমানে তৎপৰ হৈ পৰিছে প্ৰতিটো ৰাজনৈতিক দল। ৯২ শতাংশ সংখ্যালঘু ভোটাৰে চামগুৰি সমষ্টিত প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। ৯২ শতাংশ সংখ্যালঘু ভোটাৰ থকা সমষ্টিটোত কংগ্ৰেছৰ আছে এক সৱল স্থিতি। আজি সমষ্টিটোত প্ৰচাৰ চলায় ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সদস্য তথা চামগুৰি সমষ্টিৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী নাজিৰ হুছেইনে। আজি চামগুৰি সমষ্টিৰ অন্তৰ্গত কেইবাটাও গাঁও পঞ্চায়তৰ চুকে-কোণে সাধাৰণ ভোটাৰৰ লগত মত বিনিময় কৰে। যুৱ নেতা গৰাকীয়ে দিনে নিশাই ভাৰতীয় জনতা পাৰ্টীৰ ভেটি শক্তিশালী কৰা পৰিলক্ষিত হয়।

# ভূৰাগাঁৱত অষ্টম মানৰ ১৩ বছৰীয়া ছাত্ৰীক পলুৱাই নি ৰঙাঘৰৰ আলহী হ'ল দুই সন্তানৰ পিতৃ

**অসম বাৰ্তা, ভূৰাগাঁও, ২১ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও থানাৰ অন্তৰ্গত এখন গাঁৱৰ এগৰাকী অষ্টম মানৰ ছাত্ৰীক পলুৱাই নি ৰঙাঘৰৰ আলহী হ'ল দুই সন্তানৰ পিতৃ। ঘটনাৰ বিৱৰণী মতে ভূৰাগাঁৱৰ এখন বিদ্যালয়ৰ অষ্টম মানৰ ছাত্ৰী গৰাকীয়ে ১২ ডিচেম্বৰত স্কুললৈ গৈ থকা অৱস্থাত অপহৰণকাৰী মঞ্জিল আহমেদ নামৰ লম্পট টোৱে ৰাস্তাৰ পৰাই প্ৰলোভন দি ছাত্ৰী গৰাকীক গাড়ীত উঠাই লৈ যায়। স্কুল ছুটিৰ সময়ত অভিভাৱকে ছাত্ৰী গৰাকীক নেদেখি স্কুলত খবৰ কৰাত স্কুল কৰ্তৃপক্ষই ছাত্ৰী গৰাকী স্কুললৈ অহা নাই বুলি জানিব দিয়ে। লগে লগে হুৱা দুৱা লাগে কিশোৰী গৰাকীৰ ঘৰত। ঘটনাৰ সন্দৰ্ভত ছাত্ৰী গৰাকীৰ অভিভাৱকে ভূৰাগাঁও থানাত এজাহাৰ দাখিল কৰে। অভিভাৱকৰ এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে তদন্ত কৰি সোধ পোছ কৰাত টেঙাগুৰী গাঁৱৰ দুই সন্তানৰ পিতৃ মঞ্জিল আহমেদে ছাত্ৰীগৰাকীক অপহৰণ কৰা বুলি নিশ্চিত হয়। মঞ্জিল আহমেদ নামৰ লম্পটটোৱে ছাত্ৰী গৰাকীক লৈ চেন্নাইত আত্মগোপন কৰাৰ তথ্য লাভ কৰি ভূৰাগাঁও আৰক্ষীয়ে অভিযান আৰম্ভ কৰে। অৱশেষত বৃহস্পতিবাৰে বহিঃ ৰাজ্যত আত্মগোপন কৰা লম্পটটোক জামছেদপুত গ্ৰেপ্তাৰ কৰাৰ লগতে অপহৰণকাৰীটোৰ কবলৰ পৰা অপহৃত ছাত্ৰী গৰাকীকো উদ্ধাৰ কৰিবলৈ সক্ষম হয় ভূৰাগাঁও আৰক্ষী। আজি লম্পট টোৰ ভূৰাগাঁও আৰক্ষীয়ে জেল হাজোতলৈ প্ৰেৰণ কৰে।

# গোসাঁইগাঁৱত স্বেচ্ছাসেৱী সংগঠন বীৰাংগনাৰ উদ্যোগত বাল্যবিবাহ আৰু শিশু সৰবৰাহৰ বিৰুদ্ধে ছাত্ৰ-ছাত্ৰীৰ মাজত সজাগতা সভা সম্পন্ন

**অসম বাৰ্তা, গোসাঁইগাঁও, ২১ ডিচেম্বৰ ঃ** গোসাঁই গাঁৱৰ কেইগৰাকী মান শিক্ষিত আৰু উদ্যোগী মহিলাৰ আশাসুধীয়া আৰু নেৰানেপেৰা প্ৰচেষ্টাত গঠিত বেচৰকাৰী মহিলা স্বেচ্ছাসেৱী সংগঠন বীৰাংগনাৰ উদ্যোগত বাল্য বিবাহ আৰু শিশু সৰবৰাহৰ বিৰুদ্ধে এখন সজাগতা সভা গোসাঁইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি সম্পন্ন হয়। বিদ্যালয়খনৰ ওপৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলৰ উপস্থিতিত বিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সজাগতা সভাখনত মুখ্য সমল ব্যক্তি হিচাপে উপস্থিত থাকি গোসাঁইগাঁও সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া ভাৰ্গৱ লিগিৰাই বিষয়বস্তুৰ বিভিন্ন দিশ খৰচি মাৰি ভাষণ প্ৰদান কৰে। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি বিদ্যালয় খনৰ অধ্যক্ষা ভানুমতী ব্ৰহ্ম আৰু জ্যেষ্ঠ সহকাৰী শিক্ষক দিলীপ সাহাইও বাল্য বিবাহ আৰু শিশু সৰবৰাহৰ ওপৰত সাৰুৱা ভাষণ প্ৰদান কৰে। বিৰাংগনাৰ সভানেত্ৰী মৃণালিনী ডেকা কলিতাই বাল্য বিবাহৰ বিৰুদ্ধে স্বৰচিত এটি কবিতা পাঠ কৰি সকলোকে মুগ্ধ কৰে। সংগঠনটোৰ সম্পাদিকা কবিতা চৌধুৰী তথা সমূহ সদস্যাৰ লগতে উপদেষ্টা মৃণাল কলিতা সহ বিদ্যালয়খনৰ ভালে সংখ্যক শিক্ষক-শিক্ষয়িত্ৰীয়ে ভাগ লোৱা সজাগতা সভাখনৰ আঁত ধৰে বিৰাংগনাৰ মুখ্য উপদেষ্টা শংকৰ চৌধুৰীয়ে। উল্লেখ্য যে বৃহত্তৰ গোসাঁইগাঁও আৰু ইয়াৰ উপকণ্ঠ অঞ্চল সমূহত চলি অহা ডাইনী হত্যা, বাল্য বিবাহ, নাৰী-শিশু সৰবৰাহ, গাৰ্হস্থ্য হিংসা আদি সামাজিক ব্যাধি সমূহ সমাজৰ পৰা আঁতৰাই এখন সুস্থ সমাজ গঢ়াৰ স্বাৰ্থত বিগত দীৰ্ঘদিন ধৰি কোনো চৰকাৰী পৃষ্ঠ পোষকতা অবিহনে নিজৰ গাঁঠিৰ ধন ভাঙি বিভিন্ন পন্থাৰে অহৰ্নিশে কাম কৰি আহিছে স্বেচ্ছাসেৱী সংগঠন বীৰাংগনাৰ কৰ্মীসকলে।

লুটি নিলে ধন-সোণ, বহু মূল্যবান সম্পদ

# মৰিগাঁৱৰ ভূৰবন্ধা সোণাইপৰীয়া ভোলা আশ্ৰমত নিশা চোৰৰ চাফাই অভিযান

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২১ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ ভূৰবন্ধাৰ সোণাইপৰীয়া ভোলা আশ্ৰমত যোৱা নিশা চোৰে উপদ্ৰৱ চলাই আশ্ৰমৰ ধন-সোণ আৰু বহু মূল্যবান সম্পদ লুটি নিয়া ঘটনাই অঞ্চলটোত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য মতে যোৱা দোভাগ নিশা চোৰে আশ্ৰমখনত প্ৰৱেশ কৰি মন্দিৰটোত লুটপাত চলায়। পুৱাৰ ভাগত আশ্ৰমৰ পূজাৰী গৰাকীয়ে প্ৰাতঃ কৰ্ম সম্পাদন কৰিবলৈ মন্দিৰত প্ৰৱেশ কৰাত সকলো সামগ্ৰী লণ্ড ভণ্ড হৈ থকা প্ৰত্যক্ষ কৰে। আশ্ৰমৰ পূজাৰী আৰু পৰিচালনা সমিতিৰ কাৰ্যকৰাতাৰ পৰা জানিব পৰা মতে চোৰে আশ্ৰমৰ কাঁহ-পিতলৰ তিলিঙা, বৰতাল, সৰুতাল, যোৰতাল, পিতলৰ চাকি গছা, মাইকৰ সামগ্ৰ, পূজাত ব্যৱহৃত তামৰ থালি, পাত্ৰ, কমণ্ডলু, মূল আসনত থকা প্ৰণামীৰ ধন আৰু দান পাত্ৰত থকা বুজন পৰিমাণৰ টকা লৈ যায়। ঘটনাটোৰ সম্পৰ্কত আশ্ৰম পৰিচালনা সমিতিয়ে মৰিগাঁও আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে। আনহাতে অঞ্চলটোৰ একাংশ ভক্তপ্ৰাণ লোকে আজি দিনৰ ভাগত আশ্ৰমৰ মন্দিৰত ধূপ বন্তি প্ৰজ্বলনেৰে শৰাই আগবঢ়াই চুৰি কাৰ্য সংঘটিত কৰা চোৰক মহাদেৱে উচিত বিচাৰ কৰাৰ নিমিত্তে পূজি অৰ্চনা কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন